অধ্যায় ১ঃ লোক প্রশাসনৰ অর্থ, প্রকৃতি আৰু পৰিসৰ ; লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ লোক প্রশাসনৰ অর্থ

১.৪ লোক প্রশাসনৰ প্রকৃতি আৰু পৰিসৰ

১.৪.১ লোক প্রশাসনৰ প্রকৃতি

১.৪.২ লোক প্রশাসনৰ পৰিসৰ

১.৫ লোক প্রশাসন আৰু বে-চৰকাৰী প্রসাশন

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোক প্রশাসনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- লোক প্রশাসনৰ প্রকৃতি বর্ণনা কৰিব পাৰিব
- লোক প্রশাসনৰ পৰিসৰ বর্ণনা কৰিব পাৰিব
- লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ মাজৰ পার্থক্য আৰু সাদৃশ্য নির্ণয় কৰিব পাৰিব।

১.২ পৰিচয়

আমাৰ দৈনন্দিত জীৱনত আমি মাজে সময়ে চৰকাৰী কার্যালয়লৈ আৰু বিভাগলৈ বিভিন্ন উদ্দেশ্যৰে যাও, সেয়ে বিভিন্ন কামৰ লগত জড়িত বিভিন্ন চৰকাৰী বিষয়াৰ লগত সম্পর্ক স্থাপন হয়। এই সকলো পৰিস্থিতিয়ে লোক প্রশাসনৰ ধাৰণাক সুচায়। বর্তমান বিশ্বত লোক প্রশাসন, চৰকাৰৰ দৰেই জনসাধাৰণৰ বিভিন্ন প্রয়োজন সমূহ পুৰণৰ বাবে অবিচ্ছেদ্য অংগ। এই অধ্যয়ত আমি লোক প্রশাসনৰ বিভিন্ন ক্ষেত্রৰ লগতে ইয়াৰ অর্থ, প্রকৃতি, পৰিসৰ তথা লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ প্রার্থক্য আলোচনা কৰিম।

১.৩ লোক প্রশাসনৰ অর্থ

লোক প্রশাসন প্রশাসনৰ এটা অংশ। প্রশাসন শব্দটোৱে এটা নির্দিষ্ট লক্ষ্য আগত ৰাখি কৰা সামূহিক কার্যক বুজায়। বর্তমান লোক প্রশাসন শব্দটোৱে চৰকাৰী কার্যৱলী আৰু আচৰণক বুজায়। 'প্রশাসন'ৰ আগত 'লোক' শব্দ ব্যৱহাৰে চৰকাৰক ইয়াৰ প্রশাসনীয় কাম-কাজৰ সীমাবদ্ধ ধৰি ৰাখে। এই ফালৰ পৰা দেখা যাই যে লোক প্রশাসন হ'ল চৰকাৰৰ শাসন।

'লোক প্রশাসন'ৰ সংজ্ঞা বিভিন্ন জনে বিভিন্নধৰণে দিছে তাৰে কেইটামান গুৰুত্বপূর্ণ সংজ্ঞা তলত দিয়া হ'ল—

- জন এম পিফনাৰৰ মতে 'লোক প্রশাসন চৰকাৰৰ কার্যৱলীক লৈ গঠিত হৈছে, য'ত ই স্বাস্থ্য পৰীক্ষা গৃহত এক্স-ৰে (X-ray) যন্ত্র চলোৱাৰ পৰা মুদ্রাশালত মুদ্রা তৈয়াৰ কৰালৈকে সামৰি লয়।'
- **লুথাৰ গুলিক**ৰ মতে "লোক প্রশাসন হ'ল প্রশাসনীয় বিজ্ঞানৰ সেই অংগ যি চৰকাৰৰ লগত কাম কৰে, সেয়ে ই প্রাথমিকভাৱে কার্যপালিকাৰ লগত জড়িত, য'ত চৰকাৰৰ কাম-কাজ কৰা হয়, যদিও বিধান মণ্ডল আৰু ন্যায় পালিকাৰ লগতো সম্পর্ক ৰক্ষা কৰে।'
- **এল. ডি. হোৱাইট**ৰ মতে 'লোক প্রশাসন সেই বোৰ কার্যৱলীক লৈ গঠিত যিয়ে জননীতিৰ সম্পন্নতা আৰু কার্যকাৰিতাক বুজায়।"
- **হার্বাট ছাইমন**ৰ মতে 'লোক প্রশাসনৰ ৰাষ্ট্রীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰৰ কার্যপালিকাই কৰা কার্যৱলীক বুজায়।'

ওপৰৰ সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্ট হয় যে লোক প্রশাসন দুটা দৃষ্টিকোণৰ পৰা ব্যৱহাৰ কৰা হয়। এল. ডি. হোৱাইট আৰু জন এম পিফনাৰে বহল দৃষ্টিভংগী গ্রহণ কৰিছে। এই মতামত মতে, লোক প্রশাসনে চৰকাৰৰ সকলো কার্যৱলীক সামৰি লৈছে য'ত ই বিধায়নী, কার্যকৰী বা ন্যায়িক যিকোনো শাখাতে নপৰক কিয়। অন্যহাতে, লুথাৰ গুলিক আৰু হার্বাত চাইমনেও সীমিত দৃষ্টিভংগী গ্রহণ কৰিছে। সীমিত দৃষ্টিভংগী মতে লোক প্রশাসন কেৱল চৰকাৰৰ কার্যকৰী অংগৰ লগত জড়িত।

লুথাৰ গুলিক (১৮৯২-১৯৭০) ঃ এজন আমেৰিকান প্রশাসনিক বিষয়া আছিল যিয়ে ৰাষ্ট্রপতি ফ্রেংকলিন ডি. ৰুছভেল্টৰ প্রশাসনত কার্যনির্বাহ কৰিছিল।

এল. ডি. হোৱাইট ঃ তেওঁ এজন লোক প্রশাসনৰ আগশাৰীৰ আমেৰিকান তত্ত্ববিদ আৰু প্রয়োগবিদ আছিল।

হার্বাট ছাইমন (জুন ১৫, ১৯১৬-ফেব্রুৱাৰী ৯, ২০০১) ঃ তেওঁ এজন প্রখ্যাত আমেৰিকান সমাজ বিজ্ঞানী আছিল যিগৰাকী সিদ্ধান্ত গ্রহণ আৰু প্রশাসনিক আচৰণৰ ক্ষেত্রত পথ প্রদর্শকৰূপে বিখ্যাত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সীমিত দৃষ্টিভংগীত লোক প্রশাসন চৰকাৰৰ ..... অংগৰ কার্যৱলীক লৈ গঠিত। (খালী ঠাই পুৰ কৰক)

প্রশ্ন নং ২ ঃ লুথাৰ গুলিক আৰু হার্বাট ছাইমন লোক প্রশাসনৰ সীমিত দৃষ্টিভংগীৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ লোক প্রশাসনৰ অর্থ লিখক । (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১.৪ লোক প্রশাসনৰ প্রকৃতি আৰু পৰিসৰ

এতিয়া লোক প্রশাসনৰ প্রকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰোঁ আহক।

১.৪.১ লোক প্রশাসনৰ প্রকৃতি

লোকপ্রশাসনৰ প্রকৃতি সম্পর্কে দুটা বিশেষ দৃষ্টিভংগী আছে। এই দৃষ্টিভংগী দুটা—

- **অভিন্ন দৃষ্টিভংগী** (Integral View) ঃ অভিন্ন দৃষ্টিভংগীমতে লোক প্রশাসনে জনস্বার্থৰ বাবে সম্পাদন কৰা সকলো ধৰণৰ কার্যক বুজায়। এই কার্যৱলীসমূহে পৰিচালনামূলক আৰু বৈজ্ঞানীক কার্যৱলীৰ বাহিৰেও শাৰীৰিক আৰু কেৰাণী সমন্ধীয় কাম কাজক বুজায়। সেয়ে এটা সংগঠনত তলৰ পৰা ওপৰলৈ কাম কৰা সকলো কর্মীৰ কাম-কাজক লৈ প্রশাসন গঠিত হৈছে। উদাহৰণস্বৰূপে, অভিন্ন দৃষ্টিভংগী মতে ৰে'লৱেৰ ক্ষেত্রত লোক প্রশাসনে সকলো শ্রেণীৰ পৰিকল্পনা, কার্যসূচী আৰু আইন প্রণয়নকে ধৰি চৰদাৰ সকলৰ নিৰীক্ষণ পর্য্যন্ত সকলোবোৰ কার্য সাঙুৰি লয়।
- **পৰিচালনামূলক দৃষ্টিভংগী** (Managerial View) ঃ এই দৃষ্টিভংগীয়ে কোনো এক সংগঠনৰ প্রশাসনৰ পৰিচালনামূলক কার্যৱলীৰ লগত জড়িত ব্যক্তিসকলৰ কার্যক বুজায়। পৰিচালনামূলক দৃষ্টিভংগীয়ে সংগঠনৰ পৰিচালক আৰু চালক সকলৰ কার্যৱলীৰ দায়বদ্ধতাক বুজায়, সংগঠনৰ নির্ধাৰিত লক্ষ্যত উপনিত হ'বৰ বাবে পৰিকল্পনা, বিজ্ঞাপন, আইন প্রনয়ন আৰু সমন্বয় সাধনেই হ'ল তেওঁলোকৰ কার্যৱলী।

১.৪.২ লোক প্রশাসনৰ পৰিসৰ

বহুতো লিখকে লোক প্রশাসনৰ পৰিসৰ বিভিন্নধৰণে দাঙি ধৰিছে। আমি তাৰে কিছুমান গুৰুত্বপূর্ণ মতামত আলোচনা কৰো আহক—

- **POSDCoRBৰ দৃষ্টিভংগী**

লুথাৰ গুলিকে POSDCoRB শব্দটোৰ আখৰকেইটাৰ পৰা লোক প্রশাসনৰ পৰিসৰ ব্যাখ্যা আগবঢ়াইছে। এই শব্দটোৱে সর্বপ্রথম আৰু তলৰ কার্যৱলী সমূহ সূচনা কৰিছে—

- পৰিকল্পনা কৰা ('P' – Planning)
- সংগঠিত কৰা ('O' – Organizing)
- কর্মী নিয়োগ কৰা ('S' – Staffing)
- নির্দেশদান কৰা ('D' – Directing)
- সমন্বয় সাধন কৰা ('Co' – Coordinating)
- প্রতিবেদন দিয়া ('R' – Reporting)
- আয়-ব্যয়ৰ হিচাপ কৰা ('B' – Budgeting)

— পৰিকল্পনাই এটা সংগঠনত কৰিব লগীয়া কার্য আৰু উদ্দেশ্যত উপনীত হ'বৰ বাবে আৱশ্যকীয় পদ্ধতিৰ এক ৰূপৰেখা দাঙি ধৰে।

— সংগঠিত কৰাৰ অর্থ হৈছে এক প্রশাসনিক সংগঠন নির্মাণ, যাৰ দ্বাৰা সকলো কার্য নির্দিষ্ট বিভাগত ভগোৱাৰ লগতে সেইসমূহৰ মাজত সমন্বয় সাধন কৰা হয়।

— কর্মী নিয়োগে বিভিন্ন পদত উপযুক্ত কর্মীৰ নিয়োগ আৰু তেওঁলোকৰ প্রশিক্ষণক সূচায়।

— নির্দেশ দানে সিদ্ধান্ত গ্রহন আৰু আদেশ তথা পৰামর্শ দান কৰি কর্মীসকলক পথ প্রদর্শন কৰে।

— সমন্বয় সাধনে বিভিন্ন কার্যসমূহৰ মাজত সম্বন্ধ প্রতিষ্ঠা কৰে আৰু পুনৰাবৃত্তি আৰু সংঘর্ষ নির্মূল কৰে।

— প্রতিবেদন দাখিলে সংগঠনৰ কাম-কাজ সম্বন্ধে উচ্চতম পর্যায়ৰ পৰা নিম্নতম পর্যায়লৈকে প্রতিজন বিষয়াক অৱগত কৰা আৰু এই সম্বন্ধে জ্ঞান আহৰণ কৰিবৰ বাবে পৰিদর্শন, গৱেষণা আৰু নথি -পত্রৰ ব্যৱস্থা কৰাক বুজায়।

— আয়-ব্যয় হিচাপে বৃত্তীয় প্রশাসনৰ পৰিকল্পনা, হিচাপ আৰু নিয়ন্ত্রণকে ধৰি সকলো আর্হি প্রনয়নক সূচায়।

গুলিকৰ মতে POSDCoRB কার্যৱলী সকলো সংগঠনতে উমৈহতীয়াভাৱে থাকে। কিছুমান সাধাৰন প্রশাসনীয় সংগঠনৰ বিভিন্ন শাখাসমূহত কর্মৰ প্রকৃতি অনুসৰি দেখা যায়।

POSDCoRB ত লোক প্রশাসনৰ পৰিসৰ সম্পর্কীয় দৃষ্টিভংগীৰ নিজা গুৰুত্ব আছে যদিও ইয়াৰ নিজা সীমাবদ্ধতাও আছে। এই সীমাবদ্ধতাসমূহ তলত আলোচনা কৰা হ'ল—

প্রথমতে, POSDCoRB প্রশাসনৰ সাধাৰণ কৌশলবোৰহে গ্রহণ কৰিছে আৰু এটা সংগঠনে যিবোৰ বিষয়ৰ ওপৰত কাম কৰে তাক অৱজ্ঞা কৰে। গুলিকৰ তত্ত্বটো বিষয়গত হোৱাতকৈ বেছি কৌশলগত হৈছে।

দ্বিতীয়তে, মানৰ সম্পর্ক তত্ত্বৰ সমর্থক সকলে POSDCoRB মতামতৰ সমালোচনা কৰিছে। তেওঁলোকৰ মতে লোক প্রশাসনে মানৱীয় ধাৰণা, যেনে— সমূহীয়া কর্ম, যোগাযোগ, নেতৃত্ব দানৰ কৌশল আৰু ক্ষমতাৰ সম্পর্কক কেতিয়াও নুই কৰিব নোৱাৰে কিন্তু POSDCoRB ৰ মতামতে কেৱল সাংগঠনিক আৰু পৰিচালনামূলক কৌশলকহে প্রাধান্য দিছে।

➢ **বিষয় বস্তুৰ মতবাদ**

লোক প্রশাসনৰ বিষয়-বস্তু মতবাদটো POSDCoRB ৰ মতবাদৰ প্রতিক্রিয়া হিচাপে সৃষ্টি হৈছে। এইটোৱে অনুভৱ কৰা হৈছিল যে POSDCoRBৰ কার্যৱলীয়ে প্রশাসনৰ সকলোবোৰ অথবা বেছি অংশ সামৰি ল'ব পৰা নাই। তাত কিছুমান আভ্যন্তৰীণ কার্যাৱলী বা প্রশাসনীক কৌশলহে আছে। প্রশাসনৰ প্রকৃত কেন্দ্র বিন্দু জনসাধাৰণৰ বাবে আগবঢ়োৱা কাম-কাজ আৰু সেৱাৰ লগত জড়িত থাকে যেনে— আইন শৃংখলা, শিক্ষা, সামাজিক নিৰাপত্তা, জন স্বাস্থ্য আৰু কৃষি, ৰাজহুৱা কাম-কাজ, ন্যায়-প্রতিৰক্ষা ইত্যাদি। বিষয় বস্তু মতবাদৰ মতে যিবোৰ কার্যৱলী আৰু সেৱাৰ জৰিয়তে চৰকাৰ এখন বর্তি থাকে সেইবোৰেই হ'ল লোক প্রশাসনৰ প্রকৃত বিষয় বস্তু। প্রকৃততে POSDCoRBৰ কার্যৱলীকো বিষয় বস্তু প্রয়োজন অনুসাৰে কর্ম পৰিস্থিতি অনুসৰি পৰিবর্তন কৰাৰ বাবে মতপোষণ কৰিছে। উদাহৰণস্বৰূপে, সশস্ত্র বাহিনীৰ সাংগঠনিক কৌশল আৰু গড়কাপ্তানি বিভাগৰ কৌশলৰ মাজত পার্থক্য আছে।

এইটো উল্লেখ কৰিব লাগিব যে লোক প্রশাসনৰ বিষয় বস্তু অধ্যয়নৰ বাবে POSDCoRB আৰু বিষয় বস্তু মতামত দুয়োটাৰে গুৰুত্ব আছে কাৰণ দুয়োটা ইটো সিটোৰ পৰি পূৰক। লোক প্রশাসনৰ পৰিসৰে এফালে প্রশাসনীয় তত্ত্ব সামৰি লয় যি POSDCoRB শাসন কৌশলৰ লগত জড়িত। আনহাতে লোক প্রশাসনে প্রশাসনৰ বিভিন্ন ক্ষেত্র, যেনে— আইন শৃংখলা, শিক্ষা, সামাজিক নিৰাপত্তা, জনস্বাস্থ্য আৰু কৃষি, ৰাজহুৱা কাম-কাজ, ন্যায়, প্রতিৰক্ষা আদিত প্রশাসনীয় তত্ত্ব প্রয়োগক সামৰি লয়।

এনেকৈয়ে আমি লোক প্রশাসনৰ পৰিসৰৰ দুটা বহল বিভাজন পাওঁ, প্রশাসনীয় তত্ত্ব আৰু ব্যৱহাৰিক লোক প্রশাসন।

লোক প্রশাসনৰ পৰিসৰ দিনক দিনে বাঢ়ি গৈছে কাৰণ ই অন্য সমাজ বিজ্ঞানৰ দৰে এক সম্পূর্ণ বিষয় হিচাপে চিহ্নিত হৈছে। এক সম্পূর্ণ বিষয় হিচাপে ই তলৰ ক্ষেত্র সমূহ সামৰি লৈছে—

ক) প্রশাসনীয় অথবা সাংগঠনিক তত্ত্ব
খ) ৰাজহুৱা কর্মী প্রশাসন
গ) ৰাজহুৱা অর্থনৈতিক প্রশাসন
ঘ) তুলনামূলক লোক প্রশাসন
ঙ) লোক নীতি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ লোক প্রশাসনৰ প্রকৃতি সম্পর্কে থকা দুটা মতবাদ উল্লেখ ক ৰক।

.....

.....

.....

প্রশ্ন নং ৫ ঃ 'POSDCoRB' শব্দৰ দ্বাৰা কোনে লোক প্রশাসনৰ পৰিসৰ ব্যাখ্যা কৰিছে?

.....

প্রশ্ন নং ৬ ঃ লোক প্রশাসনৰ পৰিসৰ সম্পর্কীয় 'বিষয় বস্তু' মতবাদটো ব্যাখ্যা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

১.৫ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন

আমি দেখা পাইছো যে লোক প্রশাসন হ'ল চৰকাৰৰ প্রশাসন। অন্যহাতে যেতিয়া কোনো কার্যৰলী ব্যক্তি বা ব্যক্তি প্রতিস্থান যেনে সংঘ, সংগঠন বা সভাৰ দ্বাৰা পৰিচালিত হয় তাকে বে-চৰকাৰী প্রশাসন বোলে। এতিয়া লোক প্রশাসন আৰু বে-চৰকাৰী প্রসাশনৰ প্রধান পার্থক্য সমূহ আলোচনা কৰিম—

(ক) পার্থক্য ঃ

- **ৰাজনৈতিক নির্দেশনা ঃ** লোক প্রশাসন আৰু ব্যক্তিগত প্রশাসনৰ মাজত প্রধান পার্থক্য এয়ে যে ব্যক্তিগত প্রশাসনৰ বিপৰীতে লোক প্রশাসন ৰাজনৈতিক নির্দেশনাৰ দ্বাৰা যথেষ্ট প্রভাৱিত হয়। লোক প্রশাসনত প্রশাসকে ৰাজনৈতিক কার্যপালিকাৰ পৰা পোৰা নির্দেশ অনুসৰি কাম কৰিব লাগে।

- **লাভৰ লক্ষ্য ঃ** লোক প্রশাসন সেৱাৰ লগত জড়িত আৰু লাভ আহৰণ ইয়াৰ লক্ষ্য নহয়। লোক প্রশাসনত কিছুমান কার্যৱলী, যেনে— জনসেৱাসমূহ লাভৰ বিষয়ে নভৱাকৈয়ে কেৱল জনসাধাৰণৰ সুবিধাৰ বাবে ৰাষ্ট্রই চলাই থাকে। কিন্তু বে-চৰকাৰী প্রশাসনত যিকোনো কার্যত ইয়াৰ লাভৰ উদ্দেশ্য নিহিত হৈ থাকে।
- **সম আচৰণ ঃ** লোক প্রশাসন এক স্থিৰ ব্যৱস্থা আৰু ইয়াত সকলোকে সমব্যৱহাৰ কৰা হয়। লোক প্রশাসনত এজন কর্মীয়ে পক্ষপাতমূলক আচৰণ কৰিব নোৱাৰে। বে-চৰকাৰী প্রশাসনত সম-আচৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। এজন দোকানীয়ে তেওঁৰ নিয়মীয়া গ্রাহকক যি ৰেহাই দিব অনিয়মীয়া গ্রাহকক নিদিবও পাৰে। কিন্তু ডাকঘৰৰ কেৰাণী এজনে এনে কৰিব নোৱাৰে।
- **জনসম্পর্ক ঃ** জনসাধাৰণৰ লগত সম্পর্ক বজাই ৰখাত বে-চৰকাৰী প্রশাসন চৰকাৰী প্রশাসনতকৈ ওপৰত। বে-চৰকাৰী প্রশাসনৰ জনসাধাৰণক প্রভাৱান্বিত কৰিবলৈ যি বিক্রয় দক্ষতা, সামগ্রীৰ প্রর্দশনী, বিনামূলীয়া নমুনা বিতৰণ, ডিজাইনিং, পেকেজিং আদি লক্ষ্য কৰা হয়, সেইবোৰ চৰকাৰী প্রশাসনত দৃষ্টিগোচৰ নহয়, কিয়নো ইয়াত জনসম্পর্ক এক নিম্ন গুৰুত্বৰ বিষয়।
- **কর্মৰ পৰিসৰ ঃ** বিশেষকৈ বর্তমান কল্যাণ কর্মী ৰাষ্ট্রৰ ধাৰণাত লোক প্রশাসনৰ ধাৰণাটো অধিক বিস্তৃত। ই জনসাধাৰণৰ বিভিন্ন প্রয়োজন, আইন-শৃংখলা বজাই ৰখাৰ বাবে প্রয়োজনীয় সেৱা আগবঢ়োৱা, ৰাজহুৱা কার্য, শিক্ষা, স্বাস্থ্য, সামাজিক নিৰাপত্তা, কৃষি, ডাক আৰু অনাঁতাৰ বার্তা প্রেৰণ, ৰাষ্ট্রীয় সেনা আদি যোগান ধৰে।

  বে-চৰকাৰী প্রশাসনে মানৱ জীৱনৰ ইমানবোৰ দিশ সামৰি নলয়।
- **একাধিপত্য ঃ** লোক প্রশাসনত জনসেৱাৰ কোনো ক্ষেত্রত চৰকাৰৰ আধিপত্য থাকে। কোনো ব্যক্তিগত দলে এনে সেৱা প্রদানত চৰকাৰৰ লগত প্রতিযোগিতা কৰিব নোৱাৰে। উদাহৰণস্বৰূপে চৰকাৰৰ বাদে আন কোনেও ডাক টেলিগ্রাফ বা মুদ্রা উৎপাদন কৰিব নোৱাৰে। বে-চৰকাৰী প্রশাসনত বিভিন্ন সংগঠনে একে সময়তে একে প্রয়োজন পুৰণৰ বাবে প্রতিযোগিতা কৰিব পাৰে।
- **জনসাধাৰণৰ প্রতি দায়বদ্ধতাঃ** লোক প্রশাসন জনসাধাৰণৰ ওচৰত প্রত্যক্ষভাৱে দায়বদ্ধ। ই জনসাধাৰণৰ হেঁচা আৰু ৰাজনৈতিক দলৰ সমালোচনাৰ সন্মুখীন হব লাগে। লোক প্রশাসনৰ কর্মীসকলে আইন সভাত জনসাধাৰণক প্রতিনিধিত্ব কৰা মন্ত্রীসকলে ব্যক্ত কৰা জনসাধাৰণৰ ইচ্ছা অনুসৰি কাম কৰে। জনকর্মীসকল জনসাধাৰণৰ প্রতিক্রিয়াৰ প্রতি সজাগ থাকে আৰু সাধাৰণতে কোনো পদক্ষেপ লোৱাৰ আগত চিন্তা কৰে। বে-চৰকাৰী প্রশাসনৰ জনসাধাৰণৰ প্রতি তেনে কোনো দায়বদ্ধতা নাথাকে। ই কেৱল পৰোক্ষভাৱেহে জনসাধাৰণৰ ওচৰত দায়বদ্ধ আৰু জনসাধাৰণৰ কল্যাণতকৈ নিজৰ উদ্দেশ্য পূৰণত অধিক গুৰুত্ব দিয়ে।

- **বৃহৎ সামাজিক মর্যাদা ঃ** লোক প্রশাসনে বে-চৰকাৰী প্রশাসনৰ তুলনাত অধিক মর্যাদা আৰু সামাজিক সন্মান উপভোগ কৰে। লোক প্রশাসনে বে-চৰকাৰী প্রশাসনতকৈ অধিক জনসেৱাৰ সুবিধা প্রদান কৰে। সাধাৰণতে কবলৈ গ'লে যোগ্য আৰু অভিজ্ঞ ব্যক্তিয়ে সমাজ সেৱাৰ বাবে লোক প্রশাসনৰ কর্মী হিচাপে কাম কৰে। সেয়ে কব পাৰি যে লোক প্রশাসনে বে-চৰকাৰী প্রশাসনতকৈ অধিক সামাজিক মর্যাদা উপভোগ কৰে।

(খ) সাদৃশ্য ঃ

ওপৰত উল্লেখ কৰা পার্থক্যবোৰ থকাৰ সত্বেও লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ মাজত কিছুমান সাদৃশ্য আছে—

- প্রথমতে, দুয়োটাৰ মাজত বহুতো একে ধৰণৰ কৌশল আৰু পদ্ধতি আছে। কিছুমান কর্ম, যেনে— হিচাপ, কার্যলয় পৰিচালনা, ক্রয়-বিক্রয় আদি লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাৰ ক্ষেত্রত একেই।
- দ্বিতীয়তে, লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাই ইটোৱে সিটোৰ ওপৰত প্রভাৱ পেলায়। ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু নিগমসমূহে ব্যক্তিগত খণ্ডৰ পৰা বহুতো প্রশাসনীয় নীতি গ্রহণ কৰে। ঠিক তেনেদৰে ব্যক্তিগত খণ্ডৰ বৃহৎ ব্যৱসায়িক প্রতিষ্ঠান সমূহ চৰকাৰৰ কার্যৱলী, যেনে— কর্মচাৰীৰ কল্যান, স্বাস্থ্য সুবিধা আদিৰ দ্বাৰা প্রভাৱিত হয়।
- তৃতীয়তে, চৰকাৰী আৰু বে-চৰকাৰী দুয়োটা ক্ষেত্রতে এক নির্দিষ্ট পদানুক্রমিক প্রশাসনিক গঠন দেখা যায়। ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডতে কর্ম, কর্তব্য আৰু দায়বদ্ধতাৰ সুনির্দিষ্ট বিভাজন থাকে।
- চতুর্থতে, জনসম্পর্ক স্থাপন কৰাটো লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাৰ বাবেই গুৰুত্বপূর্ণ। জনসাধাৰণৰ লগত সংযোগ হেৰাই গ'লে প্রশাসন জনসাধাৰণৰ প্রয়োজন সর্ম্পকে জ্ঞাত নহ'ব। একে সময়তে জন সেৱা প্রদান কৰাটো ব্যক্তিগত খণ্ডৰ বাবেও আৱশ্যক। ই কেৱল লাভৰ উদ্দেশ্যৰ পৰা অনা নহয়। যিকোনো ক্ষেত্রতে ব্যক্তিগত খণ্ডৰ ব্যৱসায় দেশৰ আইনে নিয়ন্ত্রণ আৰু পৰিচালনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ যিকোনো দুটা পার্থক্য লিখক।

.....

.....

.....

প্রশ্ন নং ৮ ঃ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ দুটা সাদৃশ্য লিখক।

.....



.....

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন লেখকে ভিন্ ভিন্ দৃষ্টিভংগীৰ পৰা লোক প্রশাসনৰ সংজ্ঞা আগবঢ়াইছে। কিছুমান লেখকে বহল দৃষ্টিভংগীৰ পৰা লোক প্রশাসনৰ সংজ্ঞা আগবঢ়াই কৈছে যে ই চৰকাৰৰ সকলো কার্যাৱলীকে সামৰি লৈছে য'ত ই বিধায়িনী, কার্যকৰী আৰু ন্যায়িক শাখাতেই নপৰক কিয়। আনহাতে সীমিত দৃষ্টিভংগীৰ মতে লোক প্রশাসন কেৱল চৰকাৰৰ কার্যকৰী অংগৰ লগত জড়িত।
- অভিন্ন দৃষ্টিভংগী (Integral view) ৰ মতে লোক প্রশাসনে জন স্বার্থৰ বাবে সম্পাদন কৰা সকলো ধৰণৰ কার্যক বুজায়।
- পৰিচালনামূলক দৃষ্টিভংগী (Managerial view) য়ে কোনো এক সংগঠনৰ প্রশাসনৰ পৰিচালনামূলক কার্যাৱলীৰ লগত জড়িত ব্যক্তিসকলৰ কার্যক বুজায়।
- লোক প্রশাসনৰ লগত জড়িত মতবাদ দুটা হৈছে ক্রমে POSDCoRB দৃষ্টিভংগী আৰু বিষয়বস্তু (Subject matter) মতবাদ।
- POSDCoRB দৃষ্টিভংগীৰ মতে লোক প্রশাসনৰ পৰিসৰৰ ভিতৰত পৰিকল্পনা কৰা, সংগঠিত কৰা কর্মী নিয়োগ কৰা, নির্দেশ দান কৰা, সমন্বয় সাধন কৰা, প্রতিবেদন দিয়া আৰু আয়-ব্যয়ৰ হিচাপ কৰা আদি কার্যাৱলী সামৰা উচিত।
- বিষয়বস্তু মতবাদ অনুসৰি যিবোৰ কার্যাৱলী আৰু সেৱাৰ জৰিয়তে চৰকাৰ এখন বর্তি থাকে সেইবোৰেই হ'ল লোক প্রশাসনৰ প্রকৃত বিষয়বস্তু।
- উনবিংশ শতিকাৰ শেষ ভাগত উদ্ভৱ হোৱা লোক প্রশাসনে প্রাৰম্ভিক স্তৰৰ পৰা বিকাশ লাভ কৰি আজিৰ পর্যায় লাভ কৰিছেহি। ইয়াক এটা বিদ্যায়তনিক বিষয় হিচাপে ক্রমবিকাশ লাভ কৰাত বিভিন্ন কাৰকে প্রভাৱিত কৰিছে।
- লোক প্রশাসন হ'ল চৰকাৰৰ প্রশাসন। অন্যহাতে যেতিয়া কোনো কার্যৱলী ব্যক্তি বা ব্যক্তি প্রতিস্থান যেনে সংঘ, সংগঠন বা সভাৰ দ্বাৰা পৰিচালিত হয় তাকে বে-চৰকাৰী প্রশাসন বোলে।
- লোক প্রশাসন আৰু বে-চৰকাৰী প্রসাশনৰ প্রধান পার্থক্য সমূহ হ'ল - লাভৰ লক্ষ্য , সম আচৰণ , জনসম্পর্ক , কর্মৰ পৰিসৰ একাধিপত্য , জনসাধাৰণৰ প্রতি দায়বদ্ধতা, বৃহৎ সামাজিক মর্যাদা।
- লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ মাজত কিছুমান সাদৃশ্য আছে।

দুয়োটাৰ মাজত বহুতো একে ধৰণৰ কৌশল আৰু পদ্ধতি আছে ; দ্বিতীয়তে, লোক

প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাই ইটোৱে সিটোৰ ওপৰত প্রভাৱ পেলায় ; চৰকাৰী আৰু বে-চৰকাৰী দুয়োটা ক্ষেত্রতে এক নির্দিষ্ট পদানুক্রমিক প্রশাসনিক গঠন দেখা যায়; জনসম্পর্ক স্থাপন কৰাটো লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাৰ বাবেই গুৰুত্বপূর্ণ।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্রশাসন পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্রশাসন*। গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

ইংৰাজী গ্রন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কার্যপালিকা

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ লোক প্রশাসন প্রশাসনৰ বৃহৎ পৰিসৰৰ এটা অংশ। লোক প্রশাসনে চৰকাৰী যন্ত্রৰ লগত জড়িত বিভিন্ন কাম-কাজ আৰু ব্যৱস্থাপনাক বুজায়। বিভিন্ন লিখকে লোক প্রশাসনৰ সংজ্ঞা বিভিন্নধৰণে আগ বঢ়াইছে। এই সংজ্ঞা সমূহৰ পৰা এইটো স্পষ্ট হৈছে যে লোক প্রশাসন দুটা দৃষ্টিকোণৰ পৰা ব্যৱহাৰ কৰিব পাৰি। এল.

ডি. হোৱাইট আৰু জন এম. পিফনাৰে বহল দৃষ্টিভংগীৰ পৃষ্ঠপোষকতা কৰিছে। এই দৃষ্টিভংগী মতে লোক প্রশাসনে চৰকাৰৰ সকলো কাম-কাজ সামৰি লৈছে যিবোৰ বিধায়নী, কার্যকৰী বা ন্যায়িক অংগৰ ভিতৰত পৰে। অন্যহাতে লুথাৰ গুলিক আৰু এইচ. ছিমনে সীমিত দৃষ্টিভংগীৰ পৃষ্ঠপোষকতা কৰিছে। সীমিত দৃষ্টিভংগীৰ মতে লোক প্রশাসনে চৰকাৰৰ কেৱল কার্যকৰী অংগটোকহে সামৰি লয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ অভিন্ন দৃষ্টিভংগী আৰু পৰিচালনামূলক দৃষ্টিভংগী।

৫ নং প্রশ্নৰ উত্তৰ ঃ লুথাৰ গুলিক।

৬ নং প্রশ্নৰ উত্তৰ ঃ লোক প্রশাসনৰ বিষয়-বস্তু মতবাদটো POSDCoRBৰ মতবাদৰ উত্তৰ হিচাপে থিয় দিছে। এইটোৱে অনুভৱ কৰিছিল যে POSDCoRB ৰ কার্যৱলীয়ে শাসনৰ সকলোবোৰ বা বেছি অংশ সামৰি লব পৰা যায়। তাত কিছুমান সাধাৰণ ঘৰুৱা কার্যৱলী বা প্রশাসনীক কৌশলহে আছে প্রশাসনৰ প্রকৃত কেন্দ্র বিন্দু জনসাধাৰণৰ বাবে আগবঢ়োৱা কাম-কাজ আৰু সেৱাৰ লগত জড়িত থাকে, যেনে— আইন শৃংখলা, শিক্ষা, সামাজিক নিৰাপত্তা, জন স্বাস্থ্য আৰু কৃষি, ৰাজহুৱা কাম-কাজ, ন্যায়-প্রতিৰক্ষা ইত্যাদি। বিষয় বস্তু মতবাদৰ মতে যিবোৰ কার্যৱলী আৰু সেৱাৰ জড়িয়তে চৰকাৰ এখন বর্তি থাকে সেইবোৰেই হ'ল লোক প্রশাসনৰ প্রকৃত বিষয় বস্তু।

৭ নং প্রশ্নৰ উত্তৰ ঃ

(ক) ৰাজনৈতিক নির্দেশনা ঃ লোক প্রশাসন আৰু ব্যক্তিগত প্রশাসনৰ মাজত প্রধান পার্থক্য এয়ে যে ব্যক্তিগত প্রশাসনৰ বিপৰীতে লোক প্রশাসন ৰাজনৈতিক নির্দেশনাৰ দ্বাৰা যথেষ্ট প্রভাৱিত হয়। লোক প্রশাসনত প্রশাসকে ৰাজনৈতিক কার্যপালিকাৰ পৰা পোৱা নির্দেশ অনুসৰি কাম কৰিব লাগে।

(খ) লাভৰ লক্ষ্য ঃ লোক প্রশাসন সেৱাৰ লগত জড়িত আৰু লাভ আহৰণ ইয়াৰ লক্ষ্য নহয়। লোক প্রশাসনত কিছুমান কার্যৱলী, যেনে— জনসেৱাসমূহ লাভৰ বিষয়ে নভৱাকৈয়ে কেৱল জনসাধাৰণৰ সুবিধাৰ বাবে ৰাষ্ট্রই চলাই থাকে। কিন্তু বে-চৰকাৰী প্রশাসনত যিকোনো কার্যত ইয়াৰ লাভৰ উদ্দেশ্য নিহিত হৈ থাকে।

৮ নং প্রশ্নৰ উত্তৰ ঃ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ দুটা সাদৃশ্য তলত দিয়া হ'ল— প্রথমতে, দুয়োটাৰ মাজত বহুতো একেধৰণৰ নিপুনতা, কৌশল আৰু পদ্ধতি আছে। কিছুমান কর্ম, যেনে— হিচাপ, কার্যলয় পৰিচালনা, ক্রয়-বিক্রয় আদি লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাৰ ক্ষেত্রত একেই।

দ্বিতীয়তে, লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসন দুয়োটাই ইটোৱে সিটোৰ ওপৰত প্রভাৱ পেলায়। লোক সংগঠন আৰু সংস্থা সমূহে প্রশাসনীয় নীতিসমূহ বে-চৰকাৰী খণ্ডৰ পৰা গ্রহণ কৰে। যেনেকৈ বে-চৰকাৰী খণ্ডৰ বৃহৎ ব্যৱসায়িক সংগঠন সমূহ চৰকাৰৰ কার্যৱলী যেনে গোটৰ উন্নতি, স্বাস্থ্য সুবিধা আদিৰ দ্বাৰা



প্রভাৱিত হয়।

১.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ 'লোক প্রশাসনে ৰাষ্ট্রীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰৰ কার্যপালিকাই কৰা কার্যৱলীক বুজায়।" এই উক্তিটো কোনে দিছিল?

প্রশ্ন ২ঃ হার্বাট ছিমন লোক প্রশাসনৰ কোনটো দৃষ্টিভংগীৰ লগত জড়িত?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ লোক প্রশাসনৰ পৰিসৰ সম্পর্কে থকা POSDCoRBৰ মতামতটো আলোচনা কৰক।

প্রশ্ন ২ঃ লোক প্রশাসনৰ প্রকৃতি ব্যাখ্য কৰক।

প্রশ্ন ৩ঃ লোক প্রশাসনৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ যিকোনো চাৰিটা পার্থক্য লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ লোক প্রশাসনৰ অর্থ আৰু প্রকৃতি সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ঃ লোক প্রশাসনৰ পৰিসৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ লোক প্রশাসন আৰু বে-চৰকাৰী প্রশাসনৰ পার্থক্য আলোচনা কৰক।

* * * * *

অধ্যায় ২ঃ শৈক্ষিক বিষয় হিচাপে লোক প্ৰশাসনৰ বিকাশ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ শৈক্ষিক বিষয় হিচাপে লোক প্ৰশাসনৰ বিকাশ

২.৩.১ ভাৰতত লোক প্ৰশাসনৰ বিকাশ

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৫ অধিক জানিবলৈ

২.৬ অগ্ৰগতিৰ খতিয়ান

২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শৈক্ষিক বিষয় হিচাপে লোক প্ৰশাসনৰ বিকাশৰ বিষয়ে জানিব পাৰিব
- শৈক্ষিক বিষয় হিচাপে লোক প্ৰশাসনৰ বিকাশৰ বিভিন্ন পৰ্য্যাযৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

এটা শৈক্ষিক হিচাপে লোক প্ৰশাসনৰ বিকাশ ঘটাৰ এক দীঘলীয়া ইতিহাস আছে। ঊনবিংশ শতিকাৰ পৰা বৰ্তমানৰ সময়লৈকে ৰাজহুৱা প্ৰশাসনৰ বিষয়টোৱে লোক প্ৰশাসনৰ অনুশীলনকাৰী তথা পণ্ডিত উভয়কে আকৰ্ষণ কৰি আহিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি উডৰ' ৱিলাচনক অধ্যয়নৰ এক সুকীয়া বিষয়ৰূপে লোক প্ৰশাসন প্ৰকল্পৰ এগৰাকী বাটকটীয়া চিন্তাবিদ বুলি ধৰা হয়। তেওঁ ৰাজহুৱা প্ৰশাসনৰ প্ৰণালীৱদ্ধ অধ্যয়ন চলোৱাৰ আহ্বান জনাইছিল। বৰ্তমান বিভিন্ন বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষাৰ অনুষ্ঠানে লোক প্ৰশাসন বিষয়ক পূৰ্ণাংগ শৈক্ষিক কাৰ্যসূচী চলাই আছে। এই অধ্যয়নত আমি এটা শৈক্ষিক বিষয় ৰূপে লোক প্ৰশাসনৰ বিকাশৰ বিভিন্ন স্তৰ সম্পৰ্কে জনাৰ প্ৰয়াস কৰিম।

২.৩ শৈক্ষিক বিষয় হিচাপে লোক প্ৰশাসনৰ বিকাশ

এটা শৈক্ষিক বিষয়ৰূপে ৰাজহুৱা প্ৰশাসনৰ বিকাশক বিভিন্ন পৰ্যায়ত ভাগ কৰিব পৰা যায়, যেনেঃ

- **প্রথম পর্য্যায় ঃ প্রাৰম্ভিক পৰম্পৰা (ৰাজনীতি আৰু প্রশাসনৰ দ্বিবিভাজন)**

লোক প্রশাসনৰ বিকাশৰ বিষয়ে জানিব খুজিলে প্রথমতে আমেৰিকাৰ ৰাষ্ট্রপতি উড্র উইলছনৰ (Woodrow Wilson) কথাকে ক'ব লাগিব। লোক প্রশাসনক এক পৃথক বিষয় হিচাপে প্রক্ষেপ কৰা সর্বপ্রথম চিন্তাবিদ সকলৰ মাজত তেওঁ এজন। ১৮৮৭ চনত পলিটিকেল ছাইন্স কোৱার্টাৰলিত (Political Science Quarterly) প্রকাশিত হোৱা "The Study of Administration" (১৯৮৭) নামৰ ৰচনাখনত তেওঁ প্রশাসনৰ প্রণালীবদ্ধ অধ্যয়নৰ আহ্বান জনাইছিল। তেঁৰেই সর্বপ্রথম ৰাজনীতি আৰু প্রশাসনৰ মাজত থকা দ্বিভাজন বা পার্থক্য আঙুলিয়াই দেখুৱাইছিল। তেওঁ যুক্তি আগবঢ়াইছিল যে ৰাজনীতি আৰু প্রশাসন দুটা পৃথক বস্তু। তেওঁ কৈছিল যে ৰাজনীতি হ'ল ৰাজনৈতিক নেতাৰ বিশেষ ক্ষেত্র আৰু প্রশাসন হ'ল কাৰিকৰী বিষয়াৰ ক্ষেত্র। উইলছনে ৰাজনীতি বিজ্ঞানবিদ সকলক লোক প্রশাসনৰ অধ্যয়নত অধিক কার্যকৰী কৌশল প্রয়োগ কৰিবলৈ গোহাৰি জনাইছিল। লোক প্রশাসনক এক পৃথক বিষয় হিচাপে প্রতিষ্ঠা কৰাৰ ক্ষেত্রত উইলছনৰ অৰিহণাক লক্ষ্য কৰি তেওঁক লোক প্রশাসন বিষয়টোৰ প্রতিষ্ঠাপক পিতৃ হিচাপে গণ্য কৰা হয়।

উইলছনৰ ৰাজনীতি আৰু প্রশাসনৰ দ্বিবিভাজনৰ বিষয় বস্তুটোক আৰু অধিক বিকশিত কৰিছিল ফ্রেঙ্ক জে. গুডনৱে (Frank J. Goodnow), ১৯০০ চনত তেওঁ (Politics and Administration) পলিটিক্স এণ্ড এডমিনিষ্ট্রেচন নামৰ গ্রন্থখন প্রকাশ কৰে য'ত তেওঁ যুক্তি আগবঢ়ায় যে ৰাজনীতি আৰু প্রশাসন চৰকাৰৰ দুটা পৃথক কার্য্য।

বিংশ শতিকাৰ প্রথম ভাগৰ পৰা আমেৰিকাৰ চৰকাৰৰ ইমূৰৰ পৰা সিমূৰলৈ এক সংশোধনী আন্দোলন আৰম্ভ হয়। পৰৱর্তী কালত চৰকাৰ আৰু বিশ্ববিদ্যালয় সমূহৰ মাজত ভাৰ বিনিময় বৃদ্ধি পায়। ১৯১৪ চনত (The American Political Science Association) এ ঘোষণা কৰে যে ৰাজনীতি বিজ্ঞানৰ শিক্ষা দানৰ উদ্দেশ্য সমূহৰ মাজৰ এটা হ'ল চৰকাৰী পদবীৰ বাবে বিশেষজ্ঞ প্রস্তুত কৰা। ১৯২৬ চনত এল ডি হোৱাইটে (L.D. White) লোক প্রশাসনৰ বিষয়টোৰ ওপৰত প্রথমখন পাঠ্যপুথি প্রকাশ কৰে। এই পাঠ্যপুথিখনৰ নাম আছিল "An Introduction to the Study of Public Administration"। এই পাঠ্যপুথিখনে ৰাজনীতি আৰু প্রশাসনৰ দ্বিবিভাজন আৰু প্রশাসনৰ মিতব্যয়িতা আৰু কার্য্যকাৰিতা অব্যাহত ৰখাৰ ওপৰত মনোযোগ দিছিল।

- **দ্বিতীয় পর্য্যায় ঃ প্রশাসনৰ নীতিসমূহৰ ওপৰত গুৰুত্ব**

লোক প্রশাসনৰ বিকাশৰ দ্বিতীয় পর্য্যায়টো চিহ্নিত হয় কার্য্যকাৰিতা আৰু মিতব্যয়িতাৰ ওপৰত ভিত্তি কৰা প্রশাসনৰ নীতিৰ ওপৰত বর্ধিত গুৰুত্বৰ দ্বাৰা। এই কালছোৱাত ৰাজহুৱা আৰু ব্যক্তিগত দুয়োধৰণৰ প্রতিষ্ঠানৰ পৰিচালনাৰ ক্ষেত্রত বাঢ়ি অহা সমস্যা সমূহ সমাধান কৰাৰ বাবে পর্য্যাপ্ত পদ্ধতি আৰু নীতিৰ বিকাশ আৰু

ব্যৱহাৰৰ প্রয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। বিংশ শতিকাৰ প্রথম ভাগত প্রতিষ্ঠানৰ বৈজ্ঞানিক পৰিচালনা তত্ব (The Scientific Management Theory of Organisation) বিধিবদ্ধ কৰা হয়। ফ্রেডেৰিক উইনস্ল টেইলৰ (Frederick Winslow Taylor) এই তত্বৰ মুখ্য সমর্থক। টেইলৰৰ মতে বৈজ্ঞানিক পৰিচালনা তত্বই উৎপাদনৰ সকলোতকৈ নিপুণ পদ্ধতি আৱিস্কাৰ, শ্রমিকৰ বিজ্ঞানসন্মত বাচনি আৰু প্রশিক্ষণ, দায়িত্ব আৰু কামৰ যথাযুক্ত আৱণ্টন আৰু শ্রমিক আৰু পৰিচালক পক্ষৰ মাজত সহযোগিতা অর্জন আদি সকলো বিষয় সামৰি লয়। এই পর্য্যায়ৰ কিছুমান গুৰুত্বপূর্ণ প্রকাশন হ'ল উইলবাইৰ (Willoughby) "Principles of Public Administration", মেৰী পার্কৰ ফলেটৰ (Mary Parker Follet) "Creative Experience" আদি। লুথাৰ গুলিকে POSDCORB দৃষ্টিভংগী আৱিস্কাৰ কৰে য'ত তেওঁ প্রশাসনৰ সাতটা নীতি আগবঢ়ায়। এইদৰে ১৯২৬ চনৰ পৰা ১৯৩৭ চনলৈ এই সময়চোৱাত লোক প্রশাসনক নিজা কৌশল আৰু পৰিচালনাৰ নীতি থকা এক পৃথক বিষয় হিচাপে প্রতিষ্ঠা কৰাৰ বাবে প্রচেষ্টা চলোৱা হৈছিল।

- **তৃতীয় পর্য্যায় ঃ মানৱীয় সম্পর্কৰ দৃষ্টিভংগী**

কেৱল প্রতিষ্ঠানৰ মিতব্যয়িতা আৰু কার্যকৰিতাৰ ওপৰত গুৰুত্ব দিয়া পৰিচালনাৰ যান্ত্রিক দৃষ্টিভংগীৰ ওপৰত সোনকালেই প্রশ্নবোধক চিহ্ন আহি পৰিল। এই ক্ষেত্রত মানৱীয় সম্পর্ক আন্দোলনে লোক প্রশাসনক এক নতুন পর্য্যায়লৈ লৈ যায়। আমেৰিকাৰ সমাজবিদ এলটন মেয়ো (Elton Mayo) আৰু তেওঁৰ সহযোগীসকলে ওৱেষ্টার্ণ ইলেকট্রিক কোম্পানী (Western Electric Company) ৰ হথর্ণ প্রকল্পত (Hawthorne Plant) হথর্ণ পৰীক্ষা (Hawthorne Experiment) (১৯২৮-১৯৪০) সম্পন্ন কৰে। এই পৰীক্ষাবোৰে মানৱীয় সম্পর্ক আন্দোলনক বিশেষ ভাৱে উৎসাহিত কৰিছিল। মুঠতে, হাৱথর্ণ পৰীক্ষাই প্রকাশ কৰে সামাজিক মনস্তাত্ত্বিক কাৰক যেনে - শ্রমিক সকলৰ মাজত মানৱীয় সম্পর্ক, গুৰুত্ব, স্বীকৃতি, শ্রমিক সকলৰ মনোযোগ আৰু অংশগ্রহণ, সৰু অনানুষ্ঠানিক গোট আদিয়ে যিকোনো প্রতিষ্ঠানতে কার্য্যকৰী হয় আৰু এই কাৰকসমূহে প্রশাসনৰ মানৱীয় দিশটো প্রতিফলিত কৰে। সেয়েহে এই কাৰকসমূহক সদায় গুৰুত্ব দিব লাগে। (Chester I. Barnard) চেষ্টাৰ আই বার্ণার্ড এলটন মেয়োৰ সমসাময়িক আছিল। ১৯৩৮ চনত প্রকাশ হোৱা তেওঁৰ "Functions of the Executive" নামৰ কিতাপখনত তেওঁ তেওঁৰ দৃষ্টিভংগী প্রকাশ কৰিছিল।

- **চতুর্থ পর্য্যায় ঃ বৈজ্ঞানীক আৰু আন্তঃ বিভাগীয় চৰিত্রৰ বিকাশ**

দ্বিতীয় মহাযুদ্ধৰ পাছত আচৰণবাদী সকলে ব্যক্তিৰ ভূমিকা, অনুষ্ঠানৰ নেতৃত্ব, গোটৰ গতিবিদ্যা, উদ্গনি আদিক কেন্দ্র কৰিবলৈ আৰম্ভ কৰে। হার্বাট ছাইমন (Herbert Simon) এডমিনিষ্ট্রেটিভ বিহেভিয়াৰ (Administrative Behaviour) (১৯৪৭)

নামৰ গ্ৰন্থখনে পৰম্পৰাগত লোক প্রশাসনক সমালোচনা কৰে। তেওঁলোকে প্রশাসনত ব্যৱহাৰিক আৰু বিজ্ঞান সন্মত দৃষ্টিভংগী গ্রহণ কৰাটো বিচাৰিছিল আৰু আন্তঃ বৈষয়িক দৃষ্টিভংগীৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল।

১৯৬০ চনত আমেৰিকাৰ অধিকোত্তৰ চিন্তাবিদে এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহৰ ওপৰত আগ্রহ দিবলৈ আৰম্ভ কৰে। সেই অনুসৰি উন্নয়নশীল প্রশাসনৰ ধাৰণাটোৱে ভেটি লভিবলৈ আৰম্ভ কৰে। এই দেশসমূহৰ বিকাশৰ লক্ষ্যসমূহ পূৰণৰ আহিলা হিচাপে আধুনিক প্রশাসনক ব্যৱহাৰ কৰাৰ উদ্দেশ্য আগত ৰাখি ১৯২৬ চনত তুলনামূলক প্রশাসন গোট (Comparative Administrative Group, CAG) গঠন কৰা হৈছিল। লোক প্রশাসনৰ লগত জড়িত চিন্তাবিদ সকলে গাঠনিক আৰু ব্যৱহাৰিক দিশত পৰিৱর্তন আনি পৰম্পৰাগত আমোলাতন্ত্রক উচ্চস্তৰলৈ নিয়াৰ প্রয়োজনৰ ওপৰত গুৰুত্ব দিছিল।

- **পঞ্চম পর্য্যায় ঃ নতুন লোক প্রশাসনৰ উদ্ভাৱন**

১৯৬০ চনৰ শেষৰ ভাগত আমেৰিকাৰ যুৱ চিন্তাবিদ সকলৰ একাংশই আমেৰিকাৰ লোক প্রশাসনত এক নতুন আন্দোলনৰ সূচনা কৰে, যাক নতুন লোক প্রশাসন (New Public Administration) বুলি জনা যায়। নতুন লোক প্রশাসনে পৰম্পৰাগত লোক প্রশাসনৰ প্রণালীবদ্ধ নিৰপেক্ষতাক সমালোচনা কৰে। ই আচৰনবাদে সমর্থন কৰা মূল্যবোধ মুক্ত সমাজ বিজ্ঞানৰ ধাৰণাটো নাকচ কৰে। মিন'ব্রুক সন্মিলনত (Minnowbrook Conference) অংশগ্রহণকাৰী সকলে মত পোষণ কৰে যে লোক প্রশাসন বিষয়টোৱে ন্যায়, স্বাধীনতা, সমতা আৰু মানৱীয় নীতি আদিৰ মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। নতুন লোক প্রশাসনে আঙুলিয়াই দেখুৱায় যে চৰকাৰী নীতি ৰচনাৰ সময়ত লোক প্রশাসক সকলে সামাজিক ন্যায় আৰু সমতাৰ মূল্যবোধৰ দ্বাৰা পৰিচালিত হ'ব লাগে। এনেদৰে নতুন লোক প্রশাসনে লোক প্রশাসনত ব্যৱহাৰিক আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্রহণৰ প্রয়োজনীয়তাক স্বীকাৰ কৰাৰ লগতে আচৰণবাদী সকলৰ মূল্যবোধ মুক্ত দৃষ্টিভংগী নাকচ কৰে। তাৰ পৰিৱর্তে সমসাময়িক সামাজিক সমস্যাবোৰৰ প্রতি সহাঁৰি জনাই লোক প্রশাসনক প্রাসংগিক কৰিবলৈ বিচৰা হৈছিল।

১৯৮০ চনত বিশেষকৈ পশ্চিমীয়া দেশসমূহত লোক প্রশাসন এক নতুন পর্য্যায়ত সোমাই পৰে। বৃহৎ চৰকাৰক ব্যক্তিগত স্বাধীনতা আৰু অর্থনৈতিক সাফল্যৰ প্রতি এক বিপদ হিচাপে গণ্য কৰি নাকচ কৰাৰ হেতুকে ক্ষুদ্র চৰকাৰৰ প্রতি প্রৱণতা বৃদ্ধি পায়। সাধাৰণতে লোক প্রশাসনৰ চিন্তাবিদ সকলে ৰাজহুৱা আৰু ব্যক্তিগত প্রতিষ্ঠানৰ সহযোগিতা, বিকেন্দ্রীকৰণ আদিৰ ওপৰত কেন্দ্র কৰিবলৈ আৰম্ভ কৰে।

এনেদৰে ১৯ শতিকাৰ শেষৰ ভাগত ইয়াৰ সূচনা হোৱাৰ পৰা লোক প্রশাসনে

বহুদূৰ বাট অতিক্রম কৰি আহিছে। এক শৈক্ষিক বিষয় হিচাপে ইয়াৰ বিকাশত বহুতো কাৰকে প্রভাৱ বিস্তাৰ কৰে। এলানি সদাবর্ধিত সাহিত্যৰ পৰিসৰ লৈ আৰু বিভিন্ন পর্য্যায়ত বিভিন্ন বিষয়ক উদ্দেশ্য কৰি ই নিজকে এক স্বকীয় বিষয় হিচাপে প্রতিষ্ঠা কৰে।



জানি থোৱা ভাল

আমেৰিকাৰ ছাইৰেকাছ বিশ্ববিদ্যালয়ৰ (Syracuse University) মেক্সৱেল স্কুল অৱ চিটিজেনশ্বিপ এণ্ড পাব্লিক এফয়াৰছ (Maxwell School of Citizenship and Public Affairs) হ'ল স্নাতক পর্য্যায়ত প্রশাসনৰ শিক্ষাদান কৰা সবাতোকৈ পুৰণি প্রতিষ্ঠানসমূহৰ এটা। ১৯২৪ চনত ইয়াৰ প্রতিষ্ঠা হৈছিল। বর্তমান বৃহৎসংখ্যক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ে আমেৰিকাত স্নাতক আৰু স্নাতকোত্তৰ পর্য্যায়ত লোক প্রশাসনৰ শিক্ষা প্রদান কৰি আছে।

২.৩.১ ভাৰতত লোক প্রশাসনৰ বিকাশ

ভাৰতৰ দৃশ্যপটলৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৩৭ চনত মাদ্রাছৰ বিশ্ববিদ্যালয়ত ৰাজনীতি আৰু লোক প্রশাসন বিভাগত লোক প্রশাসনৰ এটা ডিপ্লমা ক'ৰ্ছ আৰম্ভ হয়, যিটো শৈক্ষিক বিষয় হিচাপে লোক প্রশাসনৰ বিকাশৰ ক্ষেত্রত অগ্রগণীয় উদ্যোগ আছিল।

১৯৫৪ চনত ইণ্ডিয়ান ইন্সিটিটিউট অৱ পাব্লিক এডমিনিষ্ট্রেচন (Indian Institute of Public Administration) প্রতিষ্ঠা কৰা হৈছিল।

১৯৫৯ চনত এই প্রতিষ্ঠানটোৰ ভিতৰতে ইণ্ডিয়ান স্কুল অৱ পাব্লিক এডমিনিষ্ট্রেচন (Indian School of Public Administration) প্রতিষ্ঠা কৰা হয় যিয়ে লোক প্রশাসনৰ স্নাতকোত্তৰ পর্য্যায়ত শিক্ষাদান কৰে।

ভাৰতৰ দৃশ্যপটলৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৩৭ চনত মাদ্রাছৰ বিশ্ববিদ্যালয়ত ৰাজনীতি আৰু লোক প্রশাসন বিভাগত লোক প্রশাসনৰ এটা ডিপ্লমা ক'ৰ্ছ আৰম্ভ হয়, যিটো শৈক্ষিক বিষয় হিচাপে লোক প্রশাসনৰ বিকাশৰ ক্ষেত্রত অগ্রগণীয় উদ্যোগ আছিল। মাদ্রাছ বিশ্ববিদ্যালয়ৰ ড° এডিড এছিৰৱাথাম (Dr. Eddy Asirwatham) ভাৰতত লোক প্রশাসনৰ শিক্ষাদানৰ ক্ষেত্রত আগৰণুৱা ব্যক্তি আছিল। পৰৱর্তী সময়ত ভাৰতৰ অন্যান্য বিশ্ববিদ্যালয়তো পৃথক লোক প্রশাসন বিভাগ প্রতিষ্ঠা হয়। ১৯৫৪ চনত ইণ্ডিয়ান ইন্সিটিটিউট অৱ পাব্লিক এডমিনিষ্ট্রেচন (Indian Institute of Public Administration) প্রতিষ্ঠা কৰা হৈছিল। ১৯৫৯ চনত এই প্রতিষ্ঠানটোৰ

ভিতৰতে ইণ্ডিয়ান স্কুল অৰ পাব্লিক এডমিনিষ্ট্রেচন (Indian School of Public Administration) প্রতিষ্ঠা কৰা হয় যিয়ে লোক প্রশাসনৰ স্নাতকোত্তৰ পর্য্যায়ত শিক্ষাদান কৰে।

অগ্রগতি খতিয়ান



প্রশ্ন নং ১ ঃ ৰাজনীতি আৰু প্রশাসনৰ দ্বিবিভাজন আঙুলিয়াই দেখুওৱা প্রথম চিন্তাবিদজন কোন আছিল?

.....

প্রশ্ন নং ২ ঃ ফ্রেডেৰিক উইনস্ল টেইলৰ কোনটো তত্ত্বৰ লগত জড়িত আছিল?

.....

প্রশ্ন নং ৩ ঃ উন্নয়নশীল প্রশাসনে মূলতে আমোলাতন্ত্রৰ পৰম্পৰাগত কার্য্যৰ ওপৰত গুৰুত্ব দিয়ে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৪ ঃ লোক প্রশাসনৰ বিকাশৰ দ্বিতীয় পর্য্যায়ৰ বিষয়ে চমুকৈ লিখক।
(৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোক প্রশাসনৰ বিকাশৰ বিষয়ে জানিব খুজিলে প্রথমতে আমেৰিকাৰ ৰাষ্ট্রপতি উড্র উইলছনৰ (Woodrow Wilson) কথাকে ক'ব লাগিব। লোক প্রশাসনক এক পৃথক বিষয় হিচাপে প্রক্ষেপ কৰা সর্বপ্রথম চিন্তাবিদ সকলৰ মাজত তেওঁ এজন।
- ১৮৮৭ চনত পলিটিকেল ছাইন্স কোৱার্টাৰলিত (Political Science Quarterly) প্রকাশিত হোৱা "The Study of Administration" (১৯৮৭) নামৰ ৰচনাখনত তেওঁ প্রশাসনৰ প্রণালীবদ্ধ অধ্যয়নৰ আহ্বান জনাইছিল। তেঁৱেই সর্বপ্রথম ৰাজনীতি আৰু প্রশাসনৰ মাজত থকা দ্বিভাজন বা পার্থক্য আঙুলিয়াই দেখুৱাইছিল।

- উইলছনৰ ৰাজনীতি আৰু প্রশাসনৰ দ্বিবিভাজনৰ বিষয় বস্তুটোক আৰু অধিক বিকশিত কৰিছিল ফ্রেঙ্ক জে. গুডনৱে (Frank J. Goodnow), ১৯০০ চনত তেওঁ (Politics and Administration) পলিটিক্স এণ্ড এডমিনিষ্ট্রেচন নামৰ গ্রন্থখন প্রকাশ কৰে য'ত তেওঁ যুক্তি আগবঢ়ায় যে ৰাজনীতি আৰু প্রশাসন চৰকাৰৰ দুটা পৃথক কার্য্য।
- লোক প্রশাসনৰ বিকাশৰ দ্বিতীয় পর্য্যায়টো চিহ্নিত হয় কার্য্যকাৰিতা আৰু মিতব্যয়িতাৰ ওপৰত ভিত্তি কৰা প্রশাসনৰ নীতিৰ ওপৰত বর্ধিত গুৰুত্বৰ দ্বাৰা। এই কালছোৱাত ৰাজহুৱা আৰু ব্যক্তিগত দুয়োধৰণৰ প্রতিষ্ঠানৰ পৰিচালনাৰ ক্ষেত্রত বাঢ়ি অহা সমস্যা সমূহ সমাধান কৰাৰ বাবে পর্য্যাপ্ত পদ্ধতি আৰু নীতিৰ বিকাশ আৰু ব্যৱহাৰৰ প্রয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। বিংশ শতিকাৰ প্রথম ভাগত প্রতিষ্ঠানৰ বৈজ্ঞানিক পৰিচালনা তত্ব (The Scientific Management Theory of Organisation) বিধিবদ্ধ কৰা হয়।
- কেৱল প্রতিষ্ঠানৰ মিতব্যয়িতা আৰু কার্যকৰিতাৰ ওপৰত গুৰুত্ব দিয়া পৰিচালনাৰ যান্ত্রিক দৃষ্টিভংগীৰ ওপৰত সোনকালেই প্রশ্নবোধক চিহ্ন আহি পৰিল। এই ক্ষেত্রত মানৱীয় সম্পর্ক আন্দোলনে লোক প্রশাসনক এক নতুন পর্য্যায়লৈ লৈ যায়। আমেৰিকাৰ সমাজবিদ এলটন মেয়ো (Elton Mayo) আৰু তেওঁৰ সহযোগীসকলে ওৱেষ্টার্ণ ইলেকট্রিক কোম্পানী (Western Electric Company) ৰ হাৱথর্ণ প্রকল্পত (Hawthorne Plant) হাৱাথর্ণ পৰীক্ষা (Hawthorne Experiment) (১৯২৮-১৯৪০) সম্পন্ন কৰে।
- দ্বিতীয় মহাযুদ্ধৰ পাছত আচৰণবাদী সকলে ব্যক্তিৰ ভূমিকা, অনুষ্ঠানৰ নেতৃত্ব, গোটৰ গতিবিদ্যা, উদ্‌গনি আদিক কেন্দ্র কৰিবলৈ আৰম্ভ কৰে।
- ১৯৬০ চনত আমেৰিকাৰ অধিকোত্তৰ চিন্তাবিদে এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহৰ ওপৰত আগ্রহ দিবলৈ আৰম্ভ কৰে। সেই অনুসৰি উন্নয়নশীল প্রশাসনৰ ধাৰণাটোৱে ভেটি লভিবলৈ আৰম্ভ কৰে।
- ১৯৬০ চনৰ শেষৰ ভাগত আমেৰিকাৰ যুৱ চিন্তাবিদ সকলৰ একাংশই আমেৰিকাৰ লোক প্রশাসনত এক নতুন আন্দোলনৰ সূচনা কৰে, যাক নতুন লোক প্রশাসন (New Public Administration) বুলি জনা যায়। নতুন লোক প্রশাসনে আঙুলিয়াই দেখুৱায় যে চৰকাৰী নীতি ৰচনাৰ সময়ত লোক প্রশাসক সকলে সামাজিক ন্যায় আৰু সমতাৰ মূল্যবোধৰ দ্বাৰা পৰিচালিত হ'ব লাগে।
- ১৯৮০ চনত বিশেষকৈ পশ্চিমীয়া দেশসমূহত লোক প্রশাসন এক নতুন পর্য্যায়ত সোমাই পৰে। বৃহৎ চৰকাৰক ব্যক্তিগত স্বাধীনতা আৰু অর্থনৈতিক সাফল্যৰ প্রতি এক বিপদ হিচাপে গণ্য কৰি নাকচ কৰাৰ হেতুকে ক্ষুদ্র চৰকাৰৰ প্রতি প্রৱণতা বৃদ্ধি পায়। সাধাৰণতে লোক প্রশাসনৰ চিন্তাবিদ সকলে ৰাজহুৱা আৰু ব্যক্তিগত প্রতিষ্ঠানৰ সহযোগিতা, বিকেন্দ্রীকৰণ আদিৰ ওপৰত কেন্দ্র কৰিবলৈ আৰম্ভ কৰে।



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্রশাসন পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্রশাসন*। গুৱাহাটী ঃ ষ্টুডেণ্ট্চ ষ্টোৰচ।

ইংৰাজী গ্ৰন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উড্র উইলছন

২ নং প্রশ্নৰ উত্তৰঃ প্রতিষ্ঠানৰ বৈজ্ঞানিক পৰিচালনা তত্ব

৩ নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ

৪ **নং প্রশ্নৰ উত্তৰঃ** লোক প্রশাসনৰ বিকাশৰ দ্বিতীয় পর্যায়টো ১৯২৬ চনৰ পৰা ১৯৩৭ চনৰ ভিতৰত অন্তর্ভুক্ত কৰিব পাৰি। এই সময়চোৱাত লোক প্রশাসনক নিজা কৌশল আৰু পৰিচালনাৰ নীতি থকা এক পৃথক বিষয় হিচাপে প্রতিষ্ঠা কৰাৰ বাবে প্রচেষ্টা চলোৱা হৈছিল। এই কালছোৱাত ৰাজহুৱা আৰু ব্যক্তিগত দুয়োধৰণৰ প্রতিষ্ঠানৰ পৰিচালনাৰ ক্ষেত্রত বাঢ়ি অহা সমস্যা সমূহ সমাধান কৰাৰ বাবে পর্য্যাপ্ত পদ্ধতি আৰু নীতিৰ বিকাশ আৰু ব্যৱহাৰৰ প্রয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। বিংশ শতিকাৰ প্রথম ভাগত প্রতিষ্ঠানৰ বৈজ্ঞানিক পৰিচালনা তত্ব (The Scientific Management Theory of Organisation) বিধিবদ্ধ কৰা হয়।



২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ কোনে "The Study of Administration" নামৰ ৰচনাখনৰ জৰিয়তে ৰাজহুৱা প্ৰশাসনৰ এক প্ৰণালীৱদ্ধ অধ্যয়নৰ আহ্বান জনাইছিল?

প্ৰশ্ন ২ঃ লোক প্ৰশাসন বিষয়ক অধ্যায়নৰ বিকাশৰ দ্বিতীয় পৰ্যায় (প্ৰশাসনৰ নীতি) ত প্ৰকাশিত যিকোনো দুখন গ্ৰন্থৰ নাম লিখক।

প্ৰশ্ন ৩ঃ হথৰ্ণ পৰীক্ষা চলোৱা আমেৰিকান সমাজতত্ত্ববিদগৰাকীৰ নাম কি?

প্ৰশ্ন ৪ঃ লোক প্ৰশাসন বিষয়ৰ পণ্ডিতসকলে আধুনিক কালত মনোনিৱেশ কৰিবলগীয়া বুলি চিনাক্ত কৰা যিকোনো দুটা সমস্যাৰ কথা উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অধ্যয়নৰ বিষয়ৰূপে লোক প্ৰশাসনৰ বিকাশৰ প্ৰথম দুটা কালৰ বৰ্ণনা আগবঢ়াওক।

প্ৰশ্ন ২ঃ ভাৰতত লোক প্ৰশাসনৰ বিকাশ সম্পৰ্কে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ শৈক্ষিক বিষয়ৰূপে হোৱা লোক প্ৰশাসনৰ বিকাশৰ বিষয়ে বহলাই আলোচনা কৰক।

* * * * *

অধ্যায় ৩ ঃ আমোলাতন্ত্র তত্ত্ব

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ আমোলাতন্ত্ৰৰ ধাৰণা

৩.৩.১ আমোলাতন্ত্ৰৰ অর্থ

৩.৩.২ আমোলাতন্ত্ৰৰ প্ৰকাৰ

৩.৪ আমোলাতন্ত্ৰ সম্পৰ্কে মেক্স ৱেবাৰ

৩.৪.১ ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বৰ ধাৰণা

৩.৪.২ ৱেবাৰৰ আমোলাতান্ত্ৰিক সংগঠনৰ 'আদর্শ স্বৰূপ' আৰ্হিৰ ধাৰণা

৩.৪.৩ ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বৰ বৈশিষ্ট্য

৩.৪.৪ ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বৰ বিপক্ষে সমালোচনা

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্ৰগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আমোলাতন্ত্ৰৰ ধাৰণা বর্ণনা কৰিব পাৰিব
- আমোলাতন্ত্ৰ সম্পৰ্কে কার্ল মার্ক্স আৰু ৰবার্ট মিশ্বেলছে আগবঢ়োৱা মতামত আলোচনা কৰিব পাৰিব
- ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বৰ বিপক্ষে আগবঢ়োৱা সমালোচনাসমূহ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

বর্তমান সময়ৰ বিশ্ব প্ৰশাসনত আমোলাতন্ত্ৰই এক নিয়ন্ত্ৰক উপাদান হিচাপে চিহ্নিত হৈছে। সকলো ৰাজহুৱা আৰু বৃহৎ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহত আমোলাতন্ত্ৰ এক বিশ্বজনীন পৰিঘটনা হৈ পৰিছে। আমি গণতন্ত্ৰ অথবা স্বেচ্ছাচাৰী শাসন ব্যৱস্থা, য'তেই নাথাকো কিয়, কোনো এক ধৰণৰ আমোলাতন্ত্ৰই আমাক এক নির্দিষ্ট স্তৰলৈ নিয়ন্ত্ৰণ কৰি থাকে। সাধাৰণভাৱে ক'বলৈ গ'লে আমোলাতন্ত্ৰ হৈছে পদাধিকাৰীসকলৰ চৰকাৰ।

আমোলাতন্ত্রৰ সূত্রলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা লোকসকলৰ ভিতৰত— কার্ল মার্ক্স, ৰবার্ট মিশ্বেলছ আৰু মেক্স ৱেবাৰ অন্যতম। আমোলাতন্ত্র যদিও মার্ক্সৰ মূল বিষয় নহয়, তথাপিও তেওঁ সমাজত ক্ষমতাৰ বিতৰণ সংক্রান্তত আমোলাতন্ত্র সম্পর্কীয় মতামত আগবঢ়াইছিল। অৱশ্যে আমোলাতন্ত্রৰ ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ আৰু স্থায়ী অৱদান আগবঢ়ায় জার্মান সমাজ বিজ্ঞানী মেক্স ৱেবাৰে। ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বই বিশ্বৰ প্রায়ভাগ ৰাষ্ট্রই গ্রহণ কৰা যুক্তিযুক্ততাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

৩.৩ আমোলাতন্ত্রৰ ধাৰণা

৩.৩.১ আমোলাতন্ত্রৰ অর্থ

আমোলাতন্ত্র শব্দটোৰ ব্যৱহাৰ বিভিন্ন ক্ষেত্রত বিভিন্ন ধৰণে কৰা হয়। আমোলাতন্ত্রৰ ইংৰাজী প্রতিশব্দ 'bureaucracy' সর্বপ্রথমে ১৮ শ শতিকাৰ মাজভাগত ভিঞ্চেণ্ট ডি গুৰ্নী নামৰ এজন ফৰাচী লোকে ব্যৱহাৰ কৰিছিল। আমোলাতন্ত্রই হৈছে 'কর্মৰ বিশেষত্ব অনুযায়ী বিভাজিত, পদৰ বাবে নির্দিষ্ট যোগ্যতাৰ প্রয়োজন হোৱা, নির্দিষ্ট নিয়মেৰে পৰিচালিত হোৱা আৰু পদানুক্রমিক কর্তৃপক্ষযুক্ত এক সুসংবদ্ধ প্রশাসন ব্যৱস্থা'। সমাজ বিজ্ঞানৰ অভিধান অনুসৰি আমোলাতন্ত্র হৈছে এনে এক অনুষ্ঠান, যিটোৰ বৈশিষ্ট্য হৈছে সিদ্ধান্ত গ্রহণত যুক্তিযুক্ততা, সামাজিক সম্পর্কত অব্যক্তিগতকৰণ, কাম-কাজৰ নিয়মিত ধাৰা আৰু কেন্দ্রীয় কর্তৃপক্ষ। জে. এছ. মিলৰ মতে, আমোলাতন্ত্রই সমাজত চৰকাৰৰ বৃত্তিগত কর্তৃপক্ষক সূচায়। লাস্কীৰ মতে, আমোলাতন্ত্র হৈছে কোনো শাসন ব্যৱস্থাত আমোলাসকলৰ শাসন। আকৌ ডিম'কে আমোলাতন্ত্রক প্রতিষ্ঠান আৰু বৃহৎ দলসমূহৰ সৈতে সংযুক্ত কৰিছে।

মার্টিন এলব্র'ৰ মতে আমোলাতন্ত্রৰ সংজ্ঞাসমূহ যুক্তিসংগত সংগঠন, বিষয়াৰ শাসন, লোক প্রশাসন, বিষয়াৰ প্রশাসন, পদানুক্রমিক অনুষ্ঠান ইত্যাদি শ্রেণীৰ অন্তর্গত।

আমোলাতন্ত্রৰ অস্তিত্ব অতি প্রাচীন। ইতিহাসৰ বিভিন্ন সময়ত ই বিভিন্ন আকাৰ আৰু ৰূপ লৈছে। কিন্তু গুৰুত্বপূর্ণ কথা এয়াই যে প্রতিটো প্রশাসনিক ব্যৱস্থাতে ই কার্যক্ষম হৈ আছে।



জানি থোৱা ভাল

আমোলাতন্ত্রৰ ইংৰাজী প্রতিশব্দ 'bureaucracy'ৰ উৎস লেটিন শব্দ 'bureau' (ব্যুৰো) যাৰ অর্থ হৈছে লিখিবলৈ ব্যৱহাৰ কৰা মেজ। ফৰাচী ভাষাত 'La Bure' শব্দৰ অর্থ হৈছে লোক কর্তৃপক্ষৰ বাবে মেজত পৰা কাপোৰ বিশেষ। এই কাপোৰৰ পৰাই মেজত পৰা কাপোৰক 'ব্যুৰো' বোলা হ'ল। পাচত মেজ থোৱা কোঠাটোক 'ব্যুৰো' বুলিবলৈ লোৱা হয়। ১৮ শতিকালৈ 'ব্যুৰো' শব্দটোৱে বিষয়াসকলে কাম কৰা স্থানক সূচাবলৈ ধৰে। 'cratic' শব্দটো গ্রীক ভাষাৰ পৰা লোৱা, যাৰ অর্থ হৈছে শাসন। অর্থাৎ ব্যুৰোক্রেচীৰ অর্থ হৈছে বিষয়াসকলৰ শাসন।

৩.৩.২ আমোলাতন্ত্রৰ প্ৰকাৰ

ইতিহাসৰ বিভিন্ন পৰ্যায়ত আমি আমোলাতন্ত্রৰ অস্তিত্ব দেখিবলৈ পাওঁ। বিভিন্ন আৰ্থ-সামাজিক প্ৰভাৱৰ ফলত ই বিভিন্ন আকাৰ আৰু ৰূপ ধাৰণ কৰিছে। আমোলাতন্ত্রক বিভিন্ন ভাগত ভগাব পাৰি—

১। **অভিভাৱকত্ব আমোলাতন্ত্র** (Guardian Bureaucracy) ঃ এই শ্ৰেণীৰ আমোলাতন্ত্রই নিজকে জনস্বাৰ্থৰ ৰক্ষকৰূপে চায়, কিন্তু ই জনমতৰ পৰা স্বাধীন আৰু জনমতৰ প্ৰতি উদাসীন। ইয়াক এহাতে কাৰ্যক্ষম, প্ৰতিদ্বন্দ্বী, হিতৈষী, অবিকৃত বুলি কোৱা হয় আৰু আনহাতে ইয়াক স্বেচ্ছাচাৰীও বোলা হয়। প্লেটোৰ দাৰ্শনিক ৰজা (philosopher king)ৰ ধাৰণাটো অভিভাৱকত্ব আমোলাতন্ত্রৰ এক উদাহৰণ। এই আমোলাতন্ত্র ৯৬০ খ্ৰীষ্টাব্দৰ পূৰ্বে চীনত আৰু ১৬৪০ ৰ পৰা ১৭৪০ খ্ৰীষ্টাব্দৰ মাজৰ সময়ছোৱাত প্ৰুছিয়াত প্ৰচলিত আছিল।

২। **জাতিগত আমোলাতন্ত্র** (Caste Bureaucracy) ঃ এই ব্যৱস্থাৰ অধীনত উচ্চ জাতি অথবা উচ্চ সামাজিক স্তৰৰ ব্যক্তিয়ে উচ্চপদ আহৰণ কৰে। প্ৰাচীন ভাৰততো 'ব্ৰাহ্মণ' আৰু 'ক্ষত্ৰিয়'ৰ দৰে উচ্চ জাতিৰ লোকসকলেহে উচ্চ পদত অধিষ্ঠিত হ'ব পাৰিছিল। জাতিগত আমোলাতন্ত্রৰ কেতবোৰ উদাহৰণ হৈছে— প্ৰাচীন ৰোমান সাম্ৰাজ্যৰ সময়ৰ অসামৰিক সেৱা, মেজী সংবিধানৰ অধীনৰ জাপানৰ অসামৰিক সেৱা আৰু ১৯৫০ দশকৰ ফৰাচী অসামৰিক সেৱা।

৩। **পৃষ্ঠপোষক আমোলাতন্ত্র** (Patronage Bureaucracy) ঃ এই ব্যৱস্থাক 'নষ্ট ব্যৱস্থা' বা 'spoils system' বুলিও কোৱা হয়। আমেৰিকাৰ প্ৰশাসনত ইয়াৰ আভাস পোৱা যায়। এই ব্যৱস্থাত ৰাজহুৱা পদবোৰ ৰাজনীতিক আৰু আমোলাসকলৰ মনোনীত প্ৰাৰ্থীয়ে লাভ কৰে। ইয়াক প্ৰতিদ্বন্দ্বিতাৰ অভাৱ, অসংগঠিত গঠন আৰু ভিতৰুৱা লোভৰ বাবে সমালোচনা কৰা হয়।

৪। **যোগ্যতাসম্পন্ন আমোলাতন্ত্র** (Merit Bureaucracy) ঃ এই ব্যৱস্থাত শ্ৰেষ্ঠ প্ৰাৰ্থীক ৰাজহুৱা পদৰ বাবে বাছনি কৰা হয়। এই বাছনি যোগ্যতাৰ ভিত্তিত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে কৰা হয়। ভাৰতীয় প্ৰশাসনিক সেৱা যোগ্যতাসম্পন্ন আমোলাতন্ত্রৰ এক উদাহৰণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আমোলাতন্ত্র বুলিলে আপুনি কি বুজে?
(৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ আমোলাতন্ত্রৰ ইংৰাজী প্রতিশব্দ 'bureaucracy' শব্দটো কোনে উলিয়াইছিল?

.....

প্রশ্ন নং ৩ ঃ .....ৰ মতে আমোলাতন্ত্রই সমাজত চৰকাৰৰ বৃত্তিগত কর্তৃপক্ষক সূচায়। (খালী ঠাই পূৰণ কৰক)।

প্রশ্ন নং ৪ ঃ অভিভাৱক আমোলাতন্ত্র থকা দুখন ৰাষ্ট্রৰ নাম লিখক।

.....

.....

৩.৪ আমোলাতন্ত্র সম্পর্কে মেক্স ৱেবাৰ

মেক্স ৱেবাৰ (১৮৬৪-১৯২০) এগৰাকী জার্মান সমাজতত্ত্ববিদ আছিল। তেৱেঁই আমোলাতন্ত্রৰ আধুনিক ধাৰণাটো আগবঢ়াইছে। ৱেবাৰে আমোলাতন্ত্রৰ এক সামূহিক ধাৰণা আগবঢ়াইছে। সেই অনুসৰি আমোলাতন্ত্র হৈছে পদাধিকৃত বিষয়াৰ এটা গোট, যিটোৰ প্রভাৱ ৰাষ্ট্রযন্ত্র, গির্জা, ব্যৱসায়িক প্রতিষ্ঠান, বিশ্ববিদ্যালয় ইত্যাদিৰ দৰে বৃহৎ সংগঠনসমূহত দেখিবলৈ পোৱা যায়। মার্টিন এলব্র'ৰ নিৰীক্ষণ অনুসৰি ৱেবাৰৰ আমোলাতান্ত্রিক ধাৰণাক 'পদাধিকৃত বিষয়াসকলৰ এক প্রশাসন'ৰূপে সংজ্ঞাবদ্ধ কৰিব পাৰি। ৱেবাৰে তেওঁৰ তত্ত্বক 'আদর্শ স্বৰূপ' (Ideal Type) বুলি কৈছে। কোনো এটা সংগঠনে চিৰদিন 'আদর্শ স্বৰূপ' স্থিতি পাব বিচাৰে।



জানি থোৱা ভাল

মেক্স ৱেবাৰৰ মতে মুক্ত উদ্যোগ আৰু মুদ্রা অর্থনীতিৰ বিকাশৰ বাবেহে আমোলাতন্ত্রৰ সৃষ্টি হৈছে। পুঁজিবাদৰ নিজৰ স্বার্থৰ বাবে এক শক্তিশালী আৰু সুসংযত চৰকাৰৰ প্রয়োজন হয়। আমোলাতান্ত্রিক নীতিয়ে উদ্যোগক সামগ্রী আৰু সেৱাৰ এক সুস্থিৰ বজাৰ বজাই ৰাখিবলৈ অর্থনৈতিক পৰিকল্পনা যুগুত কৰাত সহায় কৰে।

৩.৪.১ ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বৰ ধাৰণা

মেক্স ৱেবাৰে আমোলাতন্ত্রক এক সমাজতাত্ত্বিক পৰিঘটনাৰূপে আলোচনা কৰিছে। তেওঁৰ আমোলাতন্ত্রৰ ধাৰণাক তেওঁ আগবঢ়োৱা আধিপত্যৰ ধাৰণাৰ ভিত্তিত আলোচনা কৰিব পাৰি। আধিপত্য হৈছে শাসক আৰু শাসিতৰ মাজত থকা এক ক্ষমতাজনিত সম্পর্ক। প্রত্যেকটো প্রশাসন ব্যৱস্থাতে কেতবোৰ এনে বিশ্বাস জড়িত হৈ থাকে, যিয়ে শাসক আৰু শাসিতৰ দৃষ্টিত ক্ষমতাৰ প্রয়োগক ন্যায়সংগত কৰে। কোনো এক নির্দিষ্ট গোটৰ মাজত

আধিপত্য বিস্তাৰ কৰিবলৈ এক প্ৰশাসনিক গোটৰ প্ৰয়োজন, যিয়ে দাবীসমূহ পূৰণ কৰাৰ লগতে শাসক আৰু শাসিতৰ মাজৰ এখন সাঁকোস্বৰূপ হ'ব। এজন ব্যক্তিয়ে আন এজনৰ ওপৰত চলোৱা আধিপত্যক ন্যায়সংগতৰূপে প্ৰমাণ কেনেদৰে কৰিব পাৰি, এই প্ৰশ্নৰ উত্তৰ ৱেবাৰে দিব বিচাৰিছে। সেয়েহে ৱেবাৰে আধিপত্যক তিনি ভাগত ভগাইছে। এইবোৰ হৈছে—

(ক) **অসাধাৰণ আধিপত্য** (Charismatic Domination) ঃ কোনো এগৰাকী ব্যক্তিক কেতিয়াবা তেওঁৰ অসাধাৰণ ব্যক্তিত্ব আৰু মেধাৰ বাবে সকলোৱে অনুসৰণ কৰে। তেওঁলোকে সেই ব্যক্তিগৰাকীৰ ওপৰত থকা অগাধ বিশ্বাসৰ বাবেই তেওঁৰ আধিপত্য গ্ৰহণ কৰে।

(খ) **পৰম্পৰাগত আধিপত্য** (Traditional Domination) ঃ কোনো ব্যক্তিৰ পৰম্পৰাগত স্থিতিৰ ওপৰত থকা বিশ্বাস আৰু ব্যক্তিগত আনুগত্যৰ ফলস্বৰূপে সেই ব্যক্তিগৰাকীয়ে এক বৃহৎ জনসংখ্যাৰ পৰা আনুগত্য লাভ কৰে। পৰম্পৰাগত আধিপত্যৰ দুটা চৰিত্ৰ হৈছে পৰম্পৰাৰ প্ৰতি স্বীকৃতি আৰু ব্যক্তিগত স্বেচ্ছাচাৰ।

(গ) **আইনগত আধিপত্য** (Legal Domination) ঃ আইনগত আধিপত্যৰ ন্যায়সংগতা আইনৰ ওপৰত থকা বিশ্বাস আৰু যুক্তিপূৰ্ণ নীতিৰ কাম্যতাৰ ওপৰত নিৰ্ভৰশীল। এই আধিপত্যৰ সমকক্ষ প্ৰশাসনিক ব্যৱস্থাই হৈছে 'আমোলাতন্ত্ৰ'। আমোলাৰ স্থিতি আৰু শাসক, শাসিত তথা তেওঁৰ সহকৰ্মীৰ সৈতে থকা সম্পৰ্ক নৈৰ্ব্যক্তিক সম্পৰ্কৰ দ্বাৰা পৰিচালিত হয়।

৩.৪.২ ৱেবাৰৰ আমোলাতান্ত্ৰিক সংগঠনৰ 'আদৰ্শ স্বৰূপ' আৰ্হিৰ ধাৰণা

ইজিপ্ত, ৰোম, চীন আৰু বাইজেণ্টাইন সাম্ৰাজ্যৰ দৰে প্ৰাচীন আৰু ঊনবিংশ তথা বিংশ শতিকাত উত্থান ঘটা ইউৰোপৰ আধুনিক আমোলাতন্ত্ৰসমূহৰ গভীৰ অধ্যয়ন কৰাৰ পিচত, ৱেবাৰে তেওঁৰ 'আদৰ্শ স্বৰূপ' আমোলাতন্ত্ৰৰ আৰ্হি আগবঢ়ায়। এই 'আদৰ্শ স্বৰূপ' আৰ্হিটো এক মানসিক স্থিতি যি প্ৰকৃততে নাথাকিবও পাৰে। ৱেবাৰৰ আমোলাতন্ত্ৰই প্ৰশাসনিক সেৱাক নুসূচাবও পাৰে। ই হৈছে সমজুৰা কাৰ্যৰ ন্যায্যতা প্ৰতিপন্ন কৰা সমাজতাত্ত্বিক ধাৰণা। ৱেবাৰৰ মতে 'আমোলাতন্ত্ৰ হৈছে বিশ্বৰ বৃহৎ প্ৰশাসনৰ সবাতোকৈ প্ৰভাৱশালী ব্যৱস্থা আৰু আধুনিক সমাজ ব্যৱস্থা ইয়াৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল'।

মূল্য নিৰপেক্ষ ঃ
আমোলাতন্ত্ৰ ইয়াৰ অভিগমন আৰু কাৰ্যৰ ক্ষেত্ৰত নিৰপেক্ষ।

ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বক ***'মূল্য নিৰপেক্ষ'*** অৰ্থাৎ 'value neutral' হিচাপে চিহ্নিত কৰা হয়। ৱেবাৰে তেওঁৰ সূত্ৰত আমোলাতন্ত্ৰৰ তিনিটা গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰিছে—

(ক) আমোলাতন্ত্ৰক 'সাংগঠনিক' দিশৰ পৰিপ্ৰেক্ষিতত পৰ্যবেক্ষণ কৰিব পাৰি। শ্ৰমৰ বিভাজন আৰু পদানুক্ৰমৰ দৰে বৈশিষ্ট্যসমূহক সংগঠনৰ গুৰুত্বপূৰ্ণ দিশৰূপে চিনাক্ত কৰা হৈছে।

(খ) আমোলাতন্ত্ৰক আচৰণমূলক বৈশিষ্ট্যৰ দিশেৰেও সংজ্ঞাবদ্ধ কৰা হৈছে। কেতবোৰ আচৰণমূলক দিশ, যেনে— বাস্তৱতা, যথাৰ্থতা আৰু স্থিৰতা এই ধাৰণাৰ গুৰুত্বপূৰ্ণ অংশ।

(গ) উদ্দেশ্য পূৰণৰ দিশৰ পৰাও আমোলাতন্ত্ৰৰ বিশ্লেষণ কৰা হৈছে। আমোলাতন্ত্ৰই কোনো সংগঠনক ইয়াৰ প্ৰশাসন অধিক কাৰ্যদক্ষ কৰি তোলাত সহায় কৰে।

৩.৪.৩ ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্বৰ বৈশিষ্ট্য

ৱেবাৰৰ আমোলাতন্ত্ৰ তত্ত্ব তেওঁৰ 'আদৰ্শ স্বৰূপ' আৰ্হিৰ সৈতে সংযুক্ত আৰু ই এক বিশুদ্ধ আৰু ন্যায্য আমোলাতন্ত্ৰৰ গঠন কৰে। ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ল—

(ক) আমোলাতান্ত্ৰিক সংগঠনসমূহে শ্ৰম বিভাজনৰ নীতি মানি চলে। কোনো এটা বিভাগৰ এক নিজস্ব কাৰ্য পৰিসৰ থাকে আৰু ইয়াৰ দ্বাৰা অন্য বিভাগৰ পৰা ই পৃথক হৈ থাকে।

(খ) আমোলাতন্ত্ৰৰ প্ৰশাসনিক ব্যৱস্থা জখলা পদ্ধতিৰ। অৰ্থাৎ প্ৰতিটো কনিষ্ঠ বিভাগ কোনো জ্যেষ্ঠ বিভাগৰ নিয়ন্ত্ৰণত থাকে।

(গ) কৰ্তৃত্ব কেৱল বিভাগীয় কাম-কাজৰ মাজতেই সীমাবদ্ধ। কৰ্মচাৰীসকল ব্যক্তিগতভাৱে মুক্ত; বিভাগীয় কামৰ বাহিৰত তেওঁলোকৰ ওপৰত জ্যেষ্ঠ বিষয়াই কোনো কৰ্তৃত্ব খটুৱাব নোৱাৰে।

(ঘ) সংগঠনত কৰ্মচাৰীসকলক নিয়োগ কৰা হয়। সংগঠন আৰু তেওঁলোকৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিৰ ভিত্তিত কৰ্মচাৰীসকলে কাম কৰে। তেওঁলোকে পদ আৰু দায়িত্বৰ ভিত্তিত নিৰ্ধাৰিত হাৰত দৰমহা লাভ কৰে।

(ঙ) কৰ্মচাৰীসকলক মেধা আৰু বৃত্তিগত অৰ্হতাৰ ভিত্তিত বাছনি কৰা হয়।

(চ) কৰ্মচাৰীসকলে নিজৰ বৃত্তিত উন্নতি সাধন কৰিবলৈ প্ৰচেষ্টা কৰে। নিয়োগকৰ্তাই তেওঁলোকক স্বেচ্ছাই পদচ্যুত কৰিব নোৱাৰে আৰু জ্যেষ্ঠতা অথবা সফলতা অথবা দুয়োৰে ভিত্তিত কৰ্মচাৰীসকলে পদোন্নতি লাভ কৰে।

(ছ) কৰ্মচাৰীসকল প্ৰশাসনৰ পৰা সম্পূৰ্ণ পৃথক হৈ থাকে আৰু সেয়েহে তেওঁলোকে পদ অথবা পদৰ সৈতে জড়িত সম্পদৰাজি ব্যক্তিগতভাৱে আহৰণ কৰিব নোৱাৰে।

(জ) কৰ্মচাৰীৰ আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ কেতবোৰ নিৰ্দিষ্ট নীতি-নিয়ম থাকে। বিভাগৰ ভিতৰৰ অথবা বাহিৰৰ যিকোনো ব্যক্তিৰ লগত কাম-কাজ কৰোতে এই নিয়ম মানি চলাটো বাধ্যতামূলক। আমোলাতান্ত্ৰিক সংগঠনত ব্যক্তিগত আৰু অন্যান্য অনুভৱৰ কোনো স্থান নাই।

উপৰোক্ত বৈশিষ্ট্যসমূহে মেক্স ৱেবাৰৰ আদৰ্শ, বিশুদ্ধ আৰু ন্যায্য আমোলাতন্ত্ৰক গঠন কৰিছে। এই বৈশিষ্ট্যসমূহে এনে এক সংগঠনক প্ৰতিফলিত কৰে যি নৈৰ্ব্যক্তিক আৰু য'ত পদৰ ভিত্তিত প্ৰশাসকসকলে কৰ্তৃত্ব খটুৱাব পাৰে। এতেকে আমোলাতন্ত্ৰ এক নৈৰ্ব্যক্তিক আৰু নিৰপেক্ষ ব্যৱস্থা।

আমোলাতন্ত্ৰৰ কৰ্তৃত্বশীলতাক পৰীক্ষা কৰিবৰ বাবে ৱেবাৰে প্ৰশাসনিক ব্যৱস্থাক নিয়ন্ত্ৰণ কৰাৰ দক্ষতা সমৃদ্ধ, নিৰ্বাচিত, সৎ ৰাজনীতিবিদৰ পোষকতা কৰিছে।

৩.৪.৪ ৰেবাৰৰ আমোলাতন্ত্র তত্ত্বৰ বিপক্ষে সমালোচনা

ৰেবাৰৰ সূত্রই যথেষ্ট সমালোচনাৰ মুখামুখি হ'বলগীয়া হৈছে আৰু মার্ক্সবাদীসকলে সবাতোকৈ বেছি সমালোচনা কৰিছে। তেওঁলোকে ৰেবাৰক আদর্শগত দিশৰ পৰা আক্রমণ কৰে আৰু ৰেবাৰৰ সূত্রক সমাজত পুঁজিবাদী আধিপত্যৰ এক প্রতিৰক্ষা ব্যৱস্থা হিচাপে আখ্যা দিয়ে।

আচৰণগত দিশৰ পৰাও ৰেবাৰৰ আমোলাতন্ত্র সম্পর্কীয় বিশ্লেষণক অনুপযুক্ত আৰু অসম্পূর্ণ বোলা হয়। পদানুক্রমিক সংগঠন আৰু নৈর্ব্যক্তিক নিয়মসমূহে এনে অৱস্থাৰ সৃষ্টি কৰে, যিয়ে আমোলাতন্ত্রৰ ক্ষমতা সীমিত কৰি তোলে।

ৰেবাৰৰ আমোলাতন্ত্র তত্ত্বক নিম্নোলেখিত যুক্তিৰে সমালোচনা কৰিব পাৰি—

(ক) আদর্শস্বৰূপ হৈছে এক মানসিক আর্হি ঃ ৰেবাৰে নির্মাণ কৰা আদর্শ স্বৰূপ অথবা মানসিক ছবিখনে এনে এখন উন্নত আমোলাতন্ত্র দেখুৱায়, যিয়ে কেৱল এটা ধাৰণা বা ছবিহে দেখুৱায়। 'আদর্শ স্বৰূপ' হৈছে এক মানসিক আর্হি, যাক বাস্তৱত লাভ কৰিব নোৱাৰি।

(খ) ব্যক্তিৰ বিচ্ছিন্নতা ঃ ৰেবাৰৰ আমোলাতন্ত্রক নৈর্ব্যক্তিক আখ্যা দিয়া হয়। ই এনে কিছু নিয়ম-নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লয়, যিয়ে সংগঠনৰ কাম-কাজত ব্যক্তিৰ সৃষ্টিশীল যোগদানক বাধা দিয়ে।

(গ) অনানুষ্ঠানিক সম্পর্কক অৱজ্ঞা কৰে ঃ ৰেবাৰৰ আর্হি কেৱল আনুষ্ঠানিক আমোলাতান্ত্রিক সংগঠনৰ পর্যবেক্ষণতে সীমাবদ্ধ। ই কোনো সংগঠনৰ অনানুষ্ঠানিক সম্পর্ক, অনানুষ্ঠানিক নিয়ম আৰু মূল্যক গুৰুত্ব নিদিয়ে। ছাইমন আৰু মার্চে এইবুলিও ৰেবাৰৰ আর্হিৰ সমালোচনা কৰিছে যে ৰেবাৰে কোনো সংগঠনৰ সৈতে যুক্ত ব্যক্তিসকলৰ পৰিবর্তে আমোলাতন্ত্রৰ সাংগঠনিক দিশৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে আৰু সেয়েহে এই ব্যৱস্থা কার্যকৰী হ'ব নোৱাৰে।

(ঘ) গণতান্ত্রিক নীতিবিৰুদ্ধ ঃ ৰেবাৰে আমোলাতান্ত্রিক বিষয়াসকলৰ হাতত ক্ষমতা থকাৰ পোষকতা কৰে যি ক্ষমতাৰ বিকেন্দ্রীকৰণ নীতিৰ সম্পূর্ণ বিৰুদ্ধাচৰণ।

(ঙ) উন্নয়নশীল দেশৰ বাবে প্রযোজ্য নহয় ঃ বহুতো পণ্ডিতে যুক্তি দর্শাইছে যে ৰেবাৰৰ আর্হি এক বিদেশী সংস্কৃতিৰ উৎপাদন যি ঔপনিৱেশিক শাসনৰ পৰা উৎপন্ন হোৱা উন্নয়নশীল ৰাষ্ট্রসমূহৰ বাবে প্রযোজ্য নহয়। স্বাধীনতা লাভ কৰাৰ পাচত এই ৰাষ্ট্রবোৰে কিছু উন্নয়নমূলক পৰিকল্পনা কৰিবলগীয়া হয়, কিন্তু আমোলাতন্ত্রই চিৰদিন নিয়ম-নীতি মানি চলে। ই উন্নয়নমূলক কাম-কাজৰ ওপৰতো বিৰূপ প্রভাৱ পেলায়।

আমোলাতন্ত্রৰ উপৰোক্ত দোষসমূহ থকা সত্ত্বেও অৱশ্যে বর্তমান বিশ্বত সকলো ধৰণৰ সংগঠন, যেনে— চৰকাৰ, ৰাজনৈতিক দল, বৃহৎ ব্যৱসায়িক প্রতিষ্ঠান, ধর্মীয় অনুষ্ঠান ইত্যাদিত আমোলাতন্ত্রৰ বর্ধিত ভূমিকা দেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মেক্স ৱেবাৰে চিনাক্ত কৰা তিনি ধৰণৰ আধিপত্য কি কি?

.....

.....

.....

প্রশ্ন নং ৬ ঃ আমোলাতান্ত্রিক সংগঠনৰ 'আদর্শ স্বৰূপ' আৰ্হি ..... যুগুত কৰিছিল। (খালী ঠাই পূৰণ কৰক)।

.....

প্রশ্ন নং ৭ ঃ আমোলাতন্ত্রৰ প্রশাসনিক সংগঠন পদানুক্রমিক। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৮ ঃ কামৰ বিভাজন আৰু পদানুক্রমৰ দৰে বৈশিষ্ট্যসমূহ মেক্স ৱেবাৰৰ আমোলাতন্ত্রৰ সূত্রৰ আচৰণগত চৰিত্রৰ অন্তর্গত। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৯ ঃ ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বৰ যিকোনো চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১০ ঃ ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বৰ বিপক্ষে যিকোনো চাৰিটা সমালোচনা উল্লেখ কৰক

.....

.....



চিন্তা-চর্চা কৰক ৩.১

ভাৰতীয় প্রশাসনিক সেৱাৰ গঠন আৰু নিয়মসমূহ ৱেবাৰে আগবঢ়োৱা নীতিসমূহৰ সৈতে কিমান খাপ খোৱা বুলি আপুনি ভাবে?

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মেক্স ৱেবাৰ ৱেবাৰ আমোলাতন্ত্রৰ ধাৰণাটোক তেওঁৰ আধিপত্য তত্ত্বৰ আধাৰত আলোচনা কৰিব পাৰি। ৱেবাৰে তিনি প্রকাৰৰ আধিপত্যৰ কথা কৈছে। সেই কেইটা

হৈছে ক্রমে অসাধাৰণ আধিপত্য, পৰম্পৰাগত আধিপত্য আৰু আইনগত আধিপত্য। এই আধিপত্যৰ লগত সম্পর্ক যুক্ত প্রশাসনীয় যন্ত্রটোৰেই হৈছে 'আমোলাতন্ত্র'।

- মেক্স ৱেবাৰ ৱেবাৰে আমোলাতন্ত্রৰ সাংগঠনিক ৰূপৰ ক্ষেত্রত 'আদর্শ স্বৰূপ (Ideal type) আর্হিৰ কথা কৈছে।
- ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বক 'মূল্য নিৰপেক্ষ' অর্থাৎ 'value neutral' হিচাপে চিহ্নিত কৰা হয়।
- আমোলাতান্ত্রিক সংগঠন কেইবাটাও বৈশিষ্ট্যৰ আধাৰত গঢ় লৈ উঠে। সেই কেইটা হৈছে ক্রমে —আমোলাতান্ত্রিক সংগঠনসমূহে শ্রম বিভাজনৰ নীতি মানি চলে। আমোলাতান্ত্রিক প্রশাসনিক ব্যৱস্থা জখলা পদ্ধতিৰ, কর্তৃত্ব কেৱল বিভাগীয় কাম কাজৰ মাজতেই সীমাবদ্ধ,সংগঠনত কর্মচাৰীসকলক নিয়োগ কৰা হয়,কর্মচাৰীসকলক মেধা আৰু বৃত্তিগত অর্হতাৰ ভিত্তিত বাছনি কৰা হয়,আৰু কর্মচাৰী আচৰণ নিয়ন্ত্রণ কৰিবলৈ কেতবোৰ নির্দিষ্ট নীতি-নিয়ম থাকে ।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্রশাসন পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্রশাসন*। গুৱাহাটী ঃ ষ্টুডেন্টচ ষ্টোৰচ।

ইংৰাজী গ্রন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

আমোলাতন্ত্র শব্দটোৰ ব্যৱহাৰ বিভিন্ন ক্ষেত্রত বিভিন্ন ধৰণে কৰা হয়। আমোলাতন্ত্রৰ ইংৰাজী প্রতিশব্দ 'bureaucracy' সর্বপ্রথমে ১৮ শ শতিকাৰ মাজভাগত ভিঞ্চেণ্ট ডি গুৰনী নামৰ এজন ফৰাচী লোকে ব্যৱহাৰ কৰিছিল। আমোলাতন্ত্রই হৈছে 'কর্মৰ বিশেষত্ব অনুযায়ী বিভাজিত, পদৰ বাবে নির্দিষ্ট যোগ্যতাৰ প্রয়োজন হোৱা, নির্দিষ্ট নিয়মেৰে পৰিচালিত হোৱা আৰু পদানুক্রমিক কর্তৃপক্ষযুক্ত এক সুসংবদ্ধ প্রশাসন ব্যৱস্থা'। সমাজ বিজ্ঞানৰ অভিধান অনুসৰি আমোলাতন্ত্র হৈছে এনে এক অনুষ্ঠান, যিটোৰ বৈশিষ্ট্য হৈছে সিদ্ধান্ত গ্রহণত যুক্তিযুক্ততা, সামাজিক সম্পর্কত অব্যক্তিগতকৰণ, কাম-কাজৰ নিয়মিত ধাৰা আৰু কেন্দ্রীয় কর্তৃপক্ষ। জে এছ মিলৰ মতে, আমোলাতন্ত্রই সমাজত চৰকাৰৰ বৃত্তিগত কর্তৃপক্ষক সূচায়। লাস্কীৰ মতে, আমোলাতন্ত্র হৈছে কোনো শাসন ব্যৱস্থাত আমোলাসকলৰ শাসন। আকৌ ডিম'কে আমোলাতন্ত্রক প্রতিষ্ঠান আৰু বৃহৎ দলসমূহৰ সৈতে সংযুক্ত কৰিছে।

মার্টিন এলব্র'ৰ মতে আমোলাতন্ত্রৰ সংজ্ঞাসমূহ যুক্তিসংগত সংগঠন, বিষয়াৰ শাসন, লোক প্রশাসন, বিষয়াৰ প্রশাসন, পদানুক্রমিক অনুষ্ঠান ইত্যাদি শ্রেণীৰ অন্তর্গত। আমোলাতন্ত্রৰ অস্তিত্ব অতি প্রাচীন। ইতিহাসৰ বিভিন্ন সময়ত ই বিভিন্ন আকাৰ আৰু ৰূপ লৈছে। কিন্তু গুৰুত্বপূর্ণ কথা এয়াই যে প্রতিটো প্রশাসনিক ব্যৱস্থাতে ই কার্যক্ষম হৈ আছে।

২ নং প্রশ্নৰ উত্তৰ ঃ ভেঞ্চিণ্ট ডি. গুৰণী।

৩ নং প্রশ্নৰ উত্তৰ ঃ জে. এছ. মিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ চীন আৰু প্রুছিয়া।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসাধাৰণ আধিপত্য (খ) পৰম্পৰাগত আধিপত্য
(গ) আইনগত আধিপত্য

৬ নং প্রশ্নৰ উত্তৰ ঃ মেক্স ৰেবাৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৯ নং প্রশ্নৰ উত্তৰ ঃ

(ক) আমোলাতান্ত্রিক সংগঠনসমূহে শ্রম বিভাজনৰ নীতি মানি চলে। কোনো এটা বিভাগৰ এক নিজস্ব কার্য পৰিসৰ থাকে আৰু ইয়াৰ দ্বাৰা অন্য বিভাগৰ পৰা ই পৃথক হৈ থাকে।

(খ) আমোলাতন্ত্রৰ প্রশাসনিক ব্যৱস্থা জখলা পদ্ধতিৰ। অর্থাৎ প্রতিটো কনিষ্ঠ বিভাগ কোনো জ্যেষ্ঠ বিভাগৰ নিয়ন্ত্রণত থাকে।

(গ) কর্তৃত্ব কেৱল বিভাগীয় কাম-কাজৰ মাজতেই সীমাবদ্ধ। কর্মচাৰীসকল ব্যক্তিগতভাৱে মুক্ত; বিভাগীয় কামৰ বাহিৰত তেওঁলোকৰ ওপৰত জ্যেষ্ঠ বিষয়াই কোনো কর্তৃত্ব খটুৱাব নোৱাৰে।

(ঘ) কর্মচাৰীসকলে নিজৰ বৃত্তিত উন্নতি সাধন কৰিবলৈ প্রচেষ্টা কৰে। নিয়োগকর্তাই তেওঁলোকক স্বেচ্ছাই পদচ্যুত কৰিব নোৱাৰে আৰু জ্যেষ্ঠতা অথবা সফলতা অথবা দুয়োৰে ভিত্তিত কর্মচাৰীসকলে পদোন্নতি লাভ কৰে।

১০ নং প্রশ্নৰ উত্তৰ ঃ

(ক) আদর্শস্বৰূপ হৈছে এক মানসিক আর্হি ঃ ৱেবাৰে নির্মাণ কৰা আদর্শ স্বৰূপ অথবা মানসিক ছবিখনে এনে এখন উন্নত আমোলাতন্ত্র দেখুৱায়, যিয়ে কেৱল এটা ধাৰণা বা ছবিহে দেখুৱায়। 'আদর্শ স্বৰূপ' হৈছে এক মানসিক আর্হি, যাক বাস্তৱত লাভ কৰিব নোৱাৰি।

(খ) ব্যক্তিৰ বিচ্ছিন্নতা ঃ ৱেবাৰৰ আমোলাতন্ত্রক নৈর্ব্যক্তিক আখ্যা দিয়া হয়। ই এনে কিছু নিয়ম-নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লয়, যিয়ে সংগঠনৰ কাম-কাজত ব্যক্তিৰ সৃষ্টিশীল যোগদানক বাধা দিয়ে।

(গ) অনানুষ্ঠানিক সম্পর্ককক অৱজ্ঞা কৰে ঃ ৱেবাৰৰ আর্হি কেৱল আনুষ্ঠানিক আমোলাতান্ত্রিক সংগঠনৰ পর্যবেক্ষণতে সীমাবদ্ধ। ই কোনো সংগঠনৰ অনানুষ্ঠানিক সম্পর্ক, অনানুষ্ঠানিক নিয়ম আৰু মূল্যক গুৰুত্ব নিদিয়ে। ছাইমন আৰু মার্চে এইবুলিও ৱেবাৰৰ আর্হিৰ সমালোচনা কৰিছে যে ৱেবাৰে কোনো সংগঠনৰ সৈতে যুক্ত ব্যক্তিসকলৰ পৰিবর্তে আমোলাতন্ত্রৰ সাংগঠনিক দিশৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে আৰু সেয়েহে এই ব্যৱস্থা কার্যকৰী হ'ব নোৱাৰে।

(ঘ) গণতান্ত্রিক নীতিবিৰুদ্ধ ঃ ৱেবাৰে আমোলাতান্ত্রিক বিষয়াসকলৰ হাতত ক্ষমতা থকাৰ পোষকতা কৰে যি ক্ষমতাৰ বিকেন্দ্রীকৰণ নীতিৰ সম্পূর্ণ বিৰুদ্ধাচৰণ।



৩.৮ আর্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ প্লেটোৰ দার্শনিক ৰজাৰ ধাৰণা কি ধৰণৰ আমোলাতন্ত্রৰ উদাহৰণ?

প্রশ্ন ২ঃ কাৰ মতে আমোলাতন্ত্র হৈছে কোনো শাসন ব্যৱস্থাত আমোলাসকলৰ শাসন?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসাধাৰণ আধিপত্যৰ অর্থ ব্যাখ্যা কৰক

প্রশ্ন ২ঃ আমোলাতন্ত্রৰ প্রকাৰ সম্পর্কে আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ৱেবাৰৰ 'আদর্শ স্বৰূপ' আমোলাতান্ত্রিক সংগঠনৰ আর্হি সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ঃ ৱেবাৰৰ আমোলাতন্ত্র তত্ত্বৰ বিপক্ষে থকা মুখ্য সমালোচনাসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ৪ ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্ব

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ বৈজ্ঞানিক পৰিচালনা তত্ত্ব

৪.৩.১ বৈজ্ঞানিক পৰিচালনাৰ অর্থ

৪.৩.২ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ উৎপত্তি

৪.৩.৩ বৈজ্ঞানিক পৰিচালনাৰ লক্ষ্য

৪.৩.৪ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ লগত জড়িত প্ৰাথমিক অৱধাৰণাসমূহ

৪.৩.৫ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ মৌলিক ধাৰণাসমূহ

৪.৩.৬ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বৈশিষ্ট্য

৪.৩.৭ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ নীতিসমূহ

৪.৩.৮ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সুবিধাসমূহ

৪.৪ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিপক্ষে থকা সমালোচনা

৪.৪.১ শ্ৰমিকৰ সমালোচনা

৪.৪.২ নিয়োগকর্তাৰ সমালোচনা

৪.৪.৩ মনস্তত্ত্ববিদসকলৰ পৰা অহা সমালোচনা

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্ৰগতিৰ খতিয়ান

৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- বৈজ্ঞানিক পৰিচালনাৰ দিশৰ পৰা প্ৰশাসনৰ সংগঠন সম্পর্কে আলোচনা কৰিব পাৰিব
- বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিকাশ সম্পর্কে বর্ণনা কৰিব পাৰিব
- ফ্ৰেডেৰিক টেইলৰে (Frederick Taylor) আগবঢ়োৱা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্ৰশাসনত বৈজ্ঞানিক পৰিচালনাৰ ভূমিকা সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টিত আমি সংগঠনৰ এটি অতি গুৰুত্বপূৰ্ণ তত্ত্ব 'বৈজ্ঞানিক পৰিচালনা তত্ত্ব' (Scientific Management Theory)ৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰিছো। সংগঠনৰ পৰিচালনা সম্বন্ধে অতীতত বহুসংখ্যক তত্ত্বৰ বিকাশ হৈছে। পাশ্চাত্যত আৰম্ভ হোৱা শিল্প বিপ্লৱে (Industrial Revolution) ব্যাপক উদ্যোগীকৰণ, বৰ্ধিত উৎপাদন আৰু খৰচী যন্ত্ৰ-পাতিৰ ব্যৱহাৰৰ পথ সুগম কৰিলে যদিও ইয়াৰ ফলত নিয়োগকৰ্তা আৰু শ্ৰমিকৰ সম্পৰ্কত ফাটৰ সূচনা হ'ল। ফলস্বৰূপে, প্ৰশাসনীয় পৰিচালনাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ উপযুক্ত পদ্ধতি আৰু নীতিৰ দ্বাৰা সমাধান কৰাৰ প্ৰয়োজনীয়তাই স্বীকৃতি লাভ কৰে। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা এই ধাৰাৰ বিকাশ ত্বৰান্বিত হয়। এই সময়ছোৱাত পৰম্পৰাগত পৰিচালনা পদ্ধতিক প্ৰত্যাহ্বান জনোৱা হয়, অতীতৰ অভিজ্ঞতাক বিজ্ঞানসন্মতভাৱে পদ্ধতিলব্ধ কৰা হয় আৰু পৰিচালনাৰ নীতিসমূহৰ কেৱোণবোৰ আঁতৰাই ইয়াৰ বহুল প্ৰচাৰ চলোৱা হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটোকে 'বৈজ্ঞানিক পৰিচালনা' (Scientific management)ৰ যুগ বুলি এই কাৰণেই অভিহিত কৰা হয় যে ইয়াৰ সুবাদতে নতুন আদৰ্শ আৰু দৃষ্টিভংগীয়ে ঠন ধৰি উঠে আৰু পৰিচালনাৰ নীতিসমূহে বিকাশ লাভ কৰে। ঊনবিংশ শতিকাৰ শেষাৰ্ধ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্ধত ফ্ৰেডেৰিক টেইলৰৰ নেতৃত্বত বৈজ্ঞানিক পৰিচালনাৰ আন্দোলনে মূৰ দাঙি উঠে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে টেইলৰে তেওঁৰ কৰ্মজীৱন ফিলাডেলফিয়াৰ এটি সৰু কাৰখানাত 'এপ্ৰেনটিছ' (apprentice) ৰূপে আৰম্ভ কৰিছিল।

৪.৩ বৈজ্ঞানিক পৰিচালনা তত্ত্ব

বিংশ শতিকাৰ প্ৰাৰম্ভতে বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিকাশ সাধন হয়। যদিও টেইলৰৰ বহু পূৰ্বসূৰীয়ে বৈজ্ঞানিক পৰিচালনাৰ কিছুমান পদ্ধতি ব্যৱহাৰ কৰিছিল, তথাপি টেইলৰেহে বৈজ্ঞানিক পৰিচালনাৰ বহুলভাৱে প্ৰচলিত আৰু গ্ৰহণযোগ্য কিছুমান সাধাৰণ ৰীতি-নীতিৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছিল। টেইলৰৰ মতে, 'পৰিচালনা হৈছে নিৰ্দিষ্ট আইন তথা নীতি-নিয়মৰ আধাৰত প্ৰতিষ্ঠিত এক শুদ্ধ বিজ্ঞান' (Management is a true science, resting on clearly fixed laws, rules and principles as a foundation)। উদ্যোগ আৰু পৰিচালনাৰ ক্ষেত্ৰত বৈজ্ঞানিক পদ্ধতি অৱলম্বনৰ মাধ্যমেৰে ঔদ্যোগিক কাৰ্যক্ষমতা তথা অৰ্থনীতিৰ উত্তৰণৰ হকে মাত মতা প্ৰথমজন বিশিষ্ট প্ৰবক্তা হৈছে ফ্ৰেডেৰিক টেইলৰ। টেইলৰৰ অশেষ অৱদানৰ ফলত অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হোৱা বৈজ্ঞানিক পৰিচালনাৰ ধাৰণাই জোৰ দিয়া কেইটামান দিশ হৈছে— মৌলিকতা (rationality), পূৰ্বানুমেয়তা (predictability), বিশেষীকৰণ (specialization) আৰু প্ৰযুক্তিগত সক্ষমতা (technical competence)।

৪.৩.১ বৈজ্ঞানিক পৰিচালনাৰ অৰ্থ

বৈজ্ঞানিক পৰিচালনা শব্দটোৱে কোনো এক ব্যৱসায়িক ক্ষেত্ৰৰ পৰিচালনাৰ দিশত বিজ্ঞানৰ প্ৰয়োগৰ কথা সূচায়। পৰম্পৰাগত পদ্ধতি আঁতৰাই বৈজ্ঞানিক পদ্ধতি গ্ৰহণ

কৰাটো ইয়াৰ মুখ্য উদ্দেশ্য। ফ্ৰেডেৰিক টেইলৰে বৈজ্ঞানিক পৰিচালনাৰ সংজ্ঞা দিছে এনেদৰে, 'ই হৈছে আপুনি মানুহৰ পৰা কি কাম আশা কৰে তাক নির্দিষ্টকৈ জনা এবিধ কলা আৰু তেওঁলোকে সেই কামটো নিয়াৰিকৈ আৰু কম খৰচত কৰিব পৰাটোত চকু দিয়া'। তেওঁ পুনৰ কৈছে, 'বৈজ্ঞানিক পৰিচালনাত উৎপাদনৰ বাবে উৎকৃষ্ট পদ্ধতি অৱলম্বন, বৈজ্ঞানিক নির্বাচন আৰু শ্ৰমিকৰ প্ৰশিক্ষণ, কৰ্ম আৰু দায়িত্বৰ সঠিক বণ্টন আৰু পৰিচালক তথা শ্ৰমিকৰ মাজত সমন্বয় সাধনৰ কথা অন্তর্ভুক্ত হৈ থাকে।'

৪.৩.২ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ উৎপত্তি

১৯১০ চনত এল ডি ব্ৰাণ্ডিছে (L. D. Brandies) যদিও 'বৈজ্ঞানিক পৰিচালনা' শব্দটি পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল, তথাপি ইয়াৰ মূল দৰ্শনৰ উৎপত্তি হৈছিল ফ্ৰেডেৰিক উইনশ্লৰ' টেইলৰ (Frederick Winslow Taylor) ৰ লিখনিত। এইখিনিতে অৱশ্যে অন্য কেইজনমান পুৰোধা ব্যক্তিৰ নাম লোৱাটো সমীচীন হ'ব, যিয়ে এই ধাৰণাটোৰ বিকাশত অৰিহণা আগবঢ়াইছিল। তেওঁলোক হৈছে— চার্লছ বেবেজ (Charles Babage), ফ্ৰাংক (Frank) আৰু লিলিয়ান গিলবাৰ্থ (Lilian Gilberth), হেনৰি এল গাণ্ট (Henry L. Gantt), হেৰিংটন এমাৰছন (Herrington Emerson) ইত্যাদি। ইংলেণ্ডৰ চার্লছ বেবেজে টেইলৰতকৈ প্ৰায় অর্ধশতিকা আগেয়েই উদ্যোগ সম্বন্ধীয় বৈজ্ঞানিক চিন্তা-চর্চা আৰম্ভ কৰিছিল। ঔদ্যোগিক পৰিচালনা সম্পর্কে দীর্ঘদিন ধৰি চলোৱা গৱেষণাৰ বাবে তেওঁ বৌদ্ধিক বিশ্লেষণৰ মাজেৰে ঔদ্যোগিক সমস্যাসমূহৰ সমাধান আগবঢ়াব পাৰিছিল। সেইবাবে বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিকাশত অৱদান আগবঢ়োৱা এজন গুৰুত্বপূর্ণ ব্যক্তি হিচাপে বেবেজৰ নাম ল'ব পাৰি।

অৱশ্যে এইটো অনস্বীকার্য যে ফ্ৰেডেৰিক টেইলৰেহে বৈজ্ঞানিক পৰিচালনাৰ ক্ষেত্ৰত নতুন ধাৰণাৰ সূচনা কৰি ইয়াক এক নতুন ৰূপ দিবলৈ সক্ষম হয়। ফ্ৰাংক (Frank), লিলিয়ান গিলবাৰ্থ (Lilian Gilberth) আৰু হেনৰি এল গাণ্ট (Henry L. Gantt) হৈছে টেইলৰৰ তাৎক্ষণিক উত্তৰসূৰী। টেইলৰৰ দৰে গাণ্টেও পৰিচালনা আৰু শ্ৰমিকৰ মাজত উমৈহতীয়া স্বার্থৰ ওপৰত গুৰুত্ব দিছিল। অন্য অর্থত তেওঁ দুয়োৰে মাজত সৌহার্দ্যপূর্ণ সমন্বয় (harmonious co-operation)ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ফ্ৰাংক আৰু লিলিয়ান গিলবাৰ্থক সময় আৰু গতি অধ্যয়নৰ বাটকটীয়া আখ্যা দিয়া হয়। শ্ৰমিকৰ সময়গুণ আৰু গতিৰ দিশটো উন্নত কৰি উৎপাদনী কৌশলৰ ক্ষেত্ৰলৈ আগবঢ়োৱা তেওঁলোকৰ অৱদান অতিশয় গুৰুত্বপূর্ণ।

৪.৩.৩ বৈজ্ঞানিক পৰিচালনাৰ লক্ষ্য

বৈজ্ঞানিক পৰিচালনাৰ লক্ষ্যসমূহ তলত দিয়াধৰণৰ—

- **বর্ধিত উৎপাদন** ঃ উন্নত মানৰ সঁজুলি, যন্ত্ৰ-পাতি আৰু পদ্ধতিৰ প্ৰয়োগেৰে উৎপাদনৰ হাৰ বৃদ্ধি কৰা।

- **গুণাগুণ নিয়ন্ত্রণ ঃ** গৱেষণা, গুণাগুণ নিয়ন্ত্রণ আৰু পর্যবেক্ষণ সৰঞ্জামৰ মাধ্যমেৰে উৎপাদিত সামগ্রীৰ মান উন্নত কৰা।
- **ব্যয় সংকোচন ঃ** যুক্তিসংগত পৰিকল্পনাৰ জৰিয়তে উৎপাদনী ব্যয় হ্রাস কৰা আৰু ব্যয় নিয়ন্ত্রণ পদ্ধতি অৱলম্বন কৰা।
- **পেলনীয়া সামগ্রী নিঃশেষকৰণ ঃ** সম্পদৰ ব্যৱহাৰ আৰু উৎপাদনী পদ্ধতিৰ ক্ষেত্রত পেলনীয়া সামগ্রী ক্রমান্বয়ে নিঃশেষ কৰা।
- **সঠিক কামৰ বাবে সঠিক ব্যক্তি ঃ** বৈজ্ঞানিক নির্বাচন আৰু প্রশিক্ষণৰ দ্বাৰা সঠিক পদৰ বাবে সঠিক ব্যক্তিৰ নিযুক্তি।
- **উদগনিমূলক মজুৰি** (Incentive wages) **ঃ** শ্রমিকৰ কার্যদক্ষতাৰ লগত মজুৰিৰ সংগতি সাধন।

৪.৩.৪ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ লগত জড়িত প্রাথমিক অৱধাৰণাসমূহ

বৈজ্ঞানিক পৰিচালনাৰ লগত জড়িত আটাইতকৈ গুৰুত্বপূর্ণ বিষয়টো হৈছে পৰিচালনাৰ সমস্যা তথা কর্ম-পদ্ধতিসমূহ পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে সমাধান কৰি ঔদ্যোগিক উৎপাদন আৰু শ্রমিকৰ কর্মদক্ষতা বৃদ্ধি কৰা। ইয়াৰ বাবে টেইলৰে তিনিটা অৱধাৰণা দাঙি ধৰিছে—

- ঔদ্যোগিক প্রক্রিয়াসমূহ বৈজ্ঞানিক পর্যবেক্ষণ, পৰিমাপন আৰু পৰীক্ষাৰ বাবে মুক্ত থাকিব লাগে।
- উচ্চ মজুৰি প্রদানৰ ফলত শ্রমিক আৰু পৰিচালনাৰ মাজত সৌহার্দ্যপূর্ণ সম্পর্ক স্থাপনৰ পথ সুচল হ'ব আৰু ই উদ্যোগৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব।
- ঔদ্যোগিক উদ্দেশ্যসমূহ লাভ কৰিবৰ বাবে পৰিচালনাৰ লগত জড়িত ব্যক্তিসকলে শ্রমিকসকলক অতিশয় ফলপ্রসূ পদ্ধতিৰে প্রশিক্ষিত কৰি তুলিব লাগে।

৪.৩.৫ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ মৌলিক ধাৰণাসমূহ

টেইলৰৰ মতে, বৈজ্ঞানিক পৰিচালনাৰ দর্শন সাধাৰণ পৰিচালনাৰ পদ্ধতিতকৈ বেছি গুৰুত্বপূর্ণ। মানৱ সম্পদ আৰু বস্তুগত সম্পদৰ ভৰপূৰ প্রয়োগ সাধনৰ প্রয়োজনীয়তাৰ বাট প্রশস্ত কৰা শিল্প বিপ্লৱৰ প্রত্যাহ্বানসমূহৰ সম্পর্কত মত পোষণ কৰি তেওঁ একে অভিমত আগবঢ়াইছিল। এনেধৰণৰ চিন্তা-চেতনাৰ মূল উদ্দেশ্য হৈছে ঔদ্যোগিক অর্থনীতিৰ সৈতে ৰজিতা খুৱাই কর্মদক্ষতা আৰু উৎপাদন বৃদ্ধি কৰা। টেইলৰে আগবঢ়োৱা পৰিচালনাৰ নীতিসমূহ প্রাথমিক তথ্যৰ পৰীক্ষণ, পর্যবেক্ষণ, কর্মপদ্ধতি আৰু উদ্যোগৰ চর্তসমূহৰ প্রাসংগিকতাৰ আধাৰত গঢ় লোৱা বাবে এই নীতিসমূহক 'বৈজ্ঞানিক' আখ্যা দিব পৰা যায়।

৪.৩.৬ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বৈশিষ্ট্য

বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বৈশিষ্ট্যসমূহ তলত দিয়াধৰণৰ—

- বৈজ্ঞানিক পৰিচালনা তত্ত্বই পৰিকল্পনা আৰু কার্য সম্পাদনৰ মাজত থকা পার্থক্যৰ কথা উল্লেখ কৰে।
- 'বৃত্তিগত তত্ত্বাৱধায়ক' (Functional Formanship) ধাৰণাটোৱে পৰিচালনাৰ কাম-কাজ এনেধৰণেৰে বিতৰণ কৰাৰ কথা বুজায়, য'ত প্রতিটো পর্যবেক্ষণ স্তৰতে যিমানদূৰ সম্ভৱ কম পৰিমাণে কর্মৰ ভাৰ অর্পণ কৰিব পৰা যায়।
- গতি অধ্যয়ন (Motion study) ধাৰণাই কেঁচা সামগ্রী, সা-সঁজুলি আৰু যন্ত্র-পাতি তথা হাত আৰু দেহৰ সঞ্চালনৰ আলমত এক ফলপ্রসূ কার্য-পদ্ধতি নির্ধাৰণৰ পোষকতা কৰে। আনহাতে সময় অধ্যয়ন (Time Study) ধাৰণাই এক ফলপ্রসূ পদ্ধতি নির্ধাৰণৰ পাচত কোনো এটা কাম সম্পূর্ণ কৰাৰ বাবে প্রয়োজনীয় নির্দিষ্ট সময় নির্ধাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- টেইলৰে দৰমহা প্রদানৰ এক 'পৰিবর্তিত খণ্ড কর্ম পৰিকল্পনা' (Differential piecework plan) যুগুত কৰি উলিয়াইছিল। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে শ্রমিকক তেওঁলোকৰ উৎকৃষ্টতম অৱদানৰ বাবে কর্মপ্রেৰণা প্রদান কৰা।

৪.৩.৭ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ নীতিসমূহ

টেইলৰৰ মতে সকলো ধৰণৰ সংগঠনতে প্রযোজ্য হোৱাকৈ পৰিচালনাৰ কিছুমান নীতি থাকে। তেওঁ কৈছে, 'সকলো ধৰণৰ সামাজিক কাম-কাজতে সমানভাৰে এই নীতিসমূহ প্রয়োগ কৰিব পৰা যায়; ঘৰৰ পৰিচালনাৰ পৰা চৰকাৰী বিভাগসমূহলৈকে। এই তত্ত্বৰ লগত জড়িত বিশেষ নীতিসমূহ হ'ল—

- **মানদণ্ড সম্পন্ন কর্ম-পদ্ধতি ঃ** ক্ষিপ্রতা আৰু কর্মদক্ষতা সম্ভৱ হোৱাকৈ কার্য-পদ্ধতিৰ মানদণ্ডৰ উন্নতি সাধন কৰা প্রয়োজনীয়। প্রতিটো কামৰে বৈজ্ঞানিক অনুসন্ধান কৰিব লাগে যাতে অধিক উৎপাদন সম্ভৱ হয় আৰু একক মূল্য হ্রাস পায়। ইয়াৰ বাবে প্রতিজন শ্রমিকৰ বাবে দৈনিক নির্দিষ্ট কাম ঠিক কৰিব লাগে। শ্রমিকজনে যদি আশা কৰাতকৈ অধিক উৎপাদন দিবলৈ সক্ষম হয়, তেনেহ'লে তেওঁক পুৰস্কৃত কৰিব লাগে আৰু যদিহে তেওঁ উৎপাদন বৃদ্ধি কৰিবলৈ সক্ষম নহয়, তেনেহ'লে তেওঁৰ ওপৰত জৰিমণা আৰোপ কৰিব লাগে।
- **বৈজ্ঞানিক নির্বাচন আৰু শ্রমিকৰ প্রশিক্ষণ ঃ** অধিক কর্মদক্ষতা আৰু মিতব্যয়িতা আহৰণৰ হেতু শ্রমিকসকলৰ নির্বাচন, নিয়োগ আৰু প্রশিক্ষণ বৈজ্ঞানিক পদ্ধতিৰে হোৱাটো বাঞ্ছনীয়। শ্রমিক এজনৰ দক্ষতা যি ক্ষেত্রত বেছি, তেনে ক্ষেত্রতহে তেওঁক নিয়োগ কৰা উচিত।

- **পৰিচালনা আৰু শ্ৰমিকৰ মাজত কৰ্মৰ সমবিভাজন ঃ** টেইলৰ হৈছে পৰিচালনা আৰু শ্ৰমিকৰ মাজত কামৰ সমবিভাজনৰ পক্ষে মাত মতা এজন অগ্ৰণী ব্যক্তি। তেওঁ উপলব্ধি কৰিছিল যে শ্ৰমিকসকলৰ ওপৰত শ্ৰমৰ অত্যধিক বোজা আৰু দায়িত্ব জাপি দিয়া হয়। তেওঁ মত পোষণ কৰিছিল যে সংগঠনৰ আধা কাম পৰিচালনাৰ নিজৰ হাতত থকাটো যুগুত। পৰিচালনাৰ ক্ষেত্ৰত জড়িত ব্যক্তিসকলে বিশেষকৈ সংগঠন আৰু কৰ্ম-পদ্ধতি নিৰ্ধাৰণ তথা নিয়ন্ত্ৰণৰ দৰে কাৰ্যসমূহ কৰাটো প্ৰয়োজনীয়।
- **শ্ৰমিক আৰু পৰিচালনাৰ সামূহিক সহযোগ ঃ** শ্ৰমিক আৰু পৰিচালনাৰ মাজত সামূহিক সহযোগিতা আৰু বুজা-পৰা থকাটো বাঞ্ছনীয়। তেওঁলোকৰ মাজতে উভয়ে উভয়ৰ প্ৰতি বিশ্বাস আৰু আস্থা ৰখাটো নিতান্তই প্ৰয়োজনীয়। টেইলৰে গৱেষণা, মানদণ্ড, পৰিকল্পনা, নিয়ন্ত্ৰণ আৰু শ্ৰমিক তথা পৰিচালনাৰ মাজত সামূহিক সহযোগিতা আদিৰ ওকালতি কৰিছিল।

এই চাৰি-সূত্ৰীয় নীতি গ্ৰহণৰ মাধ্যমেৰে টেইলৰে ঔদ্যোগিক ক্ষেত্ৰৰ পৰিচালনাৰ পদ্ধতিত এক বিপ্লৱৰ সূচনা কৰিছিল। কাৰ্য-পদ্ধতিৰ মান বিশিষ্টকৰণ, উন্নত কৰ্মৰ পৰিবেশ, সঠিক নিয়োগ আৰু প্ৰশিক্ষণৰ সুবিধা কৰি দিয়াৰ বাবে শ্ৰমিকসকল ইয়াৰ দ্বাৰা বেছি পৰিমাণে উপকৃত হৈছিল।

৪.৩.৮ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সুবিধাসমূহ

টেইলৰৰ বৈজ্ঞানিক তত্ত্বৰ দুটা দিশ আছে— যান্ত্ৰিক (Mechanical) আৰু দাৰ্শনিক (Philosophical)। বৈজ্ঞানিক পৰিচালনাৰ যান্ত্ৰিক দিশত তেওঁ আগবঢ়োৱা ধাৰণাসমূহ হৈছে— সময় আৰু গতি অধ্যয়ন, সঁজুলি, পদ্ধতি আৰু কৰ্মৰ পৰিবেশৰ মানদণ্ড উন্নতকৰণ আৰু মজুৰি প্ৰদানৰ ক্ষেত্ৰত পৰিবৰ্তিত খণ্ড-মূল্য পদ্ধতি (Differential piece rate system) ৰ প্ৰচলন ইত্যাদি। আনহাতে, দাৰ্শনিক দিশৰ ফালৰ পৰা টেইলৰে পদ্ধতিগত অনুসন্ধান আৰু পৰ্যবেক্ষণৰ জৰিয়তে পৰিচালনাৰ বৈজ্ঞানিক দিশটো উন্মোচন কৰাৰ প্ৰচেষ্টা চলাইছিল। বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- মানুহৰ কামৰ প্ৰতিটো দিশতে পৰম্পৰাগত পদ্ধতি (Rule-of-thumb method) পৰিত্যাগ কৰি বৈজ্ঞানিক কৌশল অৱলম্বন কৰা।
- শ্ৰমিকৰ সঠিক নিৰ্বাচন আৰু প্ৰশিক্ষণৰ ওপৰত এই তত্ত্বই গুৰুত্ব প্ৰদান কৰে।
- এই তত্ত্বই পৰিচালনা আৰু শ্ৰমিকৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে।
- শ্ৰমিক আৰু পৰিচালনাৰ মাজত দায়িত্বৰ সমবিতৰণৰ ওপৰত এই তত্ত্বই গুৰুত্ব আৰোপ কৰে।

- এই তত্ত্বই সঁজুলি, সামগ্ৰী আৰু যন্ত্ৰ-পাতিৰ লগতে কৰ্ম-পদ্ধতিৰ মানদণ্ডৰ উন্নতি সাধনৰ পথ প্ৰশস্ত কৰে।
- শ্ৰমিকৰ মাজত কৰ্মস্পৃহা জগাবৰ বাবে এই তত্ত্বই অধিক উৎপাদনৰ বাবে অধিক মজুৰি প্ৰদানৰ ব্যৱস্থা কৰে।
- এই তত্ত্বৰ অন্য কিছুমান অৱদান হ'ল— পেলনীয়া সামগ্ৰী নিঃশেষ কৰা, সম্পদৰ উচিত ব্যৱহাৰ আৰু নিয়ন্ত্ৰণ পদ্ধতি যুক্তিসংগত কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ টেইলৰে আগবঢ়োৱা বৈজ্ঞানিক পৰিচালনাতত্ত্বৰ দুটা দিশ কি কি?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ মূল নীতিসমূহৰ বিষয়ে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ লগত জড়িত আটাইতকৈ প্ৰসিদ্ধ লোক কেইজনৰ নাম কি?

.....

প্ৰশ্ন নং ৪ ঃ বৰ্ধিত উৎপাদন আৰু ব্যয় সংকোচন বৈজ্ঞানিক পৰিচালনাৰ এটি গুৰুত্বপূৰ্ণ উদ্দেশ্য। (শুদ্ধ/অশুদ্ধ)

.....

৪.৪ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিপক্ষে থকা সমালোচনা

বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বহুখিনি সুবিধা থাকিলেও ইয়াৰ সীমাবদ্ধতাও নথকা নহয়। এই তত্ত্বটো শ্ৰমিক, নিয়োগকৰ্তা আৰু মনস্তত্ত্ববিদসকলৰ ফালৰ পৰা বিভিন্ন ধৰণৰ সমালোচনাৰ সন্মুখীন হ'বলগা হৈছে।



জানি থোৱা ভাল

বিভিন্ন দৃষ্টিকোণৰ পৰা বৈজ্ঞানিক পৰিচালনা তত্ত্বটোৰ সমালোচনা হৈছে। এই সমালোচনাৰ পৰিসৰ মার্ক্সবাদীসকলৰ পৰা আৰম্ভ কৰি আচৰণবাদী-সকললৈকে বিস্তৃত। অলিভাৰ শ্বেলড্‌ন (Oliver Sheldon), মেৰী পার্কাৰ ফলেট (Mary Parker Follet), এলটন মেয়' (Elton Mayo), পিটাৰ ড্রাকাৰ (Peter Drucker) আদিয়ে এই তত্ত্বটো অ-ব্যক্তিক (impersonal) বুলি কঠোৰ সমালোচনা কৰিছে আৰু উৎপাদনৰ ক্ষেত্রত মানৱীয় দিশটোক অস্বীকাৰ কৰাৰ বাবে ইয়াৰ ঘোৰ আপত্তি কৰিছে।

এই সমালোচনাসমূহ তলত দিয়া ধৰণেৰে আলোচনা কৰিব পৰা যায়।

৪.৪.১ শ্রমিকৰ সমালোচনা

শ্রমিকসকলে বৈজ্ঞানিক পৰিচালনাৰ তত্ত্বটো নিম্নলিখিত যুক্তিসমূহৰ সহায়ত সমালোচনা কৰিছে—

- **শ্রমিকৰ কামৰ ক্ষিপ্রতা বৃদ্ধি ঃ** শ্রমিকসকলে যুক্তি প্রদর্শন কৰে যে বৈজ্ঞানিক পৰিচালনাৰ মূল উদ্দেশ্য হৈছে শ্রমিকসকলক অত্যধিক শ্রম কৰিবলৈ বল প্রয়োগ কৰা, যিটো শ্রমিকৰ দৈহিক তথা মানসিক স্বাস্থ্যৰ বাবে ক্ষতিকাৰক।
- **নিবনুৱা সমস্যা ঃ** মানদণ্ড সম্পন্ন পদ্ধতি, সা-সঁজুলি আৰু কৌশলৰ প্রচলনৰ ফলত প্রতিজন শ্রমিকৰ বিপৰীতে উৎপাদন বৃদ্ধি হোৱাত ভৱিষ্যতে নিয়োগৰ সুযোগ হ্রাস হ'ব বুলি শ্রমিকসকল সন্ত্রস্ত হৈ ইয়াৰ সমালোচনা কৰে।
- **অনীহা** (Boredom) **ঃ** ঔদ্যোগিক ক্ষেত্রত বিশেষীকৰণ ব্যৱস্থা প্রচলনৰ ফলত পৰিকল্পনা আৰু কার্য ৰূপায়ণৰ মাজত এক বৃহৎ বিভাজন আহি পৰে। যাৰ ফলত শ্রমিকসকলে স্বয়ংচালিত যন্ত্রৰ দৰে একেখিনি কামকে কৰি থাকিবলগীয়া হয়। শ্রমিকসকলৰ মাজত ই একঘেয়ামি সমস্যাৰ সৃষ্টি কৰে। ফলত অন্য কাম বিচাৰি বেলেগ উদ্যোগলৈ শ্রমিকসকলে ঢাপলি মেলে।
- **কর্মক্ষেত্রত অগ্রণী ভূমিকা লোৱাত অসুবিধা ঃ** পৰিকল্পনা আৰু কার্য-ৰূপায়ণৰ মাজত টেইলৰে কঠোৰ বিভাজনৰ সমর্থন কৰে, যিয়ে পৰিকল্পনাৰ ক্ষেত্রত শ্রমিকৰ সহযোগৰ সুযোগ নস্যাৎ কৰে। শ্রমিকসকলক কোনো কামত আগভাগ লোৱা আৰু নিজৰ কলা-কৌশল প্রয়োগৰ মাজেৰে নতুন কার্য-পদ্ধতি আৱিষ্কাৰ কৰি ঔদ্যোগিক ক্ষেত্রলৈ আগবঢ়াব পৰা অৱদানৰ সুবিধাৰ পৰা বঞ্চিত কৰা হৈছিল। এনে কার্যই শ্রমিকসকলৰ কর্মনিষ্ঠাৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।
- **শ্রমিকৰ ওপৰত চলা শোষণ ঃ** শ্রমিকসকলে ভাবে যে তেওঁলোকৰ মজুৰি তেওঁলোকৰ উৎপাদনৰ ক্ষমতাৰ সমানুপাতিকভাৱে বৃদ্ধি নহয়। শ্রমিকৰ উৎপাদন

ক্ষমতাৰ ফলত হোৱা লাভৰ গৰিষ্ঠ অংশ নিয়োগকাৰীসকলে নিজৰ হাতত ৰাখি শ্ৰমিকসকলক বঞ্চনা কৰে।

- **সমজুৱা দৰ-দাম ব্যৱস্থাৰ বিনাশ ঃ** শ্ৰমিক সংঘসমূহে premium bonus system দৰে আধুনিক পদ্ধতি প্ৰৱৰ্তনৰ জৰিয়তে উৎপাদন বৃদ্ধিৰ বিৰুদ্ধাচৰণ কৰে। শ্ৰমিক নেতাসকলে টেইলৰৰ এনে ধাৰণাক সমজুৱা দৰ-দাম (collective bargaining) নীতিৰ বাবে বিনাশকাৰী বুলি গণ্য কৰে।

৪.৪.২ নিয়োগকৰ্তাৰ সমালোচনা

নিয়োগকৰ্তাসকলে তলত দিয়া ধৰণেৰে বৈজ্ঞানিক পৰিচালনা তত্ত্বটোৰ বিৰোধিতা কৰে—

- **খৰচী** (Expensive) ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ প্ৰৱৰ্তনে খৰচৰ মাত্ৰা বৃদ্ধি কৰে, কিয়নো কৰ্ম, কৰ্মৰ পৰিবেশ আৰু সঁজুলি তথা যন্ত্ৰ-পাতিৰ মানদণ্ড উন্নত কৰিবলৈ হ'লে এক বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰিবলগীয়া হয়। তেওঁলোকে যুক্তি দৰ্শায় যে এটা পৃথক পৰিকল্পনা বিভাগ সৃষ্টিয়ে খৰচৰ মাত্ৰা বৃদ্ধিহে কৰিব, যিয়ে উৎপাদনী ব্যৱস্থাত পোনপটীয়াভাৱে কোনোধৰণৰ অৱদান আগনবঢ়ায়।
- **পুনঃসংগঠন** (Reorganization) ঃ বৈজ্ঞানিক পৰিচালনাৰ লগত সমগ্ৰ ঔদ্যোগিক ক্ষেত্ৰখন নতুনকৈ সংগঠিত কৰাৰ কথাটো জড়িত হৈ আছে। ঔদ্যোগিক ক্ষেত্ৰখন নতুনকৈ সংগঠিত কৰিবৰ বাবে প্ৰয়োজনীয় ৰূপান্তৰকালীন অৱস্থাৰ সময়ছোৱাত উদ্যোগৰ কাম-কাজ বন্ধ ৰাখিব লাগিব, যাৰ ফলত পৰিচালনা বৃহৎ ক্ষতিৰ সন্মুখীন হ'ব। সৰু সৰু উদ্যোগসমূহে এনে ক্ষতিৰ ভাৰ কেতিয়াও বহন কৰিব নোৱাৰে।

৪.৪.৩ মনস্তত্ত্ববিদসকলৰ সমালোচনা

মনস্তত্ত্ববিদসকলে তলত দিয়া ধৰণেৰে বৈজ্ঞানিক পৰিচালনা তত্ত্বটোৰ সমালোচনা কৰিছে—

- **যান্ত্ৰিক দৃষ্টিভংগী** (Mechanical Approach) ঃ বৈজ্ঞানিক পৰিচালনাই শ্ৰমিকসকলৰ প্ৰতি একধৰণৰ যান্ত্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰে বুলি মনস্তত্ত্ববিদসকলে অভিমত পোষণ কৰে। শ্ৰমিকসকলৰ কোনোধৰণৰ কৰ্ম প্ৰচেষ্টাকে গুৰুত্ব দিয়া নহয় আৰু প্ৰতি মূহূৰ্ততে তেওঁলোকে পৰিচালনাৰ পৰা অহা নিৰ্দেশ মানি চলিব লাগে। অধ্যাপক হক্সিয়ে (Prof. Hoxie) যুক্তৰাষ্ট্ৰৰ ঔদ্যোগিক সম্পৰ্ক আয়োগ (United States Commission on Industrial Relations) ৰ বাবে চলোৱা এক অনুসন্ধানৰ প্ৰতিবেদনত উল্লেখ কৰিছিল যে টেইলৰৰ দৃষ্টিভংগীয়ে মানৱীয় দিশসমূহ একাষৰীয়া কৰি কেৱল উৎপাদনৰ যান্ত্ৰিক দিশটোৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে।
- **সঠিক কৰ্মনিষ্ঠাৰ অভাৱ ঃ** বৈজ্ঞানিক পৰিচালনা পদ্ধতিৰ অধীনত শ্ৰমিকসকলৰ মজুৰি 'খণ্ড-মূল্য-কৰ্ম'ৰ ভিত্তিত প্ৰদান কৰা হয়। ইয়াত শ্ৰমিকৰ বাবে কোনোধৰণৰ

ন্যূনতম মজুৰিৰ নিশ্চিতি নাথাকে। টেইলৰৰ মতে টকাই হৈছে সকলোধৰণৰ কর্মোদ্যমৰ কাৰক। কিন্তু বাস্তৱিকতে দেখা যায় যে সামাজিক সম্পর্ক, নিৰাপত্তা আৰু স্বীকৃতিয়েও মানুহক কর্মপিয়াসী কৰি তুলিব পাৰে।

- **শ্রমিকৰ কর্মৰ ক্ষিপ্রতা বৃদ্ধি ঃ** ক্ষিপ্রতাৰে কাম কৰিবলৈ যাওঁতে শ্রমিকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত পৰা বিৰূপ প্রভাৱৰ ওপৰত ভিত্তি কৰি মনস্তত্ত্ববিদসকলে বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সমালোচনা আগবঢ়াইছে। কেতিয়াবা উচ্চ পর্যায়ৰ কোনো কাম সাধাৰণ মানদণ্ডৰ বুলি শ্রমিকসকলক কৰিবলৈ দিয়া হয়, যিয়ে শ্রমিকৰ স্বাস্থ্যৰ অৱনতি ঘটাব পাৰে।

সমগ্র প্রশাসনিক ব্যৱস্থাটোৰ সকলো দিশ সামৰি ল'বলৈ অক্ষম কাৰণে বহু চিন্তাবিদে এই তত্ত্বটো অসম্পূর্ণ বুলিব খোজে। মানুহৰ কর্ম-চেতনাৰ ক্ষেত্রতো এই তত্ত্বই এনে কিছুমান মতামত আগবঢ়াইছে যিবোৰক সম্পূর্ণ বুলিব পৰা নাযায়। এই তত্ত্বই অস্বীকাৰ কৰা সামাজিক আৰু মনস্তাত্ত্বিক কাৰকসমূহ বর্তমান সময়ত অতি উল্লেখযোগ্যৰূপে বিবেচনা কৰা হয়।

তথাপিও এই তত্ত্বৰ এনে কিছুমান গুণ আছে, যিবোৰক কোনোপধ্যেই অৱমাননা কৰিব পৰা নাযায়। বিংশ শতিকাৰ প্রথমার্ধৰ্ত আমেৰিকা যুক্তৰাষ্ট্রৰ প্রশাসনিক চিন্তা-চেতনাত এই তত্ত্বটোৱে সুদূৰপ্রসাৰী প্রভাৱ পেলাবলৈ সক্ষম হৈছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ ৰাষ্ট্রপতি ট্রাফ্‌টে (Taft) 'মিতব্যয়িতা আৰু দক্ষতা নির্ধাৰক আয়োগ (Commission of Economy and Efficiency) গঠন কৰি দিয়া কার্যই এই আন্দোলনৰ প্রভাৱৰ কথা স্পষ্ট ৰূপত প্রমাণ কৰে। পৰৱর্তী সময়ত প্রশাসনীয় কার্যদক্ষতাৰ মুখ্য প্রবক্তা হিচাপে পৰিচিত ৰাষ্ট্রপতি উইলছনেও (Wilson) গণতান্ত্রিক ভাবধাৰা আৰু প্রশাসনিক সেৱাৰ সংস্কাৰৰ জৰিয়তে গণতান্ত্রিক নীতি আৰু দক্ষতাৰ মাজত এক সৌহার্দ্যপূর্ণ সম্পর্ক প্রতিষ্ঠাৰ প্রচেষ্টা চলাইছিল। এনেদৰে টেইলৰৰ বিজ্ঞানসম্মত নীতিসমূহ আৰু গণতান্ত্রিক ভাবধাৰাৰ নীতিসমূহে আমেৰিকা যুক্তৰাষ্ট্রৰ লোক প্রশাসনৰ সম্মিলিত ৰূপ গঠন কৰিছিল। ইয়াৰ উপৰিও টেইলৰৰ দৃষ্টিভংগীয়ে পৰিচালনাৰ লগত জড়িত ব্যক্তিসকল আৰু শ্রমিকৰ ব্যৱহাৰৰ দিশত এক মানসিক বিপ্লৱ আনিবলৈ সক্ষম হয়। টেইলৰৰ চিন্তা-চর্চাই আভিযান্ত্রিক, ঔদ্যোগিক আৰু ব্যক্তিগত প্রশাসনৰ ক্ষেত্রতো অভূতপূর্ব পৰিবর্তন আনে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ টেইলৰে আগবঢ়োৱা বৈজ্ঞানিক পৰিচালনা তত্ত্বক সমালোচনা কৰা তিনিজন প্রখ্যাত ব্যক্তিৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৬ ঃ শ্রমিকসকলৰ দৃষ্টিকোণৰ পৰা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ তিনিটা সমালোচনা আগবঢ়াওক।

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ মনস্তত্ত্ববিদসকলৰ দৃষ্টিকোণৰ পৰা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ তিনিটা সমালোচনা আগবঢ়াওক।

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ৪.১

বৈজ্ঞানিক পৰিচালনাই উদ্যোগ ক্ষেত্ৰত মিতব্যয়িতা আৰু দক্ষতা বৃদ্ধি কৰে বুলি আপুনি ভাবে নেকি?

.....



৪.৫ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

- বৈজ্ঞানিক পৰিচালনা শব্দটোৱে কোনো এক ব্যৱসায়িক ক্ষেত্ৰৰ পৰিচালনাৰ দিশত বিজ্ঞানৰ প্ৰয়োগৰ কথা সূচায়। পৰম্পৰাগত পদ্ধতি আঁতৰাই বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰাটো ইয়াৰ মুখ্য উদ্দেশ্য।
- বৈজ্ঞানিক পৰিচালনাৰ মূল দৰ্শনৰ উৎপত্তি হৈছিল ফ্ৰেডেৰিক উইনশ্লৱ' টেইলৰ (Frederick Winslow Taylor) ৰ লিখনিত।
- বৈজ্ঞানিক পৰিচালনাৰ লক্ষ্যসমূহ — বৰ্ধিত উৎপাদন , গুণাগুণ নিয়ন্ত্ৰণ , ব্যয় সংকোচন, পেলনীয়া সামগ্ৰী নিঃশেষকৰণ , সঠিক কামৰ বাবে সঠিক ব্যক্তি , উদগনিমূলক মজুৰি।
- বৈজ্ঞানিক পৰিচালনাৰ লগত জড়িত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে পৰিচালনাৰ সমস্যা তথা কৰ্ম-পদ্ধতিসমূহ পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে সমাধান কৰি ঔদ্যোগিক উৎপাদন আৰু শ্ৰমিকৰ কৰ্মদক্ষতা বৃদ্ধি কৰা। ইয়াৰ বাবে টেইলৰে তিনিটা অৱধাৰণা দাঙি ধৰিছে।
- টেইলৰৰ মতে সকলো ধৰণৰ সংগঠনতে প্ৰযোজ্য হোৱাকৈ পৰিচালনাৰ কিছুমান নীতি থাকে। এই তত্ত্বৰ লগত জড়িত বিশেষ নীতিসমূহ হ'ল—মানদণ্ড সম্পন্ন কৰ্ম-পদ্ধতি।
- বৈজ্ঞানিক নিৰ্বাচন আৰু শ্ৰমিকৰ প্ৰশিক্ষণ , পৰিচালনা আৰু শ্ৰমিকৰ মাজত কৰ্মৰ সমবিভাজন , শ্ৰমিক আৰু পৰিচালনাৰ সামূহিক সহযোগ।

- বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বহুখিনি সুবিধা আছে।
- বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বহুখিনি সুবিধা থাকিলেও ইয়াৰ সীমাবদ্ধতাও নথকা নহয়। এই তত্ত্বটো শ্ৰমিক, নিয়োগকৰ্তা আৰু মনস্তত্ত্ববিদসকলৰ ফালৰ পৰা বিভিন্ন ধৰণৰ সমালোচনাৰ সন্মুখীন হ'বলগা আছে।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্ৰশাসন পৰিচয়*। ডিব্ৰুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭)। *স্নাতক মহলাৰ লোক প্ৰশাসন*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্ৰশাসন*। গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্টোৰচ।

ইংৰাজী গ্ৰন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেডেৰিক উইনস্ল' টেইলৰে আগবঢ়োৱা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ দুটা দিশ আছে। সেইবোৰ হ'ল—

(ক) যান্ত্ৰিক দিশ ঃ ইয়াৰ অন্তৰ্গত দিশবোৰ হ'ল— সময় আৰু গতি অধ্যয়ন, সা-সঁজুলি, পদ্ধতি আৰু কৰ্মৰ পৰিবেশৰ মানদণ্ড উন্নতকৰণ তথা মজুৰি প্ৰদানৰ পৰিবৰ্তিত খণ্ড-মূল্য পদ্ধতি ইত্যাদি।

(খ) দাৰ্শনিক দিশ ঃ ইয়াৰ অন্তৰ্ভুক্ত বিষয়বোৰ হৈছে— পদ্ধতিগত অনুসন্ধান আৰু পৰীক্ষা-নিৰীক্ষা ইত্যাদি।

২ নং প্ৰশ্নৰ উত্তৰ ঃবৈজ্ঞানিক পৰিচালনা তত্ত্বৰ লগত কিছুমান মৌলিক নীতি জড়িত হৈ আছে। তাৰে কিছুমান সংক্ষেপতে তলত উল্লেখ কৰা হ'ল—

(ক) কৰ্মপদ্ধতিৰ মানদণ্ডৰ উন্নতি সাধনে কোনো কাম দক্ষভাৱে কৰিবলৈ উদ্‌গনি যোগায়। অধিক উৎপাদন লাভ কৰিবলৈ আৰু একক মূল্য (unit cost) হ্ৰাস কৰিবলৈ হ'লে প্ৰতিটো কামেই বিজ্ঞানসন্মতভাৱে অনুসন্ধান কৰিব লাগে আৰু প্ৰতিজন শ্ৰমিককে দৈনন্দিন কাম নিৰ্ধাৰণ কৰি দিব লাগে। যদিহে শ্ৰমিকৰ উৎপাদন ক্ষমতা বৃদ্ধি হয়, তেন্তে তেওঁক পুৰস্কৃত কৰিব লাগে অন্যথা তেওঁক জৰিমণা বিহিব লাগে।

(খ) কাৰ্যক্ষেত্ৰত মিতব্যয়িতা আৰু দক্ষতা বৃদ্ধিৰ বাবে শ্ৰমিকসকলক বিজ্ঞানসন্মতভাৱে নিৰ্বাচন, নিয়োগ আৰু প্ৰশিক্ষণ দিব লাগে।

(গ) শ্ৰমিক আৰু পৰিচালনাৰ মাজত কৰ্মৰ সমবিভাজনে ঔদ্যোগিক ক্ষেত্ৰৰ কাম-কাজ সুচাৰুৰূপে পৰিকল্পনা কৰাত অৰিহণা যোগায়। পৰিচালনাৰ লগত জড়িত ব্যক্তিসকলে সেয়ে সংগঠন আৰু কৰ্ম-পদ্ধতি নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণৰ দায়িত্ব পালন কৰিব লাগে।

(ঘ) শ্ৰমিক আৰু পৰিচালনাৰ মাজত সামূহিক সহযোগিতা, আস্থা, বিশ্বাস আৰু বুজা-পৰা থকাটো বাঞ্ছনীয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃবৈজ্ঞানিক পৰিচালনা তত্ত্বৰ তিনিজন প্ৰখ্যাত প্ৰবক্তা হৈছে— ফ্ৰেডেৰিক উইনশ্লৱ' টেইলৰ (Frederick Winslow Taylor), ফ্ৰাংক আৰু লিলিয়ান গিলবাৰ্থ (Frank and Lillian Gilberth) আৰু হেনৰি এল গাণ্ট (Henry L. Gantt).

৪ নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃবৈজ্ঞানিক পৰিচালনা তত্ত্বক সমালোচনা কৰা তিনিজন প্ৰখ্যাত চিন্তাবিদ হ'ল— অলিভাৰ শ্বেলড্‌ন (Oliver Sheldon), এলটন মেয়' (Elton Mayo) আৰু পিটাৰ ড্ৰাকাৰ (Peter Drucker)।

৬ নং প্ৰশ্নৰ উত্তৰ ঃশ্ৰমিকৰ দৃষ্টিকোণৰ পৰা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সমালোচনাসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) শ্ৰমিকৰ কামৰ ক্ষিপ্ৰতা বৃদ্ধি ঃ শ্ৰমিকসকলে যুক্তি প্ৰদৰ্শন কৰে যে বৈজ্ঞানিক পৰিচালনাৰ মূল উদ্দেশ্য হৈছে শ্ৰমিকসকলক অত্যধিক শ্ৰম কৰিবলৈ বল প্ৰয়োগ কৰা যিটো শ্ৰমিকৰ দৈহিক তথা মানসিক স্বাস্থ্যৰ বাবে ক্ষতিকাৰক।

(খ) নিবনুৱা সমস্যা ঃ মানদণ্ডসম্পন্ন পদ্ধতি, সা-সঁজুলি আৰু কৌশলৰ প্ৰচলনৰ ফলত প্ৰতিজন শ্ৰমিকৰ বিপৰীতে উৎপাদন বৃদ্ধি হোৱাত ভৱিষ্যতে নিয়োগৰ সংযোগ হ্ৰাস হ'ব বুলি ভীতিগ্ৰস্ত হৈ শ্ৰমিকসকলে ইয়াৰ সমালোচনা কৰে।

(গ) অনীহা ঃ বৈজ্ঞানিক পৰিচালনাৰ ফলত শ্ৰমিকে দৈনন্দিন একেখিনি কামকে কৰিবলগীয়া হোৱা হেতুকে শ্ৰমিকসকলৰ মাজত একঘেয়ামী সমস্যাই দেখা দিব পাৰে আৰু তেওঁলোকে অন্য উদ্যোগত কাম বিচাৰি গুচি যাব পাৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃমনস্তত্ত্ববিদসকলে বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ বিষয়ে আগবঢ়োৱা তিনিটা সমালোচনা হৈছে—

(ক) যান্ত্রিক দৃষ্টিভংগী ঃ বৈজ্ঞানিক পৰিচালনাই শ্রমিকসকলৰ প্রতি একধৰণৰ যান্ত্রিক দৃষ্টিভংগী গ্রহণ কৰে বুলি মনস্তত্ত্ববিদসকলে মতামত পোষণ কৰে। শ্রমিকৰ কোনোধৰণৰ কৰ্মপ্রচেষ্টাক গুৰুত্ব দিয়া নহয় আৰু প্রতিমুহূৰ্ততে তেওঁলোকে পৰিচালনাৰ পৰা অহা নির্দেশ মানি চলিব লাগে।

(খ) সঠিক কৰ্মনিষ্ঠাৰ অভাৱ ঃ বৈজ্ঞানিক পৰিচালনা পদ্ধতিৰ অধীনত শ্রমিকৰ মজুৰি খণ্ড-কৰ্ম-ব্যৱস্থামতে প্রদান কৰা হয়। এনে ব্যৱস্থাত শ্রমিকৰ বাবে ন্যূনতম মজুৰিৰ নিশ্চয়তা নাথাকে।

(গ) শ্রমিকৰ কৰ্মৰ ক্ষিপ্রতা বৃদ্ধি ঃ কৰ্মৰ গতি ক্ষিপ্র কৰাৰ ফলত শ্রমিকৰ দৈহিক আৰু মানসিক স্বাস্থ্যলৈ আহিব পৰা ভাবুকি সম্পর্কে বৈজ্ঞানিক পৰিচালনাই কোনো গুৰুত্ব নিদিয়ে বুলি মনস্তত্ত্ববিদসকলে ইয়াৰ তীব্র সমালোচনা কৰে।



৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ শ্রমিকসকসকলৰ দৃষ্টিকোণৰ পৰা বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ তিনিটা সমালোচনা আগবঢ়াওক।

প্রশ্ন ২ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ যিকোনো দুটা সুবিধা উল্লেখ কৰক।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ফ্রেডেৰিক টেইলৰে তেওঁৰ বৈজ্ঞানিক পৰিচালনা তত্ত্বত আগবঢ়োৱা চাৰিটা নীতিৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ বৈজ্ঞানিক পৰিচালনাৰ লক্ষ্য সম্পর্কে এটি আলোচনা যুগুত কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ মূল বৈশিষ্ট্যসমূহৰ বিষয়ে এটি বর্ণনাত্মক টোকা প্রস্তুত কৰক।

প্রশ্ন ২ঃ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ এটি সমালোচনামূলক টোকা যুগুত কৰক।

* * * * *

অধ্যায় ৫ ঃ মানৱীয় সম্পৰ্ক তত্ত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ মানৱ সম্পৰ্ক তত্ত্বৰ ক্ৰমবিকাশ

৫.৩.১ হথৰ্ণ পৰীক্ষা

৫.৪ মানৱীয় সম্পৰ্ক তত্ত্বৰ উপাদানসমূহ

৫.৪.১ চেষ্টাৰ আই বার্ণার্ডৰ মতামত

৫.৪.২ মানৱীয় সম্পৰ্ক তত্ত্বৰ সমালোচনা

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱীয় সম্পৰ্ক তত্ত্বৰ ক্ৰমবিকাশ আলোচনা কৰিব পাৰিব
- মানৱীয় সম্পৰ্ক ধাৰণাৰ ব্যাখ্যা কৰিব পাৰিব
- মানৱীয় সম্পৰ্ক তত্ত্বৰ উপাদান সমূহ ব্যাখ্যা কৰিব পাৰিব
- মানৱীয় সম্পৰ্ক তত্ত্বৰ সমালোচনাৰ ওপৰত আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

আগৰ অধ্যায়ত আলোচনা কৰা আমোলতান্ত্ৰীক আৰু বৈজ্ঞানিক পৰিচালনা তত্ত্ব সংগঠন আৰু পৰিচালনাৰ সংস্থাপিত তত্ত্ব বুলি কোৱা হয়। সাধাৰণতে সংস্থাপিত তত্ত্বই সংগঠনৰ লক্ষ্য যেনেকৈ উৎপাদন, গঠন আৰু লাভৰ চৰমসীমা প্ৰকাশ কৰে। যদিও এই লক্ষ্যসমূহ এটা সংগঠনৰ বাবে প্ৰয়োজন ঠিক একেদৰেই সাংগঠনিক কৰ্মৰ বাবে সামাজিক আৰু মনোবৈজ্ঞানিক উপাদানসমূহৰো সমানে প্ৰয়োজন আছে। মানৱ সম্পৰ্কৰ আন্দোলন সৰ্বপ্ৰথম উদ্যোগিক সংগঠনত দেখা গৈছিল যত সংগঠনৰ মানৱীয় দিশটোৰ প্ৰয়োজন মনোবৈজ্ঞানিক আৰু সামাজিক দৃষ্টিকোণৰ পৰা কৰ্মীসকলৰ ব্যক্তিগত আৰু কৰ্মী গোটৰ সদস্য হিচাপে অনুভৱ কৰা হৈছিল। সেয়ে কৰ্ম সন্তুষ্টি, ব্যক্তিগত স্বীকৃতি আৰু ব্যক্তিগত বিকাশক প্ৰাধান্য দিয়া হৈছিল।

৫.৩ মানৱীয় সম্পৰ্ক তত্ত্বৰ ক্ৰমবিকাশ

মানৱীয় সম্পৰ্ক তত্ত্ব সংগঠনৰ সংস্থাপিত তত্ত্ব যেনে ফ্ৰেডেৰিক টেইলৰ বৈজ্ঞানিক পৰিচালনা তত্ত্ব আৰু হেনৰি ফ্ৰয়েলৰ প্ৰশাসনীয় তত্ত্বৰ প্ৰতিক্ৰিয়া হিচাপে উৎপত্তি হৈছিল।

১৯২০ চনলৈকে যান্ত্ৰিক পৰিচালনা তত্ত্ব সংগঠনৰ লক্ষ্যৰ লগত জড়িত আছিল। তেনেদৰে ১৯২০ চনৰ দশকত বেছিভাগ উদ্যোগিক সংগঠনে তেওঁলোকৰ উদ্যোগিক পৰিচালনাত পৈতৃকতাবাদ লগ লগাইছিল যাৰ দ্বাৰা সেই সময়ৰ কৰ্মীসকলৰ প্ৰতি নৈব্যক্তিক আচৰণক কৰ্তৃপক্ষই পৈতৃক আৰু আশ্ৰয় সুলভ ব্যৱহাৰলৈ ৰূপান্তৰিত কৰে। অৱশ্যে কৰ্মীসকল সেই সময়ৰ পৈতৃক আচৰণৰ দ্বাৰা সন্তুষ্ট হোৱা নাছিল কাৰণ কৰ্মীসকলৰ কল্যাণতকৈ লাভৰ দিশটোহে বিবেচনা কৰা হৈছিল। ১৯৩০ চনৰ পৰা বৃহৎ মন্দাৱস্থাত পৈতৃকতা বাদৰ ধ্বংস হয়। ১৯৩০ চনৰ পৰা এলটন মেয়ো আৰু তেওঁৰ সহযোগীসকলৰ পৃষ্ঠপোষকতাত উদ্যোগিক প্ৰতিষ্ঠান-সমূহত 'মানৱীয় সম্পৰ্ক' শিৰোনামাৰ আৰম্ভণি হয়। মেয়োৰ মতে এজন কৰ্মী পণ্যবস্তু নহয়, তেওঁ এজন মানৱ জীৱহে।



জানি থোৱা ভাল

জৰ্জ এলটন মেয়ো (১৯৪০-১৯৪৯) এজন আমেৰিকাৰ সমাজবাদী। এলটন মেয়ো আৰু তেওঁৰ সহযোগীসকলে ১৯২৪ চনৰ পৰা ১৯৩২ চনলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰৰ ওচৰত অৱস্থিত ৱেষ্টাৰ্ণ ইলেক্ট্ৰিক কোম্পানীৰ হথৰ্ণ কাৰখানাত গৱেষণা কৰিছিল। হথৰ্ণৰ অধ্যয়নে এক নতুন বিপ্লৱৰ সূচনা কৰিছিল। কাৰণ ই সংগঠনত কাম কৰা অনানুষ্ঠানিক গোট আৰু মনো-সামাজিক দিশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। মানৱ সম্পৰ্ক আন্দোলনত হথৰ্ণৰ পৰীক্ষাই প্ৰত্যক্ষভাৱে উৎসাহ দিছিল।

৫.৩.১ হথৰ্ণ পৰীক্ষা

এলটন মেয়ো আৰু তেওঁৰ সহযোগীসকলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱেষ্টাৰ্ণ ইলেক্ট্ৰিক কোম্পানীৰ হথৰ্ণ কাৰখানাত কৰা পৰীক্ষাই বিশেষকৈ মানৱ সম্পৰ্ক আন্দোলনত উৎসাহিত কৰিছিল। এই অধ্যয়নক পৰিচালনা আৰু সাংগঠনিক আচৰণৰ ক্ষেত্ৰ বুলিব পাৰি। হথৰ্ণ পৰীক্ষাটো তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

ক) আলোকিতকৰণ পৰীক্ষা ঃ

এইটো অধ্যয়নৰ প্ৰথম স্তৰ। এই স্তৰত বিশ্বাস কৰা হৈছিল যে উৎপাদন প্ৰতক্ষভাৱে পোহৰৰ লগত জড়িত আৰু ইয়াৰ পৰীক্ষাৰ বাবে দুই শ্ৰেণীৰ কৰ্মী বাছিলোৱা হৈছিল। এক শ্ৰেণীক 'নিয়ন্ত্ৰিত গোট' যিয়ে অলৰ অচৰ পোহৰৰ তলত কাম কৰে আৰু আনটো

হ'ল 'পৰীক্ষা গোট' যিয়ে পৰিৱৰ্তীত পোহৰত কাম কৰে। ইয়াৰ ফলাফলত দুয়োটা গোটৰ উৎপাদন বৃদ্ধি পোৱা দেখা গৈছিল যেতিয়া পৰীক্ষা গোটৰ কৰ্মস্থানত পোহৰ কম আছিল।

খ) ৰীলে এচেম্ব্লী ষ্টেট ৰুম (চুইচ নিৰ্মাণ পৰীক্ষণ কোঠা) ঃ

এই স্তৰত ৬জনী মহিলাৰ এটা গোট কৰা হয়। এই মহিলাসকলৰ মাজত বন্ধুত্ব আছে। সিহঁতক পৰীক্ষাটোৰ বিষয়ে অৱগত কৰি এটা পৃথক কোঠাত এক অনানুষ্ঠানিক পৰিৱেশত এজন গৱেষণা পৰিদৰ্শকৰ লগত কাম কৰিবলৈ দিয়া হয়। সেই পৰিদৰ্শকজন তেওঁলোকৰ বন্ধু, দাৰ্শনিক আৰু বাট দেখুৱাওতা। যেতিয়া সকলোবোৰ উন্নতি কৰ্ম পৰিস্থিতিৰ পৰা দুৰত ৰখা হয় তেতিয়া উৎপাদন বাঢ়ি গৈ এটা উচ্চতম স্তৰত ৰৈ যায়। গৱেষকসকলে এই নিৰীক্ষণ তলৰ উপাদানসমূহেৰে আৱোপণ কৰিছে ঃ ছোৱালী কেইজনীৰ ওপৰত গৱেষণাত অংশ গ্ৰহণ কৰাৰ বাবে দিয়া গুৰুত্ব, গোটক দিয়া উচ্চ মানৰ পৰিৱেশৰ লগতে বন্ধুত্ব সুলভ আৰু সামাজিক সম্পৰ্ক আৰু গোটসমূহৰ মাজত থকা উচ্চ ন্যায়সংগত সম্বন্ধ।

গ) সাক্ষাতকাৰ কাৰ্যক্ৰম ঃ

এই স্তৰত কমেও ২০,০০০ কৰ্মীৰ সাক্ষাতকাৰ লোৱা হয় য'ত তেওঁলোকক পৰিদৰ্শন কৰ্ম পৰিস্থিতি, জীৱন ধাৰণৰ অৱস্থা আদিৰ বিষয়ে প্ৰশ্ন কৰা হয়। লাহে লাহে সাক্ষাতকাৰটো বেছি পৰিচালক বিহিন হয় য'ত কৰ্মীসকলে তেওঁলোকৰ কাম কৰা পৰিৱেশৰ লগত ভাললগা বিষয়টোৰ ওপৰত মুক্তভাৱে কথা কব পাৰে। এই অধ্যয়নে প্ৰমাণ কৰে যে সংগঠনৰ ভিতৰত কৰ্মীসকলৰ সামাজিক সম্বন্ধই তেওঁলোকৰ আচৰণ আৰু ব্যৱহাৰত বহু পৰিমাণে প্ৰভাৱ পেলাই।

ঘ) বেংক ৱাইৰিং পৰ্যবেক্ষণ কোঠা ঃ

এই অধ্যয়নটোত টেলিফোনৰ 'ৱাইৰিং' প্ৰস্তুত কৰা ১৪জন কৰ্মী সোমাই আছে। এই অধ্যায়নটোৱে অনানুষ্ঠানিক গোট এটাৰ সকলো প্ৰকৃতি প্ৰকাশ কৰিছে। এই অনানুষ্ঠানিক গোটসমূহৰ সদস্যসকলে তেওঁলোকৰ মাত্ৰা উৎপাদনৰ মাত্ৰা অটুত ৰাখে। পৰীক্ষামূলক গোটৰ ক্ষেত্ৰতো দেখা গৈছিল যে গোটটোৱে ইয়াৰ প্ৰতিজন কৰ্মীৰ বাবে উৎপাদন মাত্ৰা সৃষ্টি কৰিছিল, আৰু এইসমূহ পৰিচালকৰ সিদ্ধান্ততকৈ যথেষ্ট নিম্ন স্তৰৰ আছিল। এইটোৱে বুজাই যে উদগনিমূলক পদ্ধতি কৰ্মীসকলৰ বাবে অৰ্থহীন। যিসকল কৰ্মীয়ে তেওঁলোকৰ গোটৰ দ্বাৰা নিৰ্ধাৰিত উৎপাদন মাত্ৰাতকৈ অধিক উৎপাদন কৰিবলৈ চেষ্টা কৰিছিল, তেওঁলোক গোটৰ দ্বাৰা বিভিন্নধৰণে পৃথক কৰা বা শাস্তি দিয়া হৈছিল। এই অধ্যয়নটোৱে প্ৰকাশ কৰিছে যে অনানুষ্ঠানিক সংগঠনৰ সদস্যসকলৰ মাজত অনানুষ্ঠানিক শ্ৰেণী বিভাজন আছে। ই গোট আৰু ইয়াৰ নেতাসকলৰ মাজত আন্তঃসামাজিক গাঁথনি নিৰ্ধাৰণ কৰে।

হথৰ্ণৰ গোটেই পৰ্যবেক্ষণটোত প্ৰকাশ পাইছিল যে মনো-সামাজিক উপাদানবোৰ, যেনে— বনুৱাসকলৰ মাজৰ সামাজিক বা মানৱীয় সম্পৰ্ক, প্ৰয়োজনৰ অনুভূতি, স্বীকৃতি, কৰ্মীৰ কৰ্ম অংশগ্ৰহণ আৰু মনোযোগ, সৰু আৰু অনানুষ্ঠানিক কৰ্মী গোট আৰু অনিৰ্দেশিত নিৰীক্ষণ— এই সকেলোবোৰ অনানুষ্ঠানিক সংগঠনৰ কৰ্মীসকলৰ উৎপাদন ক্ষমতাৰ লগত নিহিত হৈ থাকে। ১৯৪১ চনত হথৰ্ণৰ অধ্যয়নটো 'Management and the Worker' নামৰ গ্ৰন্থখনত প্ৰকাশ পায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হথৰ্ণৰ পৰীক্ষা ..... আৰু তেওঁৰ সহযোগীসকলে কৰিছিল। (খালী ঠাই পুৰ কৰক)

.....

প্ৰশ্ন নং ২ ঃ ১৯২০ চনৰ পৰা বেছিভাগ উদ্যোগিক সংগঠনত পৈতিকতাবাদৰ আচৰণ দেখা যায়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ হথৰ্ণৰ অধ্যয়নত প্ৰকাশ পোৱা কিতাপখনৰ নাম কি?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ হথৰ্ণৰ পৰীক্ষাৰ প্ৰধান ফলাফলবোৰ ব্যাখ্যা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৫.৪ মানৱীয় সম্পৰ্ক তত্ত্বৰ উপাদানসমূহ

মানৱীয় সম্পৰ্ক তত্ত্বত প্ৰধানকৈ তিনিটা উপাদান পোৱা যায়— ব্যক্তি, কৰ্মী গোট আৰু অংশ গ্ৰহণকাৰীৰ পৰিচালনা।

- **ব্যক্তি ঃ** প্ৰতিজন কৰ্মীয়েই অদ্বিতীয়। প্ৰত্যেকে কৰ্ম পৰিস্থিতিলৈ কিছুমান বিশেষ আচৰণ, বিশ্বাস আৰু কিছুমান বিশেষ যান্ত্ৰিক, সামাজিক আৰু নৈতিক কৌশল কঢ়িয়াই আনে। কৰ্মীসকলক অৰ্থনৈতিক উপাদানৰ বাদেও কিছুমান সামাজিক আৰু মনোবৈজ্ঞানিক উপাদানে উৎসাহিত কৰে।

- **কর্মী গোট** (অনানুষ্ঠানিক সংগঠন) ঃ ইয়াৰ দ্বিতীয় উপাদান হ'ল অনানুষ্ঠানিক সংগঠন যি অনানুষ্ঠানিক সংগঠনৰ আৱঁত থাকে।
- **অংশগ্রহণকাৰীৰ পৰিচালনা** ঃ মানৱীয় সম্পৰ্ক তত্ত্বৰ তৃতীয় উপাদান হ'ল অংশগ্রহণ-কাৰীৰ পৰিচালনা। অংশগ্রহণকাৰীৰ পৰিচালনাই কর্ম পৰিস্থিতিত কর্মীসকলৰ সিদ্ধান্ত গ্রহণত অংশগ্রহণ কৰাক বুজাই। কর্মীসকলে নিৰীক্ষকৰ সৈতে কর্ম পৰিস্থিতিৰ সমস্যা আলোচনা কৰে আৰু সিদ্ধান্ত গ্রহণত প্রভাৱ বিস্তাৰ কৰে।

৫.৪.১ চেষ্টাৰ আই বার্ণার্ডৰ মতামত

চেষ্টাৰ আই বার্ণার্ড এলটন মেয়োৰ সমসাময়িক আছিল। তেওঁ এজন আমেৰিকাৰ ব্যৱসায়িক বিষয়া। বার্ণার্ডে ১ ৯৩৮ চনত তেওঁৰ প্রকাশিত গ্রন্থ 'The Functions of the Executive'ত তেওঁৰ মতামত দিছিল। তেওঁৰ মতে আনুষ্ঠানিক সংগঠনসমূহ কৃত্রিম ব্যৱস্থা যিবোৰ প্রাকৃতিক ব্যৱস্থাৰ আনানুষ্ঠানিক সংগঠনসমূহৰ পৰা উদ্ভৱ হয়। আনহাতে আনুষ্ঠানিক সংগঠন সমূহে নতুন অনানুষ্ঠানিক সংগঠন সৃষ্টি কৰে। অনানুষ্ঠানিক সংগঠন সমূহে তিনিটা কার্যকড়িয়াই আনে—

(ক) আনুষ্ঠানিক সংযোগৰ উপযুক্ত বিকল্প ব্যৱস্থা কৰি যোগাযোগ বৃদ্ধি কৰা।

(খ) সংগঠনৰ মনো-সামাজিক ঐক্য অটুট ৰখা।

(গ) অনানুষ্ঠানিক বান্ধোন আৰু কার্যকলাপৰ বিকাশ আৰু সদস্য সকলৰ ব্যক্তিগত গুৰুত্বৰ অনুভৱ গঢ়ি তোলা।

বার্ণার্ডৰ মতে যথার্থ আনুষ্ঠানিক গঠনৰ বাবে অনানুষ্টানিক সংগঠনৰ প্রয়োজন। অনানুষ্ঠানিক সংগঠন সমূহে সদস্যসকলৰ মাজত সম্পৰ্ক স্থাপন কৰে যিটো আনুষ্ঠানিক সংগঠনত সম্ভৱ নহয়।

৫.৪.২ মানৱীয় সম্পৰ্ক তত্ত্বৰ সমালোচনা

মানৱীয় সম্পৰ্ক তত্ত্ব বিভিন্ন দিশৰ পৰা সমালোচনা কৰিব পাৰি। এইবোৰ তলত আলোচনা কৰা হ'ল—

- মানৱীয় সম্পৰ্ক তত্ত্বই সাংগঠনিক পৰিৱেশৰ বাহিৰৰ উপাদানসমূহ যেনে কর্মীৰ সামাজিক পটভূমি অস্বীকাৰ কৰে, যদিও কর্মীসকলৰ আচৰণ আৰু ব্যৱহাৰ গঢ়াত ইয়ে সহায় কৰে।
- এই গোটেই তত্ত্বটোৱে মানুহৰ জটিল আৰু বিস্তৃত প্রয়োজনসমূহ স্বীকৃতি দিয়াত ব্যর্থ হৈছে।

- মানৱীয় সম্পৰ্ক তত্ত্বই সংগঠনৰ কর্মী আৰু পৰিচালনাৰ মাজত বিবাদৰ সম্ভাৱনা নুই কৰিছে।
- এল্টন মোয়েক মুক্ত সমাজৰ কর্মচাৰী সন্থাসমূহক গুৰুত্ব নিদিয়াৰ বাবে আলোচনা কৰিছে। সমালোচকসকলে মেয়োক সন্থাবিৰোধী আৰু পৰিচালনা স্ব-পক্ষেয় বুলি সমালোচনা কৰিছে।
- হথর্ণৰ অধ্যয়নক উপযুক্ত কঠোৰতা নথকাৰ বাবে সমালোচনা কৰা হয়। এইটো উল্লেক কৰিব পাৰি যে গৱেষকসকলৰ সাধাৰণতে কিছুমান নিজা পূর্ব ধাৰণা থাকে আৰু গৱেষণাৰ পৰিসমাপ্তি এই পূর্ব ধাৰণা আৰু ব্যক্তিগত ধাৰণাৰ ওপৰত নির্ধাৰণ কৰা হয়।
- এইটো পুনৰ উল্লেখ কৰিব পাৰি যে ভ্রমণ সভা পৰীক্ষা কোঠাৰ ৬ জনী ছোৱালীৰ গোটটোৰ মাজত আগৰ পৰাই সহযোগীতা আছে আৰু সিহঁতগৱেষণাত অংশগ্রহণ কৰিবলৈ আগ্রহী। সেয়ে এনেধৰণৰ ৫ বা ৬গৰাকী ছোৱালীৰ আর্হিক শ্রেণীভুক্তিকৰণৰ বাবে যথোপযোগী আর্হি বুলিব নোৱাৰি।

এই সমালোচনাসমূহ থকাৰ সত্বেও সাংগঠনিক তত্ত্বত মানৱীয় সম্পৰ্ক তত্ত্বৰ বিশেষ গুৰুত্ব আছে। মানৱীয় সম্পৰ্ক তত্ত্বই সর্ব প্রথমে কর্ম পৰিস্থিতিত মানৱীয় উপাদানসমূহ প্রকাশ কৰে। এই তত্ত্বটোৱে স্পষ্ট কৰি দিয়ে যে কর্মীয়ে কেৱল টকাৰ কাৰণে কাম নকৰে। বিত্তবিহীন সন্মানে তেওঁলোকৰ আচৰণ আৰু উৎপাদনৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এল্টন মোয়োৰ অৱদান উদ্যোগিক ক্ষেত্রৰ বাবে উপযোগী হোৱাৰ উপৰিও লোক প্রশাসনৰ বাবেও উপযোগী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মানৱীয় সম্পৰ্ক তত্ত্বই প্রকাশ কৰা তিনিটা উপাদান লিখক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ অনানুষ্ঠানিক সংগঠনৰ তিনিটা নিশ্চিত কার্য লিখক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ চেষ্টাৰ আই বার্ণার্ডে কৈছে যে অনানুষ্ঠানিক সংগঠন এক কৃত্ৰিম ব্যৱস্থা। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৮ ঃ মানৱীয় সম্পৰ্ক তত্ত্বৰ দুটা সমালোচনা উল্লেখ কৰক।

.....

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱীয় সম্পৰ্ক তত্ত্ব সংগঠনৰ সংস্থাপিত তত্ত্ব যেনে ফ্ৰেডে�ৰিক টেইলৰ বৈজ্ঞানিক পৰিচালনা তত্ত্ব আৰু হেনৰি ফ্ৰয়েলৰ প্ৰশাসনীয় তত্ত্বৰ প্ৰতিক্ৰিয়া হিচাপে উৎপত্তি হৈছিল।
- ১৯৩০ চনৰ পৰা এলটন মেয়ো আৰু তেওঁৰ সহযোগীসকলৰ পৃষ্ঠপোষকতাত উদ্যোগিক প্ৰতিষ্ঠান-সমূহত 'মানৱীয় সম্পৰ্ক' শিৰোনামাৰ আৰম্ভণি হয়। মেয়োৰ মতে এজন কৰ্মী পণ্যবস্তু নহয়, তেওঁ এজন মানৱ জীৱহে।
- এলটন মেয়ো আৰু তেওঁৰ সহযোগীসকলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱেষ্টার্ণ ইলেক্ট্ৰিক কোম্পানীৰ হথর্ণ কাৰখানাত কৰা পৰীক্ষাই বিশেষকৈ মানৱ সম্পৰ্ক আন্দোলনত উৎসাহিত কৰিছিল।
- হথর্ণ অধ্যয়নক পৰিচালনা আৰু সাংগঠনিক আচৰণৰ ক্ষেত্ৰ বুলিব পাৰি। এই পৰীক্ষাটো এনে ধৰণে আলোচনা কৰিব পাৰি— আলোকিতকৰণ পৰীক্ষা , ৰীলে এচেম্ব্লী ষ্টেট ৰুম (চুইচ নিৰ্মাণ পৰীক্ষণ কোঠা) , সাক্ষাতকাৰ কাৰ্যক্ৰম , বেংক ৱাইৰিং পৰ্যবেক্ষণ কোঠা ।
- মানৱীয় সম্পৰ্ক তত্ত্বত প্ৰধানকৈ তিনিটা উপাদান পোৱা যায়— ব্যক্তি, কৰ্মী গোট আৰু অংশ গ্ৰহণকাৰীৰ পৰিচালনা।
- চষ্টাৰ আই বার্ণার্ড এলটন মেয়োৰ সমসাময়িক আছিল। বার্ণার্ডে ১ ৯৩৮ চনত তেওঁৰ প্ৰকাশিত গ্ৰন্থ 'The Functions of the Executive'ত তেওঁৰ মতামত দিছিল। তেওঁৰ

মতে আনুষ্ঠানিক সংগঠনসমূহ কৃত্রিম ব্যৱস্থা যিবোৰ প্ৰাকৃতিক ব্যৱস্থাৰ আনানুষ্ঠানিক সংগঠনসমূহৰ পৰা উদ্ভৱ হয়। আনহাতে আনুষ্ঠানিক সংগঠন সমূহে নতুন অনানুষ্ঠানিক সংগঠন সৃষ্টি কৰে।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্ৰশাসন পৰিচয়*। ডিব্ৰুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭)। *স্নাতক মহলাৰ লোক প্ৰশাসন*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্ৰশাসন*। গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

ইংৰাজী গ্ৰন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



৫.৭ অগ্ৰগতিৰ খতিয়ান

অগ্ৰগতি নিৰীক্ষণ-১

১ নং প্ৰশ্নৰ উত্তৰ ঃ এলটন মেয়ো

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ "Management and the Worker"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হথৰ্ণৰ গোটেই পৰ্যবেক্ষণটোত প্ৰকাশ পাইছিল যে মনো-সামাজিক উপাদানবোৰ, যেনে— কৰ্মীসকলৰ মাজৰ সামাজিক বা মানৱীয় সম্পৰ্ক, প্ৰয়োজনৰ অনুভুতি, স্বীকৃতি, কৰ্মীৰ কৰ্ম অংশগ্ৰহণ আৰু মনোযোগ সৰু আৰু

অনানুষ্ঠানিক কর্মী গোট, অনির্দেশিত নিৰীক্ষণ— এই সকলোবোৰ অনানুষ্ঠানিক সংগঠনৰ কর্মীসকলৰ উৎপাদন ক্ষমতাৰ লগত নিহিত হৈ থাকে। ১৯৪১ চনত হৃথর্ণৰ অধ্যয়নটো 'Management and the Worker' নামৰ গ্রন্থখনত প্রকাশ পায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি, কর্মী গোটৰ সামাজিক ধাৰণা (অনানুষ্ঠানিক সংগঠন) আৰু অংশগ্রহণকাৰীৰ পৰিচালনা।

৬ নং প্রশ্নৰ উত্তৰ ঃ

ক) আনুষ্ঠানিক সংযোগৰ উপযুক্ত বিকল্প ব্যৱস্থা কৰি যোগাযোগ বৃদ্ধি কৰা।

খ) সংগঠনৰ মনো-সামাজিক ন্যায় অটুত ৰখা।

গ) অনানুষ্ঠানিক বান্ধোন আৰু কার্যকলাপৰ বিকাশ আৰু সদস্যসকলৰ ব্যক্তিগত গুৰুত্ব অনুভৱ গঢ়ি তোলা।

৭ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

৮ নং প্রশ্নৰ উত্তৰ ঃ

ক) মানৱীয় সম্পৰ্ক তত্ত্বই সাংগঠনিক পৰিৱেশৰ বাহিৰৰ উপাদানসমূহ যেনে কর্মীৰ সামাজিক পটভূমি অস্বীকাৰ কৰে, যদিও কর্মীসকলৰ আচৰণ আৰু ব্যৱহাৰ গঢ়াত ইয়ে সহায় কৰে।

খ) মানৱীয় সম্পৰ্ক তত্ত্বই সংগঠনৰ কর্মী আৰু পৰিচালনাৰ মাজত বিবাদৰ সম্ভাৱনা নুই কৰিছে।



৫.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ কোন উদ্যোগত হৃথর্নৰ পৰীক্ষা অনুষ্ঠিত হৈছিল?

প্রশ্ন ২ঃ চেষ্টাৰ আই বার্ণার্ডৰ মানৱীয় সম্পৰ্ক তত্ত্বৰ ওপৰত মতামত আগবঢ়োৱা গ্রন্থ খনৰ নাম কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মানৱীয় সম্পৰ্ক তত্ত্বৰ উপাদানসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ মানৱীয় সম্পৰ্ক তত্ত্ব সম্পৰ্কে থকা চেষ্টাৰ আই বার্ণার্ডৰ মতামত ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ হৃথর্নৰ পৰীক্ষাৰ ওপৰত এটা চমুটোকা লিখক। মানৱীয় সম্পৰ্ক তত্ত্বৰ দুটা সমালোচনা উল্লেখ কৰক।

* * * * *

অধ্যায় ৬ ঃ প্রণোদন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ প্রণোদনৰ অভিধা

৬.৪ প্রণোদনৰ বিভিন্ন তত্ত্ব

৬.৪.১ উদগণিমূলক তত্ত্ব (Incentive Theory)

৬.৪.২ সন্তুষ্টি তত্ত্ব ঃ মাছল' (Maslow)ৰ গুৰুত্ব ক্রমিক প্রয়োজন তত্ত্ব (Hierarchy of Needs Theory) আৰু হার্জবার্গ (Herzberg)ৰ দ্বিকাৰক তত্ত্ব (Two-Factor Theory)

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রশাসনিক ক্ষেত্রত প্রণোদনৰ তাৎপর্য আৰু গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- অন্তঃপ্রসূত প্রণোদন (Intrinsic Motivation) আৰু বহ্যিক প্রণোদন (Extrinsic Motivation)ৰ প্রাসংগিক অর্থ ব্যাখ্যা কৰিব পাৰিব
- প্রণোদনৰ "উদগণিমূলক তত্ত্ব" (Incentive Theory)ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- মাছল' (Maslow)ৰ "প্রয়োজনৰ গুৰুত্বক্রম" (hierarchy of needs) তত্ত্ব আৰু হার্টজবার্গ (Hertzberg)ৰ "দ্বিকাৰক" (Two Factor) তত্ত্ব "সন্তুস্তি তত্ত্ব" (Content Theories) সমূহ আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

যিকোনো অনুষ্ঠান-প্রতিষ্ঠানৰ প্রশাসন প্রণালীৰ গুণাগুণ বিশ্লেষণত কর্মচাৰীসকলৰ প্রণোদন অর্থাৎ কর্ম্মোদম মাত্রাত আলোকপাত কৰাটো অত্যন্ত প্রয়োজনীয়। এইটো দায়িত্বন্যষ্ট প্রশাসক সকলৰ ব্যৱহাৰ সংক্রান্তিয় বিষয়। প্রশাসনিক কার্যত নিয়োজিতসকলৰ পৰা আশানুৰূপ কর্ম্মদক্ষতা আৰু ফলাফল লাভ কৰিবলৈ তেওঁলোকক কিবা প্রকাৰে প্রণোদিত কৰি ৰখা ব্যৱস্থাৰ অতি প্রয়োজন। পৰৱর্ত্তী পাঠত আমি প্রণোদন সম্পর্কে অধিক জানিবলৈ আৰু সেই বিষয়ত পণ্ডিতসকলৰ মতামত তথা তত্ত্বসমূহৰ আলোচনা কৰিবলৈ চেষ্টা কৰিম।

৬.৩ প্রণোদনৰ অভিধা

ইংৰাজী "motive" অর্থাৎ মানসিক প্রণোদন, শব্দটো লেটিন মূলৰ "movere" শব্দটোৰ পৰা উৎপত্তি হৈছে। "movere" শব্দটোৰ ইংৰাজী প্রতি শব্দ হৈছে "to move" অর্থাৎ লৰচৰ কৰা, সঞ্চালন কৰা। সেই প্রসংগত প্রণোদন (motivation) শব্দটোৰ প্রকৃত অর্থ হৈছে স্থবিৰতাবিহীনতা অর্থাৎ গতিশীলতা বা আগবাঢ়ি যোৱা। ই এনে এটা ইংগিত প্রদান কৰে যি এজন মানুহক কোনো এটা লক্ষ্য সাধন কৰিবলৈ উদ্বুদ্ধ কৰে বা প্রেৰণা দিয়ে। মনস্তাত্ত্বিকসকলৰ মতে প্রণোদনে সমগ্র জীৱন্ত প্রাণীকুলৰ অন্তৰতেই কর্ম উদ্দীপনা সঞ্চাৰ কৰে। প্রণোদনৰ সংজ্ঞা বিভিন্ন লেখকে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। মৰগান (Morgan)ৰ মতে "প্রণোদন" শব্দটোৱে সাধাৰণতে এনে এটা মনোবৈজ্ঞানিক ইংগিত বহন কৰে যি প্রয়োজন সাপেক্ষে মানুহক নির্দ্ধাৰিত লক্ষ্য সাধনৰ প্রতি উদ্বুদ্ধ কৰে।" জে'মচ্ ড্রেভাৰ (James Draver)ৰ মতে প্রণোদন অর্থাৎ "motivation" শব্দৰ অর্থ "কর্ম্মোদ্যমৰ চালিকা শক্তি"। এটকিন্চ্ন (Atkinson)ৰ সংজ্ঞা অনুসৰি প্রণোদন (motivation) শব্দটোৱে এনে এটা ব্যঞ্জনাৰ ইংগিত দিয়ে যি এজন মানুহক এনেকৈ কর্মমুখী কৰে যে তেওঁ নির্দ্ধাৰিত লক্ষ্যতকৈও অধিক সাধন কৰিবলৈ উৎসাহিত হয়।

এতেকে প্রণোদনৰ ধাৰণাটোৱে এটা প্রতিষ্ঠানৰ সাধাৰণ কর্মচাৰী বা পৰিচালন প্রক্রিয়াত নিয়োজিত লোকসকলৰ কর্ম্মস্পৃহা আৰু ব্যৱহাৰ সংহিতাৰ কথাকে কয়। মুঠতে ক'ব পাৰি যে এজন কর্মচাৰীয়ে ন্যস্ত দায়িত্ব উৎসাহেৰে সাধন কৰাৰ উদ্যম বৃদ্ধি কৰিবলৈ তেওঁক প্রদান কৰা কোনো প্রকাৰ পৰিতোষিকাৰ প্রসংগতহে "প্রণোদন" ধাৰণাটোৰ উপযোগিতা উপলব্ধি কৰা যায়। কোনো নির্দ্দিষ্ট লক্ষ্য সাধনৰ উদ্দেশ্যে প্রয়োজনীয় আগ্রহ আৰু উদ্যম প্রদর্শনৰ আঁৰত থকা মানসিকতাকে প্রণোদন (motivation) বুলিব পাৰি। এক কথাত ক'বলৈ হ'লে জৈৱিক, আৱেগিক, সামাজিক আৰু বোধশক্তিৰ যৌগিক ক্রিয়াই অন্তৰত সৃষ্টি কৰা কর্ম উদ্দীপনাকে প্রণোদন বোলা হয়। প্রশাসনিক কর্মসম্পাদন প্রক্রিয়াত প্রণোদনে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। যিহেতু প্রশাসন মানেই হৈছে বিভিন্নজনৰ সুসংহত সামুহিক প্রচেষ্টাৰে সমাজৰ কেতবোৰ উমৈহতীয়া লক্ষ্য সাধন কৰা। সেইয়ে এই প্রক্রিয়াটোত জড়িত হৈ থকা সকলোকে প্রণোদনৰ বিশেষ প্রয়োজন। সামাজিক হিত সাধনৰ নিমিত্তেই হওক বা সুস্থিৰ প্রশাসনৰ স্বার্থতেই হওঁক নিয়োজিত কর্মচাৰী সকলৰ অতুট কর্ম্মোদ্যম অতি প্রয়োজনীয়। সেই কাৰণেই যিকোনো এটা কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ প্রচেষ্টাত কর্মচাৰীসকলৰ দক্ষতা আৰু অধ্যৱসায় অটুট ৰখাৰ নিমিত্তে আনুষ্ঠানিক স্বীকৃতি বা পৰিশ্রমিক প্রদান ব্যৱস্থাৰ প্রয়োজন অপৰিহার্য। সন্দেহ নাই পুৰস্কাৰ ব্যৱস্থাই মানুহক পূর্ণ সামর্থ্য প্রয়োগ আৰু উন্নতম প্রদর্শনৰ প্রতি অনুপ্রাণিত কৰে। প্রণোদন দুই প্রকাৰৰ— অন্তঃপ্রসূত (Intrinsic Motivation) আৰু বাহ্যিক (Extrinsic Motivation)।

- **অন্তঃপ্রসূত প্রণোদন (Intrinsic Motivation) ঃ** স্বেচ্চাই নতুন বস্তুৰ প্রতি কৌতূহল বোধ কৰি বা নতুন প্রত্যাহ্বান গ্রহণ কৰি নিজৰ সামর্থ্যৰ পৰীক্ষা কৰা বা নতুন অভিজ্ঞতা তথা দক্ষতা আহৰণ কৰাৰ মানসিক প্রৱণতাকে অর্ন্তপ্রসূত প্রণোদন বুলি ক'ব পাৰি।

ইয়াত মূলতেই থাকে মানুহৰ নজনা কথা জনাৰ বা নতুন অভিজ্ঞতাৰ প্ৰতি থকা স্বাভাৱিক কৌতূহল বা নতুন কাম সম্পাদন কৰাৰ স্বতঃস্ফূৰ্ত আনন্দ। ইয়াৰ নিমিত্তে সেই বিশেষ ব্যক্তি সকলক কোনো বাহ্যিক প্ৰভাৱ বা কোনো প্ৰত্যাশাৰ প্ৰয়োজন নহয়।

- **বাহ্যিক প্ৰণোদন (Extrinsic Motivation) ঃ** বাহ্যিক প্ৰণোদনে এজন ব্যক্তিৰ মানসত বাহিৰৰ পৰা অহা প্ৰভাৱৰ কথাকে সূচাই। আকাঙ্খিত ফলাফল লাভৰ নিমিত্তে কোনো এটা বিশেষ কৰ্ম্ম সম্পাদন কৰাৰ প্ৰসংগতে ইয়াৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰিব পাৰি। এই ধাৰণাটো অৰ্ন্তপ্ৰসূত প্ৰণোদনৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ। বাহ্যিক প্ৰণোদনৰ এটা চিৰাচৰিত উদাহৰণ হ'ল কোনো এজন কৰ্মচাৰিক আশানুৰূপ আচৰণ প্ৰদৰ্শনৰ বাবে পুৰস্কৃত কৰাৰ আৰু দুৰ্ব্যৱহাৰৰ নিমিত্তে শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ প্ৰণোদন (motivation) বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ২ ঃ প্ৰণোদনৰ ইংৰাজী "motivation" শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

.....

প্ৰশ্ন ৩ ঃ প্ৰশাসন প্ৰণালীত প্ৰণোদন ব্যৱস্থাক কিয় গুৰুত্ব দিয়া হয়?

.....

.....

প্ৰশ্ন ৪ ঃ প্ৰণোদনৰ দুটা ভিন্ন প্ৰকাৰ কি কি?

.....

.....

৬.৪ প্ৰণোদনৰ বিভিন্ন তত্ত্বসমূহ

প্ৰণোদনৰ বিভিন্ন তত্ত্বই ইয়াৰ বেলেগ বেলেগ বৈশিষ্টৰ ওপৰত আলোকপাত কৰিছে। তলৰ পাঠত প্ৰণোদনৰ বিষয়বস্তু সম্পৰ্কে আৰু ই কোনো ব্যক্তিৰ কৰ্ম্মোদ্যম বৃদ্ধিত কেনে ভূমিকা পালন কৰে সেই বিষয়েও আলোচনা কৰা হৈছে।

৬.৪.১ উদগণিমূলক তত্ত্ব (Incentive Theory)

সাধাৰণ প্ৰসংগত ক'বলৈ হ'লে এজন ব্যক্তিৰ মনত কৰ্মসাধনৰ প্ৰতি ধাউতি জগাবলৈ আগবঢ়োৱা পৰিশ্ৰমিককে উদগণি বুলিব পাৰি। সেয়ে প্ৰশাসনিক কাৰ্যক্ৰমণিকাৰ সৈতে জড়িত উদগণি তত্ত্বই ঘাইকৈ এইটোকে বুজাই যে নিজ নিজ কৰ্মসম্পাদনৰ বিনিময়ত লাভ কৰা উদগণিয়ে এজন কৰ্মচাৰিক অধিক উন্নত মানৰ দক্ষতা প্ৰদৰ্শনৰ প্ৰতি উৎসাহিত

কৰে। ন্যস্ত কর্ত্তব্য আশানুৰূপভাৱে সম্পাদন কৰাৰ স্বীকৃতি হিচাপে আগবঢ়োৱা বটা-বাহনো উদগণি হ'ব পাৰে। এনে উদগণি ইতিবাচক (positive) প্রসংগত লোৱা হয়; যদিও ই কেতিয়াবা নেতিবাচকো (negative) হ'ব পাৰে। ইতিবাচক (positive) পৰিতোষণে এজন ব্যক্তিৰ বাঞ্ছিত পৰিতৃপ্তি যথাযথ ভাৱে নিশ্চিত কৰে। আশাবাদীতা (optimism) ইয়াৰ মূল আধাৰ। পদোন্নতি, অতিৰিক্ত ভাট্টা, বিভিন্ন প্রকাৰ পুৰস্কাৰ বা স্বীকৃতি স্মাৰক ইত্যাদিয়েই হ'ল ইতিবাচক উদগণিৰ উদাহৰণ। নেতিবাচক পৰিতোষণ ইয়াৰ ঠিক বিপৰীত। কোনো এজন কর্মচাৰিৰ ভুল-ত্রুটিবিলাক সুধৰাই সন্তোষজনক ফলাফল আদায় কৰা কার্যকে নেতিবাচক উদগণি বুলি গণ্য কৰিব পাৰি। পদাৱনতি, জৰিমণা, শাস্তি প্রদান ইত্যাদিয়েই নেতিবাচক উদগণিৰ উদাহৰণ।

লোক প্রশাসন ব্যৱস্থাত প্রৱর্ত্তন থকা উদগণিমূলক তত্ত্বৰ ধাৰণা মনস্তত্ত্ব বিজ্ঞানৰ পৰা ধাৰ কৰা। মনস্তাত্ত্বিক বিজ্ঞানৰ তথ্যমতে মানুহে সদায় লাভজনক কামকাজ কৰিবলৈহে পছন্দ কৰে। এই মানসিক প্রৱণতাক উচতনি দিয়া কাম-কাজ বা ব্যৱস্থাকে প্রণোদন বুলি কোৱা হয়। বি. এফ. স্কিমাৰ (B. F. Skimmer)ৰ নিছিনা আচৰণবাদী মনস্তাত্ত্বিক (Behavioural Scientists) সকলেই প্রণোদন তত্ত্বৰ প্রধান প্রৱর্ত্তক। স্কিমাৰৰ মতে সমাজৰ ওপৰত এজন ব্যক্তিৰ কার্যকলাপৰ প্রভাৱ সততে ব্যাপক। এনে কাম কাজৰ সামাজিক প্রতিক্রিয়াই যদিহে ইতিবাচক (positive) প্রমাণিত হয়। সমাজৰ অন্য সকলেও ঠিক তেনে কাম-কাজৰ প্রতি আকর্ষিত হোৱাৰ সম্ভাৱনাই সৰহ। কিন্তু সমাজৰ ওপৰত নেতিবাচক (negative) প্রভাৱ পেলাব পৰা কার্য-কলাপৰ প্রতি মানুহ স্বাভাৱিকতেই বিতৰাগ।

প্রণোদন তত্ত্বক পুৰস্কাৰ প্রণোদনতত্ত্ব (Reward Motivation theory) বুলিও কোৱা হয়। কিয়নো এই তত্ত্বৰ মর্ম্ম অনুযায়ী পুৰস্কাৰ বা পৰিতোষণৰ প্রত্যাশাইহে মানুহক কাম কৰিবলৈ প্রণোদিত কৰে। এই পুৰস্কাৰ বা পৰিতোষণৰ স্বৰূপ হয়তো কাম সম্পন্ন হোৱাৰ পিছত প্রদান কৰা কোনো এটা বিশেষ উপহাৰ বা অভ্যর্থনা অনুষ্ঠানো হ'ব পাৰে। তাৰোপৰি এই তত্ত্বটোৰ মতে এইটোও সম্ভৱ যে এজন ব্যক্তিৰ স্বাভাৱিক আসক্তি বা আবেগ আদি সহজাত অনুভূতি বিলাকেও তেওঁক কোনো এটা বিশেষ কামৰ প্রতি অনুপ্রাণিত কৰিব পাৰে।

এই তত্ত্বটোৰ দুটা প্রধান সূত্র হৈছে অনুসঙ্গ (association) আৰু পুনৰদৃঢ়িকৰণ (reinforcement)। এই তত্ত্ব অনুসৰি কোনো যোগাত্মক আচৰণ (positive behaviour)ৰ পুনৰাবৃত্তি ঘটাব পৰা যায়। একে সময়তে দৃঢ়িকৰণ প্রক্রিয়াৰ প্র ভাৱত কর্ম সম্পাদন ইচ্ছা অধিক প্রখৰ আৰু সঘন হৈও উঠিব পাৰে। অৱশ্যে প্রণোদন তত্ত্বক বহুতে এটা ক্ষেত্রত সমালোচনা কৰে যে মানুহে কেৱল পুৰস্কাৰৰ আশাতহে কাম কৰিবলৈ আগবাঢ়ে সেইটোও নহয়। প্রতিজন মানুহেই নিজ নিজ কর্মক্ষেত্রত অধিক দক্ষতা আৰু সাফল্য আহৰণৰ আনন্দৰ নিমিত্তেহে কাম কৰি ভাল পায়। তেনে বিলাক মানুহৰ নিমিত্তে ইতিবাচক অথবা নেতিবাচক প্রণোদনৰ কোনো গুৰুত্ব নাই। মাছল' (Maslow)ৰ দৰে পণ্ডিতে বিশ্বাস কৰে যে মানুহে নিজৰ কেতবোৰ প্রয়োজন বা অভাৱ পূৰণ কৰিবলৈহে কাম কৰে।



জানি থোৱা ভাল

মানুহৰ বাহ্যিক আচৰণ নিৰীক্ষণ কৰি তেওঁলোকৰ কার্য-কলাপৰ স্বৰূপ বুজিবলৈ যত্ন কৰাটোৱেই আচৰণ মনস্তত্ত্বঃ (Behavioural Psychology)ৰ মূল কথা।

৬.৪.২ সন্তুষ্টি তত্ত্ব ঃ মাছল' (Maslow)ৰ গুৰুত্ব ক্রমিক প্রয়োজন তত্ত্ব (Heirarchy of Needs Theory) আৰু হার্জবার্গ (Herzberg)ৰ দ্বিকাৰক তত্ত্ব (Two Factor Theory)

মাছল' (Maslow)ৰ ''প্রয়োজনৰ গুৰুত্বক্রম'' (Hierarchy of Needs) তত্ত্ব আৰু হার্জবার্গ (Herzberg)ৰ ''দ্বিকাৰক'' (Two-Factor) তত্ত্ব। প্রণোদন বিষয়ক তত্ত্বসমূহৰ ভিতৰত মাছল' আৰু হার্জবার্গৰ ওপৰোক্ত তত্ত্ব দুটাই প্রধান। তলত এই দুই তত্ত্বৰ আলোচনা কৰা হৈছে।

মাছল'ৰ 'প্রয়োজনৰ গুৰুত্বক্রম'' তত্ত্ব ঃ এ'ব্রাহাম মাছল' (Abraham Maslow)এ মানুহৰ বিভিন্ন প্রকাৰ প্রয়োজন কেতবোৰৰ বিশ্লেষণৰ আধাৰত তেওঁৰ প্রণোদন তত্ত্বৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে সাধাৰণতে মানুহৰ প্রয়োজন বা অভাৱ দুই প্রকাৰ উচ্চ পর্যায়ৰ অভাৱ আৰু নিম্ন পর্যায়ৰ অভাৱ। এই অভাৱ বিলাকৰ গুৰুত্ব অনুযায়ী সিহঁতৰ ক্রম নির্দ্ধাৰণ কৰা হৈছে। মাছল'ৰ মতে মনস্তাত্ত্বিক অভাৱ বিলাকৰ গুৰুত্ব নিম্নতম পর্যায়ৰ। আপেক্ষিকভাৱে অধিক গুৰুত্বপূর্ণ অভাৱ বা প্রয়োজন বিলাক হ'ল— সুৰক্ষা, সামাজিক স্বীকৃতি, আত্মসম্ভ্রম আৰু সর্ব্বতোপৰি জীৱনত ব্যক্তিগত লক্ষ্যসমূহ সাধন কৰাৰ সহজাত হাবিয়াস। যাক এক কথাত কোৱা যায়— আত্মসিদ্ধি (self actualization)।

মনস্তাত্ত্বিক প্রয়োজন বিলাক প্রকৃততে মানুহৰ বুনিয়াদী প্রয়োজন সমূহ , যেনে— খাদ্য, আশ্রয়স্থলী, বস্ত্র ইত্যাদি। এই জৈৱিক প্রয়োজন বিলাক পূৰণ হ'লেহে মানুহে অন্য বিলাক অভাৱ নিবাৰণৰ কথা চিন্তা কৰিব পাৰে।

এইবোৰৰ পিছতে মানুহৰ প্রধান প্রাথমিকতা হৈছে নিজৰ সুৰক্ষা ব্যৱস্থানিশ্চিত কৰাৰ প্রয়োজনীয়তা। জীৱনত সুৰক্ষা আৰু নিৰাপত্তা যিকোনো মানুহৰ প্রধান কাম্য। এই ক্ষেত্রত সুৰক্ষাৰ তাৎপর্য হ'ল জীৱিকাৰ নিৰাপত্তা, সুনিশ্চিত অৱসৰ ভাট্টা, জীৱন-বীমা বা কর্ম্মৰ পৰা অপসৰণ ক্ষতিপুৰণ ইত্যাদি।

ক্রম অনুসৰি ইয়াৰ পিছতেই আহে মানুহৰ সামাজিক অভাৱ বিলাকৰ প্রসংগ। যিহেতু প্রতিজন মানুহেই সামাজিক প্রাণী সেয়ে তেওঁলোকে জীৱনত মৰম-স্নেহ উপভোগ কৰাটো আশা কৰে। এজন ব্যক্তিয়ে নিজৰ পৰিয়ালসহ অন্যান্য সামাজিক গোট সমূহৰ লগতো আত্মীয়তা বোধেৰে সাঙোৰ খাই থাকি ভাল পায়।

ইমানখিনি কৰাৰ পিছত এজন ব্যক্তিয়ে গুৰুত্ব দিয়ে আত্মমর্যাদা জড়িত প্রয়োজন বোৰত। এই ধৰণৰ প্রয়োজন বোৰৰ ভিতৰত আত্মসন্মান, আত্মবিশ্বাস, আত্ম-প্রতিষ্ঠা, সামাজিক স্বীকৃতি আৰু মর্য্যদা আদিয়েই প্রধান।

এই নিম্নস্তৰৰ প্রয়োজনবিলাক পূৰণ হ'লেহে মানুহে উচ্চতম প্রয়োজন বিলাকলৈ ধ্যান দিয়ে। উচ্চতম স্তৰৰ প্রয়োজন বিলাক আত্মসিদ্ধি (self actualization)ৰ মাধ্যম। আত্মসিদ্ধিৰ মূল মর্ম হ'ল মানৱ জীৱনৰ যথার্থ সার্থকতা সম্পাদন কৰা।

মাছল'ৰ "গুৰুত্ব ক্রমিক প্রয়োজন" তত্ত্বৰ আলোচনাৰ পৰা আমি সেই তত্ত্বৰ গোটাচেৰেক প্রধান বৈশিষ্ট্যৰ বিষয়ে উমান পালো। উদাহৰণ স্বৰূপে আমি জানিব পাৰিলো যে প্রয়োজনৰ ক্রমিক গুৰুত্ব সূচাংক ৰেখা তলৰ পৰা ওপৰলৈ যায়। যিকোনো অপৰিতৃপ্ত অভাৱৰ প্রণোদন গুণ ৰহিত হয়। কিন্তু অভাৱৰ এই গুৰুত্ব ক্রম চিৰস্থায়ীভাৱে অলৰ-অচৰ বুলিব নোৱাৰি। ব্যক্তি বিশেষে ইয়াৰ তাৰতম্য ঘটিব পাৰে, কিয়নো মানৱীয় প্রয়োজনবোৰৰ প্রকৃতি স্বাভাৱিকতেই বিচিত্র আৰু বহুধা বিভক্ত।

সমালোচক সকলৰ মতে এই তত্ত্বটোৰ সৰলতাই ইয়াৰ প্রধান দুর্বলতা। অৱশ্যে এইটোও অনস্বীকার্য সত্য যে প্রণোদন ব্যৱস্থাই মানুহক অধিক কর্মদক্ষ হ'বলৈ অনুপ্রাণিত কৰে। কিন্তু মাছল'ৰ গুৰুত্ব ক্রমৰ বর্গীকৰণ পন্থাও সমালোচনাৰ বিষয়। কিয়নো মানুহৰ বিভিন্ন অভাৱৰ ক্রম মাছল'এ ভবাৰ দৰে নহ'বও পাৰে। এইটোও নহয় যে সকলোখিনি অভাৱ পূৰণ হ'লেহে মানুহ কাম কৰিবলৈ প্রণোদিত হয়।

হার্জবার্গৰ দ্বিকাৰক তত্ত্ব (Herzberg's Two-Factor Theory) ঃ হার্জবার্গৰ দ্বিকাৰকতত্ত্বক স্বাস্থ্যবিজ্ঞান তত্ত্ব (Hygiene theory) বুলিও অভিহিত কৰা হয়। তেওঁ এই তত্ত্বটো উদ্বাৱন কৰাৰ আগতে হার্জবার্গে জার্মানিৰ পীটচ্বার্গ চহৰৰ প্রায় দুশ (২০০) গৰাকী অভিযন্তা আৰু গাণনিকৰ মতামত জৰীপ কৰি উমান ল'বলৈ যত্ন কৰিছিল যে তেওঁলোকক নিজৰ কাম-কাজৰ প্রতি কিহে উদ্বুদ্ধ কৰে। তেওঁৰ মতে প্রণোদনৰ কাৰক দুই বিধৰ।

(ক) কর্ম-সন্তুষ্টিৰ কাৰক পাঁচটা।

(খ) কর্ম-বিৰক্তিৰ কাৰক পাঁচটা।

কর্ম্ম-সন্তুষ্টিৰ মুখ্য কাৰক সমূহ ঘাইকৈ মানসিক সমৃদ্ধি সাধন আৰু ন্যস্ত কর্ত্তব্যৰ প্রকৃতি (task content of a job)। এই গুণনীয়ক বিলাকক কোৱা হয় সন্তুষ্টিৰ কাৰক ("satisfiers") ইয়াৰ বিপৰীতে কর্ম্ম-বিৰক্তি বা বিতুষ্টিৰ প্রাসংগিত কাৰকবোৰ হৈছে কষ্ট-পৰিহাৰ প্রৱণতা আৰু কৰিবলগীয়া কামৰ প্রাসংগিকতা (context of a job)। এই কাৰক বিলাকক কোৱা হয় অসন্তুষ্টিৰ কাৰক ("dissatistiers")।

হার্জবার্গৰ মতে সন্তুষ্টিৰ প্রধান পাঁচটা কাৰক হৈছে— সাফল্য, স্বীকৃতি, কর্ত্তব্যৰ প্রকৃতি, দায়িত্ব প্রদান আৰু পদোন্নতি তথা ক্রমোন্নয়ন। এই কাৰক সমূহে মানুহক কর্ম্মোদ্যমী

হ'বলৈ উদগণি দিয়ে। বিতুষ্টি বা বিৰক্তিৰ মূল পাঁচটা কাৰক হ'ল পাৰিশ্রমিক, নিয়োজিত প্রতিষ্ঠানৰ প্রশাসনিক নীতি, তদাৰকিকৰণ (supervision) কর্ম পৰিৱেশ (working condition) আৰু সহকর্মী সকলৰ মাজৰ পাৰস্পৰিক সৌহার্দ্য (inter-personal relation)। এই কাৰকবিলাকক স্বাস্থ্যবিজ্ঞান গুণনীয়ক (hygienic factors) বোলা হয়। কাৰণ এই কাৰক বিলাকে এজন ব্যক্তিক কর্মপ্রণোদিত নকৰিলে ইহঁতৰ অভাৱত তেওঁৰ অন্তৰত অসন্তুষ্টিৰ ভাব সৃষ্টি হ'ব পাৰে। মানুহৰ ওপৰত স্বাস্থ্য বিজ্ঞান জনিত গুণনায়ক বিলাকতকৈ প্রণোদনৰ কাৰক বিলাকৰ প্রভাৱ অধিক স্থায়ী সেই বিলাকে মানুহৰ সন্তুষ্টি বর্দ্ধন কৰি উন্নতৰ ফলাফল প্রাপ্তিৰ নিমিত্তে অনুপ্রাণিত কৰে। অন্যহাতে স্বাস্থ্য বিজ্ঞানৰ গুণনায়কবিলাকে কর্মীসকলক যথাযোগ্য সন্তুষ্টি প্রদান কৰিব নোৱাৰে। সেইবিলাকৰ ক্ষেত্রত নিৰন্তৰ উন্নতিসাধন প্রচেষ্টা অব্যাহত ৰাখিব লাগে। এই তত্ত্বৰ সূত্র অনুসৰি কর্মসন্তুষ্টিৰ বিপৰীতার্থক ধাৰণা বিতুস্তি বা অসন্তুষ্টি নহয়। সন্তুষ্টি আৰু বিতুষ্টি দুয়োটাই সম্পূর্ণ পৃথক অনুভূতি, গতিকে ইহঁতক পৰস্পৰ বিৰোধী বোলাৰ কথাই নুঠে।

এই তত্ত্বটোক সমালোচনা কৰাৰ মূল প্রসংগটো হার্জবার্গে দেখুৱাব খোজা সন্তুষ্টি আৰু বিতুষ্টিৰ কাৰক বিলাকৰ মাজৰ ব্যৱহাৰিক বৈষম্য। কিয়নো একেটা গুণনায়কে এজন ব্যক্তিক সন্তুষ্ট কৰিলেও আন এজনক নকৰিবও পাৰে। একেদৰেই এটা বিশেষ গুণনীয়কে একেজন ব্যক্তিকে বেলেগ বেলেগ সময়ত সন্তুষ্টও কৰিব পাৰে বা বিতুষ্টও কৰিব পাৰে। সেয়ে সন্তুষ্টি আৰু বিতুষ্টিৰ মাজৰ ধাৰণাগত পার্থক্য যথোচিত বুলি ক'ব নোৱাৰি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৫ ঃ প্রণোদনৰ প্রধান তত্ত্ব কেইটা উল্লেখ কৰক।

.....

.....

প্রশ্ন ৬ ঃ উদগণি (incentive) মানে কি বুজে?

.....

প্রশ্ন ৭ ঃ মাছল'ৰ প্রয়োজনৰ গুৰুত্বক্রম তত্ত্ব (Maslow's Hierarchy of Needs Theory) আলোচনা কৰক।

.....

.....

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- লোক প্রশাসন প্রণালী অধ্যয়নত ‘‘প্রনোদন’’ৰ গুৰুত্ব বিশেষ প্রণিধানযোগ্য।
- ‘‘প্রণোদন’’ৰ ইংৰাজী প্রতিশব্দ "Motivation"ৰ উৎপত্তি হৈছে লেটিন "movere" শব্দৰ পৰা। "Movere" মানে চলন অর্থাৎ গতিশীলতা। গতিকে ‘‘প্রণোদন’’ অর্থাৎ ইংৰাজীত "motivation" শব্দই সঞ্চালন বা গতিশীলতাৰ ব্যঞ্জনা বহন কৰে। যথাযথ প্রসংগত ই এনে টো কাৰকৰ কথাকে বুজাই যিয়ে এজন ব্যক্তিক নিজৰ কামৰ মাজেদি নির্দ্ধাৰিত লক্ষ্য সাধন কৰিবলৈ উদ্দীপনা যোগাই। মনস্তত্ত্ববিদ সকলে প্রণোদনক এনে এবিধ শক্তি বুলি বিশ্বাস কৰে যি সকলো জীৱন্ত প্রাণীকেই কর্মমুখী হ’বলৈ অনুপ্রাণিত কৰে।
- প্রশাসনিক কার্যত প্রণোদন ব্যৱস্থাৰ ভূমিকা বিশেষ গুৰুত্বপূর্ণ। যিহেতু প্রশাসনৰ প্রকৃত উদ্দেশ্যই হৈছে বিভিন্নজনৰ সামূহিক প্রচেষ্টাৰে সমাজৰ উমৈহতীয়া স্বার্থানুকুল লক্ষ্য সমূহ সাধন কৰা, এই লক্ষ্য সাধন প্রচেষ্টাত নিয়োজিত সকলৰ নিমিত্তে প্রণোদনৰ বিশেষ প্রয়োজন।
- প্রণোদনৰ একাধিক তত্ত্ব প্রচলিত আছে।
- উদগণি (incentive) প্রদান তত্ত্ব অনুযায়ী উদগণিয়ে এজন কর্মচাৰীক তেওঁৰ কামৰ মান উন্মত কৰাত উদ্দীপনা যোগায়।
- মাছল’ৰ প্রয়োজনৰ গুৰুত্ব ক্রম তত্ত্বৰ অনুসৰি এইটো বিশ্বাস কৰিব পৰা যায় যে এজন ব্যক্তিৰ বিভিন্ন প্রকাৰৰ অভাৱ পূৰণ কৰাৰ তাগিদাইহে তেওঁক কাম কৰিবলৈ প্রণোদিত কৰে।
- হার্জবার্গৰ দ্বিকাৰক তত্ত্বক স্বাস্থ্যবিজ্ঞান তত্ত্ব (Hygiene theory) বুলিও অভিহিত কৰা হয়। তেওঁৰ মতে প্রণোদনৰ কাৰক দুই বিধৰ-

  (ক) কর্ম্ম-সন্তুষ্টিক কাৰক পাঁচটা আৰু (খ) কর্ম্ম-বিৰক্তিৰ কাৰক পাঁচটা।
- কর্ম্ম-সন্তুষ্টিৰ মুখ্য কাৰক সমূহ ঘাইকৈ মানসিক সমৃদ্ধি সাধন আৰু ন্যস্ত কর্ত্তব্যৰ প্রকৃতি (task content of a job)। এই গুণনীয়ক বিলাকক কোৱা হয় সন্তুষ্টিৰ কাৰক ("satisfiers") ইয়াৰ বিপৰীতে কর্ম্ম-বিৰক্তি বা বিতুষ্টিৰ প্রাসংগিত কাৰকবোৰ হৈছে কষ্ট-পৰিহাৰ প্রৱণতা আৰু কৰিবলগীয়া কামৰ প্রাসংগিকতা (context of a job)। এই কাৰক বিলাকক কোৱা হয় অসন্তুষ্টিৰ কাৰক("dissatistiers")।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্রশাসন পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্রশাসন*। গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

ইংৰাজী গ্রন্থ ঃ

1) Basu, Rumki (2011). *Public Administration.* New Delhi:Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009).*New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya (2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr.M.P., & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজী "motive" অর্থাৎ মানসিক প্রণোদন, শব্দটো লেটিন মূলৰ "movere" শব্দটোৰ পৰা উদ্ভূত। "movere" শব্দটোৰ ইংৰাজী প্রতি শব্দ হৈছে "to move" অর্থাৎ লৰচৰ কৰা, সঞ্চালন কৰা। সেই প্রসংগত প্রণোদন (motivation) শব্দটোৰ প্রকৃত অর্থ হৈছে স্থবিৰতাবিহীনতা অর্থাৎ গতিশীলতা বা আগবাঢ়ি যোৱা। ই এনে এটা ইংগিত প্রদান কৰে যি এজন মানুহক কোনো এটা লক্ষ্য সাধন কৰিবলৈ উদ্বুদ্ধ কৰে বা প্রেৰণা দিয়ে। মনস্তাত্ত্বিকসকলৰ মতে প্রণোদনে সমগ্র জীৱন্ত প্রাণীকুলৰ অন্তৰতেই কর্ম উদ্দীপনা সঞ্চাৰ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজী "motive" অর্থাৎ মানসিক প্রণোদন, শব্দটো লেটিন মূলৰ "movere" শব্দটোৰ পৰা উৎপত্তি হৈছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রশাসনিক কাম-কাজত প্রণোদনৰ ভূমিকা বিশেষ গুৰুত্বপূর্ণ। প্রশাসনৰ মূল উদ্দেশ্যই হৈছে বিভিন্ন জনৰ সামূহিক প্রচেষ্টাৰে সমাজৰ উমৈহতীয়া স্বার্থানুকুল লক্ষ্যসমূহ সাধন কৰা। সেই কাৰণেই এই প্রচেষ্টাত জড়িত থকা সকলক প্রণোদনৰ প্রয়োজন। সমাজৰ হিত সাধনৰ অর্থে প্রশাসনিক সাফল্য নিশ্চিত কৰিবলৈ

কর্মচাৰী সকলৰ কর্ম্মোদ্যম বিশেষ প্রয়োজনীয়। তাকে সুনিশ্চিত কৰিবলৈ কর্ম্মদক্ষতা আৰু আশাসুধীয়া প্রচেষ্টাৰ ৰাজহুৱা শলাগ লোৱাৰ লগতে যথোচিতভাৱে পুৰস্কৃত কৰাৰ ব্যৱস্থা অতি আৱশ্যকীয়। যথোপযুক্ত পৰিতোষিকাই কর্মচাৰীসকলক উৎকৃষ্টতম কার্যকুশলতা প্রদর্শন কৰাৰ প্রতি উদ্বুদ্ধ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রণোদন (motivation) দুই প্রকাৰৰ। অন্তঃপ্রসূত (Intrinsic Motivation) আৰু বাহ্যিক (Extrinsic Motivation).

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রণোদনৰ বিভিন্ন প্রচলিত তত্ত্বৰ ভিতৰত মাছল'ৰ গুৰুত্বক্রমিক প্রয়োজন তত্ত্ব, উদগণিমূলক(incentive) তত্ত্ব আৰু সন্তুষ্টি তত্ত্বৰ উপৰিও হার্জবার্গৰ দ্বিকাৰক (Two Factors) তত্ত্বৰ গুৰুত্বই প্রধান।

৬ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ প্রসংগত ক'বলৈ হ'লে এজন ব্যক্তিৰ মানসত কর্মসাধনৰ প্রতি ধাউতি জগাবলৈ আগবঢ়োৱা পৰিশ্রমিককে উদগণি বুলিব পাৰি। সেয়ে প্রশাসনিক কার্যক্রমণিকাৰ সৈতে জড়িত উদগণি তত্ত্বই ঘাইকৈ এইটোকে বুজাই যে নিজ নিজ কর্মসম্পাদনৰ বিনিময়ত লাভকৰা উদগণিয়ে এজন কর্মচাৰিক অধিক উন্নত মানৰ দক্ষতা প্রদর্শনৰ প্রতি উৎসাহিত কৰে। ন্যস্ত কর্ত্তব্য আশানুৰূপভাৱে সম্পাদন কৰাৰ স্বীকৃতি হিচাপে আগবঢ়োৱা বটা-বাহনো উদগণি হ'ব পাৰে। এনে উদগণি ইতিবাচক (positive) প্রসংগত লোৱা হয়; যদিও ই কেতিয়াবা নেতিবাচকো (negative) হ'ব পাৰে। ইতিবাচক (positive) পৰিতোষণে এজন ব্যক্তিৰ বাঞ্ছিত পৰিতৃপ্তি যথাযথ ভাৱে নিশ্চিত কৰে। আশাবাদীতা (optimism) ইয়াৰ মূল আধাৰ। পদোন্নতি, অতিৰিক্ত ভাট্টা, বিভিন্ন প্রকাৰ পুৰস্কাৰ বা স্বীকৃতি স্মাৰক ইত্যাদিয়েই হ'ল ইতিবাচক উদগণিৰ উদাহৰণ। নেতিবাচক পৰিতোষণ ইয়াৰ ঠিক বিপৰীত। কোনো এজন কর্মচাৰিৰ ভুল-ত্রুটি বিলাক সুধৰাই সন্তোষজনক ফলাপল আদায় কৰা কার্যকে নেতিবাচক উদগণি বুলি গণ্য কৰিব পাৰি। পদাৱনতি, জৰিমণা, শাস্তি প্রদান ইত্যাদিয়েই নেতিবাচক উদগণিৰ উদাহৰণ।

৭ নং প্রশ্নৰ উত্তৰ ঃ এ'ব্রাহাম মাছল' (Abraham Maslow)এ মানুহৰ বিভিন্ন প্রকাৰ প্রয়োজন কেতবোৰৰ বিশ্লেষণৰ আধাৰত তেওঁৰ প্রণোদন তত্ত্বৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে সাধাৰণতে মানুহৰ প্রয়োজন বা অভাৱ দুই প্রকাৰ উচ্চ পর্যায়ৰ অভাৱ আৰু নিম্ন পর্যায়ৰ অভাৱ। এই অভাৱ বিলাকৰ গুৰুত্ব অনুযায়ী সিহঁতৰ ক্রম নির্দ্ধাৰণ কৰা হৈছে। মাছল'ৰ মতে মনস্তাত্ত্বিক অভাৱ বিলাকৰ গুৰুত্ব নিম্নতম পর্যায়ৰ। আপেক্ষিকভাৱে অধিক গুৰুত্বপূর্ণ অভাৱ বা প্রয়োজন বিলাক হ'ল— সুৰক্ষা, সামাজিক স্বীকৃতি, আত্মসম্ভ্রম আৰু সর্ব্বতোপৰি জীৱনত ব্যক্তিগত লক্ষ্যসমূহ সাধন কৰাৰ সহজাত হাবিয়াস। যাক এক কথাত কোৱা যায়— আত্মসিদ্ধি (self actualization)।

মনস্তাত্ত্বিক প্রয়োজন বিলাক প্রকৃততে মানুহৰ বুনিয়াদী প্রয়োজনসমূহ, যেনে— খাদ্য, আশ্রয়স্থলী, বস্ত্র ইত্যাদি।

এইবোৰৰ পিছতে মানুহৰ প্রধান প্রাথমিকতা হৈছে নিজৰ সুৰক্ষা ব্যৱস্থানিশ্চিত কৰাৰ প্রয়োজনীয়তা।

ক্রম অনুসৰি ইয়াৰ পিছতেই আহে মানুহৰ সামাজিক অভাৱ বিলাকৰ প্রসংগ। এজন ব্যক্তিয়ে নিজৰ পৰিয়ালসহ অন্যান্য সামাজিক গোট সমূহৰ লগতো আত্মীয়তা বোধেৰে সাঙোৰ খাই থাকি ভাল পায়।

ইমানখিনি কৰাৰ পিছত এজন ব্যক্তিয়ে গুৰুত্ব দিয়ে আত্মমর্যাদা জড়িত প্রয়োজন বোৰত। এই প্রয়োজন বোৰৰ ভিতৰত আত্মসন্মান, আত্মবিশ্বাস, আত্ম-প্রতিষ্ঠা, সামাজিক স্বীকৃতি আৰু মর্য্যদা আদিয়েই প্রধান।

এই নিম্নস্তৰৰ প্রয়োজনবিলাক পূৰণ হ'লেহে মানুহে উচ্চতম প্রয়োজন বিলাকলৈ ধ্যান দিয়ে। উচ্চতম স্তৰৰ প্রয়োজন বিলাক আত্মসিদ্ধি (self actualization)ৰ মাধ্যম। আত্মসিদ্ধিৰ মূল মর্ম হ'ল মানৱ জীৱনৰ যথার্থ সার্থকতা সম্পাদন কৰা।

মাছল'ৰ "গুৰুত্ব ক্রমিক প্রয়োজন" তত্ত্বৰ আলোচনাৰ পৰা আমি সেই তত্ত্বৰ গোটাচেৰেক প্রধান বৈশিষ্ট্যৰ বিষয়ে উমান পালো। উদাহৰণ স্বৰূপে আমি জানিব পাৰিলো যে প্রয়োজনৰ ক্রমিক গুৰুত্ব সূচাংক ৰেখা তলৰ পৰা ওপৰলৈ যায়। যিকোনো অপৰিতৃপ্ত অভাৱৰ প্রণোদন গুণ ৰহিত হয়। কিন্তু অভাৱৰ এই গুৰুত্ব ক্রম চিৰস্থায়ীভাৱে অলৰ -অচৰ বুলিব নোৱাৰি। ব্যক্তি বিশেষে ইয়াৰ তাৰতম্য ঘটিব পাৰে, কিয়নো মানৱীয় প্রয়োজনবোৰৰ প্রকৃতি স্বাভাৱিকতেই বিচিত্র আৰু বহুধা বিভক্ত।



৬.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

১ নং প্রশ্ন ঃ প্রণোদনৰ প্রকাৰ দুইবিধ কি কি?

২ নং প্রশ্ন ঃ ইতিবাচক উদগণিৰ দুটা উদাহৰণ দিয়ক।

৩ নং প্রশ্ন ঃ "আত্মমর্যাদা জড়িতপ্রয়োজন"ৰ প্রকৃত অর্থ কি?

৪ নং প্রশ্ন ঃ হার্জবার্গৰ মতে কর্ম্ম সন্তুষ্টিৰ পাঁচটা কাৰক কি কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ মাছল'ৰ তর্ত্বৰ মতে প্রয়োজনৰ বিভিন্ন প্রকাৰবোৰ কি কি?

২ নং প্রশ্ন ঃ প্রণোদনৰ অর্থ ব্যাখ্যা কৰা, অর্ন্তস্থিত আৰু বহিৰাগত প্রণোদনৰ ধাৰণাই কি বুজাই?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ উদগণিমূলক(incentive) তত্ত্ব ব্যাখা কৰক।

২ নং প্রশ্ন ঃ হার্জবার্গৰ প্রণোদন তত্ত্ব আলোচনা কৰক।

* * * * *

অধ্যায় ৭ ঃ নতুন লোক প্রশাসন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ নতুন লোক প্রশাসন

৭.৩.১ পটভূমি

৭.৩.২ নতুন লোক প্রশাসনৰ বৈশিষ্ট্যপূর্ণ ঘটনাসমূহ

৭.৪ নতুন লোক প্রশাসন ঃ ইয়াৰ লক্ষ্য আৰু সমালোচনামূলক মূল্যায়ণ

৭.৪.১ নতুন লোক প্রশাসনৰ লক্ষ্য

৭.৪.২ সমালোচনামূলক মূল্যায়ন

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নতুন লোক প্রশাসনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- নতুন লোক প্রশাসনৰ আবির্ভাৱৰ পটভূমি আলোচনা কৰিব পাৰিব
- নতুন লোক প্রশাসনৰ গুৰুত্বপূর্ণ লক্ষ্য সমূহ ব্যাখ্যা কৰিব পাৰিব
- নতুন লোক প্রশাসনৰ সমালোচনামূলক মূল্য নির্ণয় কৰিব পাৰিব।

৭.২ পৰিচয়

১৯৬০ চনৰ শেষৰ ফালে আমেৰিকাৰ যুৱ সমাজৰ এচাম চিন্তাবিদে আমেৰিকাৰ লোক প্রশাসনত এক নতুন আন্দোলনৰ সূচনা কৰিছিল যাক 'নতুন লোক প্রশাসন' নামেৰে জনা যায়। ই লোক প্রশাসনৰ পৰম্পৰাগত নীতি, যেনে— 'মিতব্যয়িতা' আৰু 'কার্যকুশলতা'ৰ প্রতিক্রিয়া হিচাপে উদ্ভৱ হৈছিল। পৰম্পৰাগত নীতি সমূহ পৰিৱর্তনশীল পৰিৱেশৰ নতুন প্রতিযোগিতাৰ বাবে পৰিপূৰক নাছিল। নতুন লোক প্রশাসন আৰু আচৰণবাদৰ 'মূল্যবোধ মুক্ত' (value free) তত্ত্বৰ সমর্থক নাছিল আৰু ই লোক প্রশাসনক সামাজিকভাৱে উপযোগী কৰি সমাজৰ প্রয়োজন আৰু সমস্যা সমাধানৰ বাবে প্রস্তুত কৰিছিল।

৭.৩ নতুন লোক প্রশাসন

৭.৩.১ পটভূমি

লোক প্রশাসনৰ প্রকৃতি, বিষয়সূচী আৰু লক্ষ্যক লৈ সদায় বিবাদ দেখা যায়। পৰম্পৰাগত ভাৱে ক'বলৈ গ'লে আইন প্রণয়ন কৰাটো ৰাজনৈতিক নেতাসকলৰ কাম, আৰু লোক প্রশাসকসকলক আইন বলৱৎ কৰিবৰ বাবে নিয়োগ কৰা হয়। প্রকৃততে কিন্তু ৰাজনীতি আৰু প্রশাসন পৰস্পৰ নির্ভৰশীল আৰু ইহতক দৃঢ় বান্ধোনৰ পৰা পৃথক কৰিব নোৱাৰি। সেয়ে ১৯৩০ চনৰ পৰা এইটো অনুভৱ কৰা হৈছিল যে লোক প্রশাসনে সমাজৰ বিভিন্ন শাখাৰ ইচ্ছা আৰু প্রয়োজনৰ প্রতি সচেতন হোৱাৰ লগতে সমাজৰ বিভিন্ন সমস্যাৰাজি বিশদভাৱে পৰীক্ষা কৰি আইন প্রণয়নত উপযুক্ত পৰামর্শ দান কৰিব লাগে। প্রশাসনৰ পৰম্পৰাগত নীতিসমূহ, যেনে— 'কার্যকুশলতা' আৰু 'মিতব্যয়িতা' সমাজৰ বৃহৎ কল্যাণ সাধনৰ বাবে প্রয়োগ কৰা উচিত। ক্রমাগতভাৱে লোক প্রশাসনৰ এই নতুন পটভূমিৰ আধাৰত নতুন লোক প্রশাসনৰ ধাৰণাৰ উৎপত্তি হয়।

১৯৬০ আৰু ১৯৭০ চনৰ প্রথমার্ধত পাশ্চাত্যত বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্রত কোলাহল আৰু অস্থিৰতা দেখা দিছিল। অন্যান্য সমাজ বিজ্ঞান, যেনে— মনোবিজ্ঞান, সমাজ শাস্ত্র আৰু ৰাজনীতি বিজ্ঞান আদিৰ দৰে লোক প্রশাসনতো এই সংঘর্ষসৰ সময়ত পৰিৱর্তন দেখা দিছিল। সেই পৌৰাণিক নীতি আৰু পদ্ধতিবোৰ অপৰিপুৰক বুলি গণ্য কৰা হৈছিল। ইয়াৰ পৰিৱর্তে লোক প্রশাসনে মূল্যবোধ আৰু কার্যদক্ষতাৰ ওপৰত গুৰুত্ব দিছিল যাতে ই গতানুগতিক সমাজৰ প্রত্যাহ্বানসমূহৰ সম্মুখীন হ'ব পাৰে। নতুন লোক প্রশাসন শব্দটোৱে লোক প্রশাসনত এক নতুন দার্শনিক মতবাদৰ সৃষ্টি কৰে। আমাৰ প্রশাসনীক কার্যকলাপসমূহক কেন্দ্র কৰি গঠিত যি সকলৰ কার্যকাৰিতাৰ যান্ত্রিক পৰীক্ষা লোৱাটো সম্ভৱ নহয়। সেয়ে প্রশাসন মানুহৰ লগত জড়িত আৰু ইয়াত মূল্যবোধ নিহিত হৈ আছে। নতুন লোক প্রশাসনে গৱেষণাৰ প্রাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে লোক প্রশাসন সমাজৰ জৰুৰী সমস্যা সমাধানৰ বাবে বেছি কার্যকৰী হৈ উঠে।

৭.৩.২ নতুন লোক প্রশাসনৰ বৈশিষ্ট্যপূর্ণ ঘটনাসমূহ

১৯৬৮ চনত ছিৰাকিউজ বিশ্ববিদ্যালয়ত (Syracuse University) হোৱা মীনোব্রুক সন্মিলনত যুৱ চিন্তাবিদসকলৰ চিন্তাধাৰাৰ ফলস্বৰূপে নতুন লোক প্রশাসনৰ উদ্ভৱ হয়। পিছৰ আলোচনাত আমি এই সন্মিলনৰ বিষয়ে ভালকৈ আলোচনা কৰিম। মীনোব্রুক সন্মিলনৰ অংশগ্রহনকাৰীসকলে অনুভৱ কৰিছিল যে লোক প্রশাসনৰ পণ্ডিতসকলে ন্যায়, স্বাধীনতা সমতা আৰু মানৱ কল্যাণৰ ধাৰনাক লৈ মূল্যবোধৰ ওপৰত অধিক গুৰুত্ব দিছিল।

নতুন লোক প্রশাসনৰ বৈশিষ্ট্যপূর্ণ ঘটনাসমূহ তলত দিয়াধৰণৰ—

১। লোক সেৱাৰ উচ্চশিক্ষাৰ বিষয়ে ১৯৬৭ চনৰ হনী প্রতিবেদন (Honey Report)

২। লোক প্রশাসনৰ তত্ত্ব আৰু ব্যৱহাৰ সম্পর্কে ১৯৬৭ চনৰ ফিলাডেলফিয়া সম্মিলন।

৩। ১৯৬৮ চনৰ মীনোব্রুক সম্মিলন (Minnowbrook Conference)

৪। ১৯৭১ চনত ফ্রেস্ক মেৰিনীৰ দ্বাৰা সম্পাদিত 'Toward a New Public Administration: The Minnowbrook Perspective' গ্রন্থৰ প্রকাশ।

৫। ১৯৭১ চনত ডুইট ওৱালডোই সম্পাদিত 'Public Administration in a Time of Turbulence' গ্রন্থখন প্রকাশ।

১। লোক সেৱাৰ উচ্চশিক্ষাৰ বিষয়ে ১৯৬৭ চনৰ হনী প্রতিবেদন ঃ

১৯৬৬ চনত ছিৰাকিউজ বিশ্ববিদ্যালয়ৰ জন হনীয়ে আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহত লোক প্রশাসনৰ অধ্যয়ন সম্পর্কে এক পৰীক্ষামূলক অধ্যয়ন কৰিছিল। ১৯৬৭ চনত এই প্রতিবেদন জমা দিয়া হয়। হনীৰ প্রতিবেদনে চাৰিটা সমস্যা আঙুলিয়াই দি ইয়াৰ তৎকালিক সমাধান বিচাৰিছিল। সমস্যাবোৰ হ'ল—

(ক) এই বিষয়টো অধ্যয়নৰ বাবে যথেষ্ট পৰিমাণে সম্পদ নাই।

(খ) এই বিষয়টোৰ মর্যাদা সম্পর্কে চিন্তাবিদসকলে আলোচনা কৰিব লাগিব। লোক প্রশাসন অধ্যয়নৰ বিষয় নে, বিজ্ঞান নে, বৃত্তি সেইটো স্থিৰ কৰিব লাগিব।

(গ) আনুষ্ঠানিক দুর্বল।

(ঘ) লোক প্রশাসনবিদ আৰু লোক প্রশাসক সকলৰ মাজত যোগাযোগৰ অভাৱ।

হনীৰ প্রতিবেদনে পৰামর্শ দিছিল যে এই বিষয়টোৰ অধ্যয়নৰ পৰিসৰ বঢ়াব লাগিব। ইয়াক চৰকাৰৰ কার্য প্রণালীৰ লগত লগ লগাব লাগিব। যুক্তৰাষ্ট্রীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰৰ দ্বাৰা পণ্ডিতসকলক লোক প্রশাসন আৰু ৰাজহুৱা বিষয়ৰ কার্যসূচী হাতত ল'বলৈ সুবিধা প্রদান কৰিব লাগে। লোক প্রশাসনৰ শিক্ষকহবলৈ আগ্রহী ব্যক্তিসকলৰ বাবে এক বিশেষ বৃত্তিৰ ব্যৱস্থা কৰিবৰ বাবেও ই পৰামর্শ দিয়ে। এইটো মনকৰিব লগীয়া যে যদিও এই প্রতিবেদনে সেই সময়ৰ সংর্ঘষময় সমাজত লোক প্রশাসনৰ কর্তব্য বিষয়ে একো কোৱা নাছিল তথাপিও ই সেই সময়ৰ সমস্যাসমূহৰ প্রতি লক্ষ্য ৰাখি লোক প্রশাসনৰ দ্বাৰা সামাজিক সচেতনতা সৃষ্টি কৰিছিল।

২। লোক প্রশাসনৰ তত্ত্ব আৰু ব্যৱহাৰ সম্পর্কে ১৯৬৭ চনৰ ফিলাডেলফিয়া সম্মিলন ঃ

১৯৬৭ চনত The American Academy of Political and Social Scienceএ জেমচ. চি. চার্লচওৱর্থৰ সভাপতিত্বত এখন সম্মিলন আহ্বান

কৰিছিল। এই সন্মিলনত লোক প্রশাসনৰ পৰিসৰ, উদ্দেশ্য আৰু পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছিল আৰু ইয়াক বহলভাৱে 'লোক প্রশাসনৰ তত্ত্ব আৰু ব্যৱহাৰ সন্মিলন' নামেৰে জনা যায়।

এই সন্মিলনৰ আলোচনাত হোৱা গুৰুত্বপূৰ্ণ মতামতবোৰ হ'ল—

- লোক প্রশাসন বিষয়েটোৰ পৰিসৰ সলনি হৈ থাকিব। এক গতানুগতিক পদ্ধতি হিচাপে লোক প্রশাসনৰ পৰিসৰ সীমিত কৰাটো ভুল হ'ব।
- নীতি নির্ধাৰণ আৰু প্রশাসনক পৃথক কৰাটো অর্থহীন কাৰণ বেছিভাগ ক্ষেত্রতে প্রশাসক সকল নীতি নির্ধাৰণৰ ক্ষেত্রত পৰামর্শ দাতা আৰু সহায়কর্তা হিচাপে জড়িত থাকে যদিও ইয়াৰ প্রধান কাম আইন কার্যকৰী কৰাহে।
- পদানুক্রমৰ ওপৰত গুৰুত্ব প্রদান আৰু প্রশাসনীক সংগঠনৰ আন্তঃগাঁথনিয়ে প্রশাসনৰ কৃতকার্যতা দৃঢ় কৰে। ই পৰিৱর্তনশীল পৰিবেশৰ প্রশাসনীয় কার্যৰ ওপৰত প্রভাৱ পেলায়, সেয়ে লোক প্রশাসনৰ প্রাসংগিকতা আৰু কৃতকার্যতা নিম্নগামী হৈছে। সেই কাৰণে সাংগঠানীক পৰিৱর্তন আৰু পৰিচালনাৰ নমনীয়তাৰ প্রয়োজন হৈছে।
- লোক প্রশাসনৰ বিষয় আৰু কার্যকাৰিতাই সামাজিক সমস্যা, যেনে— নিবনুৱা, দাৰিদ্রতা, পৰিবেশ ধ্বংশ আদিৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। একে সময়তে বর্ধিত আর্থ সামাজিক অসমতাৰ পৰিপ্রেক্ষিতত সামাজিক সমতাৰ ওপৰত গুৰুত্ব দিব লাগে। সন্মিলনখনত এইটো স্পষ্ট কৰা হৈছিল যে সামাজিক সমতাক কার্যকাৰিতা আৰু দায়বদ্ধতৰ দৰে মূল্যনিহিত কৰিবৰ বাবে চৰকাৰী সিদ্ধান্ত গ্রহণত জনসাধাৰণৰ অংশগ্রহণ নিশ্চিত কৰিব লাগিব।
- ভৱিষ্যতৰ প্রশাসক সকলক প্রশাসনীয় অনুষ্ঠানত প্রশিক্ষণ দিয়া উচিত।
- লোক প্রশাসন আৰু বাণিজ্যিক প্রশাসনৰ প্রশিক্ষণ কেতিয়াও লগলগাব নালাগিব। পণ্ডিত তথা প্রশিক্ষার্থী আৰু প্রশাসকসকলৰ সামাজিক সচেতনতা বৃদ্ধি কৰাটো লোক প্রশাসনৰ প্রশিক্ষণ পদ্ধতিৰ লক্ষ্য হ'ব লাগিব।

৩। ১৯৬৮ চনৰ মিনোব্রুক সন্মিলন ঃ

ফিলাডেলফিয়া সন্মিলনে বহুতো গুৰুত্বপূৰ্ণ সংস্কৰণ দাঙি ধৰিছিল। আমেৰিকাৰ সমাজ ব্যৱস্থাত বিভিন্ন সমস্যাৰ সন্মুখিনহোৱা সময়ত এই সন্মিলনখন অনুস্থিত হৈছিল। এইটো অনুভৱ কৰা হৈছিল যে লোক প্রশাসনে

এই সমস্যাবোৰ সমাধান কৰাত ব্যর্থ হৈছে। লগতে এইটো অনুভৱ কৰা হৈছিল যে লোক প্রশাসনত যুৱ সমাজৰ মতামতক গুৰুত্ব দিয়াৰ পৰিবর্তে বয়োজেষ্ঠ ব্যক্তিসকলৰ মতামতকহে প্রাধান্য দিয়া হৈছিল। ই প্রজন্মৰ মাজত মত-পার্থক্যৰ সৃষ্টি কৰিছিল। সেয়ে লোক প্রশাসনত যুৱ সমাজৰ মতামতক লক্ষ্য হিচাপে লৈ ১৯৬৮ চনত আমেৰিকা যুক্তৰাষ্ট্রৰ ছিৰাকিউজ বিশ্ববিদ্যালয়ত(Syracuse University) ডুইট ৱোলডোৰ সভাপতিত্বত মীনোব্রুক সম্মিলন অনুষ্ঠিত হয়। মীনোব্রুক সম্মিলন এক যুৱ সম্মিলন কাৰণ ইয়াতে বহুতো যুৱ পণ্ডিতক আমন্ত্রন কৰিছিল।

মিনোব্রুক সম্মিলনে লোক প্রশাসনত মূল্যভিত্তিক প্রাকৃতিক তত্ত্ব ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছিল। সম্মিলনখনৰ মতামত মতে সামাজিক ন্যাযতা লোক প্রশাসনৰ গতি নির্ধাৰক হ'ব লাগে যাতে ই সমাজৰ কম অধিকাৰ উপভোগীসকলৰ উন্নতি কৰিব পাৰে। দৈনন্দিন সমাজত সৃষ্টি হোৱা সামাজিক সমস্যাসমূহ লোক প্রশাসনে প্রতিনিধিত্ব কৰিব লাগে। ইয়াৰ বিষয় সূচীৰ উন্নতি আৰু প্রাসংগিকতা বৃদ্ধিৰ বাবে বহলভাৱে অনুভৱ কৰা হৈছিল।



জানি থোৱা ভাল

১৯৮৮ চনত চেপ্তেম্বৰ মাহত দ্বিতীয় মীনোব্রুক সম্মিলন হৈছিল। এইখনত ছিৰাকিউজ বিশ্ববিদ্যালয়, কানছাছ বিশ্ববিদ্যালয় (Kansas University) আৰু আকৰন বিশ্ববিদ্যালয়ে (Akron University) যুটিয়াভাৱে অনুদান দিছিল। সম্মিলনখন ছিৰাকিউজ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈছিল। ইয়াত লোক প্রশাসকসকলৰ বাদেও ৰাজনীতি বিজ্ঞান, সমাজ বিজ্ঞান, আৰু অর্থ বিজ্ঞানৰ পণ্ডিত আৰু সাধকসকলে অংশগ্রহণ কৰিছিল। দ্বিতীয় মীনোব্রুক সম্মিলনে লোক প্রশাসনৰ বর্তমান আৰু ভৱিষ্যৎ ধাৰা সমন্ধে বহলভাৱে ব্যাখ্যা কৰিছিল।

৪। **১৯৭১ চনৰ ফ্রেংক মেৰিনীৰ দ্বাৰা সম্পাদিত** 'Toward a New Public Administration: The Minnowbrook perspective' **গ্রন্থৰ প্রকাশ আৰু ১৯৭১ চনৰ ডুইট ৱোলডোৰ** 'Public Administration in a Time of Tubulence' **গ্রন্থৰ প্রকাশ ঃ**

মীনোব্রুক সম্মিলনৰ আলোচনাৰ সময়ত প্রকাশ পোৱা মতামত আৰু ধাৰনা সমূহে দুখন গ্রন্থত বহলভাৱে স্বীকৃতি পাইছিল। এই গ্রন্থ দুখন হ'ল— 'Toward a New Public Administration: The Minnowbrook perspective' (edited by Frank Marini) ১৯৭১ চন আৰু 'Public Administration in a Time of Tubulence' (edited by Dwight Waldo) ১৯৭১ চন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ১৯৬৮ চনত অনুস্থিত হোৱা কোনখন সন্মিলনক লোক প্রশাসনৰ যুৱ সন্মিলন বুলি কোৱা হয়?

.....

প্রশ্ন নং ২ ঃ ছিৰাকিউজ বিশ্ববিদ্যালয়ৰ .....এ আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহত লোক প্রশাসনৰ অধ্যয়নৰ ওপৰত এক পৰীক্ষামূলক অধ্যয়ন চলাইছিল। (খালী ঠাই পুৰ কৰক)

প্রশ্ন নং ৩ ঃ নতুন লোক প্রশাসনৰ পটভূমিত প্রকাশ পোৱা দুখন গ্রন্থৰ নাম লিখক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ 'কার্যকুশলতা' আৰু 'মিতব্যয়িতা' লোক প্রশাসনৰ পৰম্পৰাগত নীতি। (শুদ্ধ / অশুদ্ধ)

.....

প্রশ্ন নং ৫ ঃ ১৯৬৮ চনৰ মিনোব্রুক সন্মিলনৰ ওপৰত এটা টোকা লিখক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

৭.৪ নতুন লোক প্রশাসন ঃ ইয়াৰ লক্ষ্য আৰু সমালোচনামূলক মূল্যায়ন

৭.৪.১ নতুন লোক প্রশাসনৰ লক্ষ্য

নতুন লোক প্রশাসনৰ সাহিত্যত ইয়াৰ চাৰিটা লক্ষ্য পোৱা যায়। সেয়া— প্রাসংগিকতা, মূল্যবোধ, সামাজিক ন্যায্যতা আৰু পৰিৱর্তন।

১। **প্রাসংগিকতা ঃ** পৰম্পৰাগত লোক প্রশাসনে সদায় কার্যকাৰিতা আৰু মিতব্যয়িতাৰ ওপৰত গুৰুত্ব দিছিল। সাম্প্রতিক কালৰ সমস্যা আৰু বিষয়সমূহ অধ্যয়ন নকৰাৰ বাবে ইয়াক সমালোচনা কৰা হৈছিল। মিনোব্রুক সন্মিলনত অংশগ্রহণকাৰী সকলে লোক প্রশাসনৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল।

নীতি সম্পর্কীয় কৌশলৰ ওপৰত গুৰুত্ব দিয়াতকৈ সামাজিক সমস্যাবোৰ আৰু সমাধান কৰাটো অধিক প্রয়োজনীয় বুলি লোক প্রশাসনে মত প্রকাশ কৰিছিল।

২। **মূল্যবোধ ঃ** নতুন লোক প্রশাসন পৰম্পৰাগত লোক প্রশাসনৰ এক সমালোচনা। ই আচৰনবাদী সকলে গ্রহণ কৰা সমাজ বিজ্ঞানৰ 'মূল্যবোধ মুক্ত' ধাৰণাৰ বিৰোধিতা কৰে। মীনোব্রুক সন্মিলনত অংশগ্রহণকাৰীসকলৰ মতে লোক প্রশাসন প্রধানকৈ ন্যায়, স্বাধীনতা, সামাজিক ন্যায্যতা আৰু মানৱীয় নীতি শাস্ত্র ধাৰণাৰ লগত জড়িত।

৩। **সামাজিক ন্যায্যতা ঃ** নতুন লোক প্রশাসনৰ সমর্থকসকলৰ মতে সামাজিক ন্যায়্যতা লোক প্রশাসনৰ বাট দেখুৱাওতা। সামাজিক সমন্যায়ত প্রশাসকসকলক সমাজত বঞ্চিত শ্রেণীৰ লোকসকলৰ ৰক্ষক বুলি কোৱা হয়। তেওঁলোক সামাজিক আৰু অর্থনৈতিক পৰিৱর্তনৰ দক্ষ বিষয়া হোৱাটো জৰুৰী। সমাজৰ পিছ পৰা আৰু বঞ্চিত শ্রেণীসমূহক সুৰক্ষা আৰু উদগনি দিয়াটো লোক প্রশাসকসকলৰ এক নৈতিক দায়িত্ব।

৪। **পৰিৱর্তন ঃ** নতুন লোক প্রশাসনে পৰিৱর্তন আৰু নতুন বিষয়ৰ ওপৰত গুৰুত্ব দিছে। নতুন বিষয়ে নতুন ধাৰণাৰ পৰিচয়ৰ দ্বাৰা শাসন যন্ত্রৰ গঠনমূলক পৰিৱর্তনক সূচাই। নতুন লোক প্রশাসন সামজিক স্থিতাৱস্থাৰ সমালোচক আৰু লোক প্রশাসনক সামাজিক উন্নতি আৰু সামাজিক পৰিৱর্তনৰ উপযুক্তআহিলাৰূপে ব্যৱহাৰ কৰিছে।

৫। **জনসাধাৰণৰ প্রতি সজাগতা ঃ** নতুন লোক প্রশাসনে জনসাধাৰণৰ প্রতি সজাগতাৰ তত্ত্বৰ পৃষ্ঠপোষকতা কৰিছে। সামাজিক ন্যায্যতা আহৰণ কৰিবৰ বাবে সিদ্ধান্ত গ্রহন পদ্ধতিত জনসাধাৰণৰ অংশগ্রহণ নিতান্ত প্রয়োজন। নতুন লোক প্রশাসনে প্রশাসকসকলক জনসাধাৰণৰ কল্যাণৰ প্রতি সজাগ ৰাখে।

৭.৪.২ সমালোচনামূলক মূল্যায়ন

সমালোচকসকলে নতুন লোক প্রশাসনক এক অস্থায়ী আৰু পৰিৱর্তনশীল পৰিঘটনা বুলি আখ্যা দিছে। ৰর্বাট টি গ'লেমবিউস্কিয়ে নতুন লোক প্রশাসনক আংশিক সফলতা বুলি কৈছে। কেমবেল্লৰ মতে নতুন লোক প্রশাসন আৰু পুৰনা লোক প্রশাসনৰ মাজত পার্থক্য এয়ে যে নতুন লোক প্রশাসনে কোনো এক সামাজিক সমস্যাৰ প্রতিনিধিত্ব কৰে যিটো আন এক নির্ধাৰিত সময়ৰ সমস্যাৰ পৰা পৃথক। সেয়ে সমালোচকসকলে কৈছে যে লোক প্রশাসন আৰু নতুন লোক প্রশাসনৰ মাজত পার্থক্য কেৱল সংজ্ঞা-মূলকহে। এইটো স্পষ্টযে সামাজিক ন্যায়্যতাৰ ধাৰণাটো ইয়াৰ অর্থ আৰু লোক আঁচনিত ব্যৱহাৰৰ দিশৰ পৰা নিজেই অস্পষ্ট।

সমালোচনা থকাৰ সত্বেও এইটো উল্লেখ কৰিব পাৰি যে নতুন লোক প্ৰশাসনৰ পৃষ্ঠপোষক সকল তাত্ত্বিক ভাৱে বৈপ্লৱিক নহয় কিন্তু গঠন মূলক। নতুন লোক প্ৰশাসনে প্ৰশাসনৰ পৰম্পৰাগত উচ্চ গাঁথনিৰ বিৰোধিতা নকৰে। ই কেৱল প্ৰশাসনৰ কাৰ্যকাৰিতা আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তন কৰিব বিচাৰে। পৰম্পৰাগত উপাদান কাৰ্যকুশলতা আৰু মিতব্যয়িতাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে ই সামাজিক ধাৰা, কাৰ্যকাৰিতা, মানৱতাবাদ আৰু জনসাধাৰনৰ অংশগ্ৰহনৰ ওপৰত গুৰুত্ব দিব লাগে। নতুন লোক প্ৰশাসনে লোক প্ৰশাসনৰ বিষয় বস্তুক সমাজৰ ওচৰলৈ আনিছিল। নিগ্ৰ আৰু নিগ্ৰৰ মতে লোক প্ৰশাসনৰ পৃষ্ঠপোষক সকলে গঠনমূলক বিৰ্তকক উৎসাহিত কৰি প্ৰশাসনৰ প্ৰাকৃতিক আৰু নৈতিক লক্ষ্যৰ পৃষ্ঠপোষকতা কৰিছে। নতুন লোক প্ৰশাসনৰ ধাৰনা উদ্ভৱ হোৱাৰ পৰা মূল্যবোধ আৰু ন্যায়ৰ ধাৰণাই লোক প্ৰশাসনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নতুন লোক প্ৰশাসনৰ চাৰিটা প্ৰধান লক্ষ্য কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ নতুন লোক প্ৰশাসনৰ পৃষ্ঠপোষকসকলৰ মতে সামাজিক ন্যায্যতা লোক প্ৰশাসনৰ ৰক্ষক। (শুদ্ধ / অশুদ্ধ)

.....

প্ৰশ্ন নং ৮ ঃ নতুন লোক প্ৰশাসনৰ লক্ষ্য হিচাপে মূল্যবোধৰ বিষয়ে ব্যাখ্যা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ নতুন লোক প্ৰশাসনৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

(৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিংশ শতিকাৰ ষাঠিৰ দশক আৰু সত্তৰ দশকৰ আৰম্ভণিত এটা নতুন আন্দোলনৰ সূচনা হৈছিল। ই লোক প্রশাসনৰ পৰম্পৰাগত নীতি যেনে 'মিতব্যয়িতা' আৰু 'কার্যকুশলতা'ৰ প্রতিক্রিয়া হিচাপে উদ্ভৱ হৈছিল। ই লোক প্রশাসনক সামাজিকভাৱে উপযোগী কৰি সমাজৰ প্রয়োজন আৰু সমস্যা সমাধানৰ বাবে প্রস্তুত কৰিছিল।
- ক্রমাগতভাৱে নতুন প্রশাসনৰ নতুন পটভূমিৰ আধাৰত লোক প্রশাসনৰ ধাৰণাৰ উৎপত্তি হয়। নতুন লোক প্রশাসনে গৱেষণাৰ প্রাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে লোক প্রশাসন সমাজৰ জৰুৰী সমস্যা সমাধানৰ বাবে বেছি কার্যকৰী হৈ উঠে।
- নতুন লোক প্রশাসনৰ বৈশিষ্ট্যপূর্ণ ঘটনাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল লোক সেৱাৰ উচ্চ শিক্ষাৰ বিষয়ে ১৯৬৭ চনৰ হনী প্রতিবেদন, লোক প্রশাসনৰ তত্ত্ব আৰু ব্যৱহাৰ সম্পর্কে ১৯৬৭ চনৰ ফিলাডেলফিয়া সন্মিলন, ১৯৬৮ চনৰ মিনোব্রুক সন্মিলন আৰু দুখন গ্রন্থৰ প্রকাশ। গ্রন্থ দুখন হৈছে ১৯৭১ চনত প্রকাশিত হোৱা "Toward a New Public Administration:The Minnowbrook Perspective" (ফ্রাংক মাৰিনিৰ দ্বাৰা সম্পাদিত) আৰু সেই একে চনতে প্রকাশিত হোৱা "Public Administration in a Time of Turbulence" (ৰাইট ৰালড'ৰ দ্বাৰা সম্পাদিত)।
- নতুন লোক প্রশাসনৰ সাহিত্যত ইয়াৰ চাৰিটা লক্ষ্য পোৱা যায়। সেয়া— প্রাসংগিকতা, মূল্যবোধ, সামাজিক ন্যায্যতা আৰু পৰিৱর্তন।
- সমালোচকসকলে নতুন লোক প্রশাসনক এক অস্থায়ী আৰু পৰিৱর্তনশীল পৰিঘটনা বুলি আখ্যা দিছে। এইটো স্পষ্টযে সামাজিক ন্যায়্যতাৰ ধাৰণাটো ইয়াৰ অর্থ আৰু লোক আঁচনিত ব্যৱহাৰৰ দিশৰ পৰা নিজেই অস্পষ্ট।
- সমালোচনা থকাৰ সত্বেও এইটো উল্লেখ কৰিব পাৰি যে নতুন লোক প্রশাসনৰ পৃষ্ঠপোষক সকল তাত্ত্বিক ভাৱে বৈপ্লৱিক নহয় কিন্তু গঠন মূলক। নতুন লোক প্রশাসনে প্রশাসনৰ পৰম্পৰাগত উচ্চ গাঁথনিৰ বিৰোধিতা নকৰে। নতুন লোক প্রশাসনৰ ধাৰণা উদ্ভৱ হোৱাৰ পৰা মূল্যবোধ আৰু ন্যায়ৰ ধাৰণাই লোক প্রশাসনত গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰে।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৬)। *লোক প্রশাসন পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ লোক প্রশাসন*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

৩) হাজৰিকা,ড° নিৰু (২০০৯)। *স্নাতক লোক প্রশাসন*। গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

ইংৰাজী গ্রন্থ ঃ

1) Basu, Rumki (2011).*Public Administration.*New Delhi: Sterling Publishers Private Limited.

2) Bhattacharya, Mohit (2009). *New Horizons of Public Administration*. New Delhi: Jawahar Publishers and Distributors.

3) Bhagwan, Vishnoo, & Bhushan, Vidya(2007). *Public Administration*. New Delhi: S. Chand & Company Ltd.

4) Sharma, Dr. M.P., & Sadana, Dr. B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.

৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৯৬৮ চনৰ মীনোব্রুক সম্মিলন।

২ নং প্রশ্নৰ উত্তৰঃ জন হনী।

৩ নং প্রশ্নৰ উত্তৰঃ "Toward a New Public Administration: The Minnowbrook Perspective" আৰু "Public Administration in a Time of Turbulance".

৪ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰঃ ফিলাডেলফিয়া সম্মিলনে বহুতো গুৰুত্বপূর্ণ সংস্কৰণ দাঙি ধৰিছিল। আমেৰিকাৰ সমাজ ব্যৱস্থাত বিভিন্ন সমস্যাৰ সন্মুখিন হোৱা সময়ত এই সম্মিলনখন অনুস্থিত হৈছিল। এইটো অনুভৱ কৰা হৈছিল যে লোক প্রশাসনে এই সমস্যাবোৰ সমাধান কৰাত ব্যর্থ হৈছে। লগতে এইটো অনুভৱ কৰা হৈছিল যে লোক প্রশাসনত যুৱ সমাজৰ মতামতক গুৰুত্ব দিয়াৰ পৰিবর্তে বয়োজেষ্ঠ ব্যক্তিসকলৰ মতামতকহে প্রাধান্য দিয়া হৈছিল। ই প্রজন্মৰ মাজত মত-পার্থক্যৰ সৃষ্টি কৰিছিল। সেয়ে লোক প্রশাসনত যুৱ সমাজৰ মতামতক লক্ষ্য হিচাপে লৈ ১৯৬৮ চনত আমেৰিকা যুক্তৰাষ্ট্রৰ ছিৰাকিউজ বিশ্ববিদ্যালয়ত(Syracuse University) ডুইট ৰোলডোৰ সভাপতিত্বত মীনোব্রুক সম্মিলন অনুস্থিত হয়। মীনোব্রুক সম্মিলন এক যুৱ সম্মিলন কাৰণ ইয়াতে বহুতো যুৱ পণ্ডিতক আমন্ত্রণ কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰঃ প্রাসংগিকতা, মূল্যবোধ, সামাজিক ন্যায্যতা আৰু পৰিৱর্তন।

৭ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

৮ নং প্রশ্নৰ উত্তৰঃ নতুন লোক প্রশাসন পৰম্পৰাগত লোক প্রশাসনৰ এক সমালোচনা। ই আচৰনবাদী সকলে গ্রহণ কৰা সমাজ বিজ্ঞানৰ 'মূল্যবোধ মুক্ত'ধাৰণাৰ বিৰোধিতা

কৰে। মীনোব্রুক সম্মিলনত অংশগ্রহণকাৰী সকলৰ মতে লোক প্রশাসন প্রধানকৈ ন্যায়, স্বাধীনতা, ন্যায্যতা আৰু মানৰ ন্যায়ৰ ধাৰণাৰ লগত জড়িত।

৯ নং প্রশ্নৰ উত্তৰঃ সমালোচক সকলে নতুন লোক প্রশাসনক এক অস্থায়ী আৰু পৰিৱর্তনশীল পৰিঘটনা বুলি আখ্যা দিছে। ৰৰ্বাট টি গ'লেমবিউস্কিয়ে নতুন লোক প্রশাসনক আংশিক সফলতা বুলি কৈছে। (কেমবেল্লৰ মতে নতুন লোক প্রশাসন আৰু পুৰনা লোক প্রশাসনৰ মাজত পার্থক্য এয়ে যে নতুন লোক প্রশাসনে কোনো এক সামাজিক সমস্যাৰ প্রতিনিধিত্ব কৰে যিটো আন এক নির্ধাৰিত সময়ৰ সমস্যাৰ পৰা পৃথক। সেয়ে সমালোচকসকলে কৈছে যে লোক প্রশাসন আৰু নতুন লোক প্রশাসনৰ মাজত পার্থক্য কেৱল সংজ্ঞা-মূলকহে। এইটো স্পষ্টযে সামাজিক ন্যায্যতাৰ ধাৰণাটো ইয়াৰ অর্থ আৰু লোক আঁচনিত ব্যৱহাৰৰ দিশৰ পৰা নিজেই অস্পষ্ট।



৭.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ নতুন লোক প্রশাসনৰ যিকোনো দুটা বৈশিষ্ট্যপূর্ণ ঘটনা উল্লেখ কৰক।

প্রশ্ন ২ঃ ১৯৭১ চনত ফ্রেস্ক মেৰিনীৰ দ্বাৰা সম্পাদিত গ্রন্থৰ নাম উল্লেখ কৰক।

প্রশ্ন ৩ঃ নতুন লোক প্রশাসনৰ চাৰিটা লক্ষ্য উল্লেখ কৰক।

প্রশ্ন ৪ঃ ১৯৬৪ চনৰ মীনোব্রুক সম্মিলনখন কাৰ নেতৃত্বত অনুস্থিত হৈছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ লোক সেৱাৰ উচ্চশিক্ষাৰ বিষয়ে ১৯৬৭ চনৰ হনী প্রতিবেদনৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ২ঃ নতুন লোক প্রশাসনৰ তত্ত্ব আৰু ব্যৱহাৰ সম্পর্কে ১৯৬৭ চনৰ ফিলাডেলফিয়া সম্মিলনৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ৩ঃ নতুন লোক প্রশাসনৰ লক্ষ্য হিচাপে সামাজিক ন্যায্যতা আৰু পৰিৱর্তনৰ বিষয়ে লিখক।

প্রশ্ন ৪ঃ নতুন লোক প্রশাসনৰ এক সমালোচনামূলক মূল্যায়ন আগবঢ়াওক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ নতুন লোক প্রশাসনৰ পটভূমি বহল ভাবে ব্যাখ্য কৰক। নতুন লোক প্রশাসনৰ গুৰুত্বপূর্ণ ঘটনাসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ নতুন লোক প্রশাসনৰ লক্ষ্যসমূহ আলোচনা কৰক।

* * * * *